# ASSAM LEGISLATIVE ASSEMBLY DEBATES

REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

सत्यमेव जयते

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

WINTER SESSION

## VOLUME– IV

## NO. 4

The 15th December, 1986

Price 17 : 30

REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# CONTENTS

WINTER SESSION

VOLUME IV. NO. 4

Dated, the 15th December, 1986

| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1-22 |
| 2. | Miscellaneous | 23-24 |
| 3. | Calling Attention Notice | 24-26 |
| 4. | Notice under Rule 301 | 26-28 |
| 5. | Announcement from the Chair | 28-31 |
| 6. | Presentation of List of Supplementary Demands and Supplementntry Appropriations | 31 |
| 7. | Consideration and Passing of Government Bills | 31-68 |
| 8. | Discussion Under Rule 50 | 68-91 |
| 9. | Adjournment | 91 |

# STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

বিঃ অসম চুক্তিৰ ৰূপায়ণ

কুমাৰ দীপক দাসে সুধিছে :

*৪১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চুক্তিৰ সকলো দফা কাৰ্য্যকৰী কৰা হ'লনে ?

(খ) যদি হোৱা নাই, কেতিয়া হব ?

(গ) কেন্দ্ৰীয় চৰকাৰৰ সৈতে হোৱা এই বিষয়ৰ যোগাযোগ সম্বন্ধে চমুকৈ জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৪১। (ক)—চুক্তি ৰূপায়ণত ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফাবোৰ ৰাজ্য চৰকাৰে নিয়মিত ভাবে ৰূপায়ণ কৰি আছে। কেন্দ্ৰীয় চৰকাৰ সংশ্লিষ্ট দফাবোৰ কেন্দ্ৰীয় চৰকাৰৰ যথাবিহিত অনুমোদন নোপোৱাত আশানুৰূপভাৱে ৰূপায়ন কৰিব পৰা হোৱা নাই।

(খ) কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পালেই ৰূপায়ণৰ কাম খৰতকীয়াভাৱে লোৱা হব।

(গ) কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সাপেক্ষে ৰূপায়ণ কৰিব লগা কামবোৰৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী, প্ৰধান মন্ত্ৰী আৰু বিষয়া পৰ্য্যায়ত বহুবাৰ আলোচনা চলাই থকাৰ উপৰিও যথাবিধি ও ব্যক্তিগত চিঠি পত্ৰ আনকি তাঁৰ বাৰ্ত্তাযোগে অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰক সঘনে হেচঁা দি থকা হৈছে।

কুমাৰ দীপক দাসঃ—অধ্যক্ষ মহোদয়, আই, টি, আই স্থাপন আৰু অশোক কাগজকল সম্পৰ্কত কি সিদ্ধান্ত লৈছে ? আৰু এই সম্পৰ্কত কেনেধৰণৰ যোগাযোগ স্থাপন কৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):—আই, টি, আই স্থাপনৰ ক্ষেত্ৰত স্থান নিৰ্দ্ধাৰণ কৰাৰ বাবে কেন্দ্ৰীয় কমিটিয়ে অসমৰ বিভিন্ন অঞ্চল পৰিভ্ৰমন কৰিছে। স্থান নিৰ্বাচনৰ কাম বৰ্ত্তমানে কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে। অশোক কাগজ কলৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই থকা হৈছে আৰু আশা কৰা হৈছে যে, সোনকালেই কাম আৰম্ভ কৰিব পৰা যাব।

শ্ৰীজয় নাথ শৰ্মাঃ—১৯৮৬ চনৰ মে' মাহৰ পৰা পুলিচৰ চুক্তি অনুসৰি ১ লাখ ৭০ হাজাৰ টা গোচৰৰ বিৰুদ্ধে পঞ্জীভুক্ত কৰা কথাটো সচানে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):—অধ্যক্ষ মহোদয়, বিদেশী চিনাক্তকৰণ গোচৰ সম্পৰ্কত বিদেশী ন্যায়িধীকৰণে পৰীক্ষা কৰি ২৭,৪০২ টা গোচৰ সম্পন্ন কৰিছে। আৰু ২২,৮১৭ টা গোচৰ পৰীক্ষাধীন হৈ আছে।

শ্ৰীজয়নাথ শৰ্ম্মা:—অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ বিদেশী বহিষ্কৰণ আইনখনে অসম চুক্তি ৰূপায়নত বাধা দিছেনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):—অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ আইনে বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ কামত যথেষ্ট বাধা প্ৰদান কৰিছে। সেই আইন সংশোধন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ ৰাজ্য চৰকাৰে পৰামৰ্শ আগবঢ়াইছে।

Shri Altaf Hussain Mazumdar : Mr. Speaker Sir, is it a fact that the Uniou Home Ministry has categorically refuted the charges of the Assam Government and the AASU that Centre was not serious about the impleme-ntation of the Accord and also relating to the fact that there has not been substantial progress because of the Act.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):—অধ্যক্ষ মহোদয়, এই কথাটো সচা নহয়। আপোনালোকে জানে আ, টি, আইৰ স্থান নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছিল যে, ৰাজ্য চৰকাৰে এইটো বিষয় কৰিব, পিচত ওলাই পৰিল এইটো কেন্দ্ৰীয় চৰকাৰৰ।

Shri A.F. Golam Osmani : Sir, whether the Chief Minister is aware of the statment issued by shri Chidambarm, Union Minister of State for Home Affairs; to the fact that 90% of the Assam Accord have been implemented so far as the Central Govrnment is concerned.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):—অধ্যক্ষ মহোদয়, ইতিমধ্যে পাণিগ্ৰাহীৰ ষ্টেটমেণ্ট ওলাইছে। এই ক্ষেত্ৰত মই আশা কৰিছো যে, অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত আইন মতে অসম চৰকাৰে কৰিব পৰা কাম আৰম্ভ কৰিব।

Shri Prafulla kr. Mahanta, Chief Minister : It is not correct.

Shri A. F. Golam Osmani : Whether the statement has come to his notice ? Whether this was brought to the notice of Chief Minister on behalf of the Government of India ?

শ্ৰীচিলভিয়াচ কন্দপান :—অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কৰিবলগীয়া কোন কোন নিৰ্দ্দেশৰ কথা এতিয়ালৈকে কাৰ্য্যকৰী কৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী:—অধ্যক্ষ মহোদয়, ৫ দফা ৫ (১) মতে ১৯৫৫ চনৰ নাগৰিকত্ব আইন আৰু ইয়াৰ সংশ্লিষ্ট নিয়মাৱলী কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে সংশোধন কৰি নাগৰিকত্ব প্ৰমান পত্ৰ প্ৰদান কৰাৰ ক্ষমতা নিজৰ

হাতলৈ নিয়ে। দফা ৫(৪), ৫(৫) আৰু ৫(৬) মতে ১৯৬৬-৭১ চনৰ বিদেশী চিনাক্তকৰণ আৰু তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাতিলকৰণৰ কাম হাতত লোৱা হৈছে। ইতিমধ্যে ১৯৩৯ চনৰ বিদেশী পঞ্জীয়ন আইন অনুসৰি কেন্দ্ৰীয় চৰকাৰে ১৮ টা প ীয়ন বিষয়াৰ পদ সৃষ্টি কৰিছে। ৰাজ্য চৰকাৰে উক্ত ১৮ টা পদৰ বাবে ১৮ জন পঞ্জীয়ন বিষয়াৰ নাম নিযুক্তিৰ অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে। কিন্তু অনুমোদন এতিয়াও পোৱা পোৱা নাই। দফা ৮ত কোৱা হৈছে যে, কেন্দ্ৰীয় চৰকাৰে ১৯৮৬ চনৰ পহিলা এপ্ৰিলৰ পৰা সমগ্ৰ দেশৰে সমাহৰ্ত্তা সকলৰ নাগৰিকত্বৰ প্ৰমানপত্ৰ দান কৰাৰ ক্ষমতা প্ৰত্যাহাৰ কৰিছে। এতিয়াৰ পৰা নাগৰিকত্বৰ প্ৰমানপত্ৰ প্ৰদান কৰা ক্ষমতা কেন্দ্ৰীয় চৰকাৰে নিজৰ হাতলৈ নিয়ে। আৰু প্ৰাপ্ত আপত্তি সমূহ ৰাজ্যৰ ৰজানৈতিক বিভাগে চাই আছে। আকৌ দফা ৯ (১) আৰু (২) মতে সীমান্তত পহৰা দিয়া কাৰ্য্য শক্তিশালী কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে বুলি গৃহ পৰিক্ৰমা মন্ত্ৰী দপ্তৰে জানিবলৈ দিছে। সীমান্তৰ বেৰ ও পথ নিৰ্ম্মানৰ বিষয়ে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী তথা বিষয়াৰ পৰ্য্যায়ত কেইবালানীও আলোচনা অনুষ্ঠিত হৈছে। সীমান্ত পথ সম্পৰ্কত কিছু অগ্ৰগতী লাভ কৰা হৈছে যদিও সীমান্ত কাইটীয়া তাৰৰ বেৰ সন্দৰভত কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে কোনো ধৰণৰ ইংগিত পোৱা হোৱা নাই।

সীমান্ত পথ সন্দৰ্ভত ভাৰত চৰকাৰে সন্মতি জ্ঞাপন কৰিছে যে অসমৰ গড়কাপ্তানী বিভাগে কামটো সম্পাদান কৰিব। ১৯৮৬ চনৰ ২০ মেৰ দিনা অসমৰ গড়কাপ্তানী বিভাগে ধুবুৰী বাংলাদেশ সীমান্ত পথৰ জৰীপ কাৰ্য আৰম্ভ কৰিছিল। কিন্তু সীমান্ত নিৰাপত্তা বাহিনী আতৰাই অনা বাবে এই কাম ১৯৮৬ চনৰ ৩০ মে'ৰ দিনা স্থগিত ৰাখিবলগীয়া হয়। সীমান্তৰ ১৫০ গজ নিলগত ভাৰত বাংলাদেশ সীমান্তত সীমান্ত পথ নিৰ্ম্মানৰ জৰীপ কাৰ্য্য পুণৰ আৰম্ভ কৰিবলৈ ভাৰত চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে বাৰ্ত্তা প্ৰেৰণ কৰা হৈছে। ভাৰত চৰকাৰে ইতিমধ্যে ধুবুৰীৰৰ ওপৰিও কৰিমগঞ্জ জিলাত জৰীপ কাৰ্য্য চলাবলৈও মঞ্জুৰী দিছে। ইতিমধ্যে ৰাজ্যিক গড়কাপ্তানী বিভাগে পুণৰ জৰীপ কাৰ্য্য আৰম্ভ কৰিছে। আকৌ দফা ১০ মতে চৰকাৰী মাটি জনজাতী বেষ্টনী আৰু ব্লক সমূহত কৰা বেদখল কাৰ্য্য ৰোধ কৰা আৰু কৰ্ত্তৃত্ব হীন বেদখলকাৰীক উচ্ছেদ কৰিবৰ কাৰণে সংশোধিত অসম ভূমি আৰু ৰাজহ বিধি ১৮৮৬ ৰ প্ৰচলিত ব্যৱস্থা সমূহেই যথেষ্ট। ইতিমধ্যে বেদখল কাৰ্য্য ৰোধ আৰু বেদখল উচ্ছেদ কৰিবলৈ উপায়ুক্ত আৰু মহকুমা অধিপতি সকলক নিৰ্দেশ দিয়া হৈছে। ৰাজ্য চৰকাৰে উপায়ুক্ত আৰু মহকুমা অধিপতি সকলক ৰাজ্য খনৰ মুঠ ৪৫ টা জনজাতিয় বেষ্টনী আৰু ব্লকত থকা লোক সকলৰ জাতি গত গঠন সম্পৰ্কে জৰীপ কাৰ্য্য চলাবলৈ নিৰ্দ্দেশ দিছে।

দফা নং ১৪ (ক) মতে অসম আন্দোলন সংক্ৰান্তত নিৰ্যাতিত কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ ওপৰত লোৱা শাস্তিমূলক ব্যৱস্থা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী আৰু বিষয়া পৰ্য্যায়ত আলোচনা কৰাৰ ওপৰিও চিঠি পত্ৰ যোগে সঘনে হেচা দি থকা হৈছে। দফা ১৪ (খ) মতে ৰাজ্য

চৰকাৰৰ আচনি অনুসাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসম আন্দোলনৰ শ্বহীদ সকলৰ আত্মীয়ক এককালিন বিত্তিয় সাহাৰ্য্য ৩০ হাজাৰ টকাৰ পৰা ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰি সমুদায় খৰছ কেন্দ্ৰই বহন কৰিব লাগে বুলি প্ৰস্তাব দিয়া হৈছে। বৰ্ত্তমানে কেন্দ্ৰীয় চৰকাৰে জনে প্ৰতি ২০ হাজাৰ টকাকৈ ব্যয় কৰিবলৈ মান্তি হৈছে। ৰাজ্য চৰকাৰে সমস্ত ৫০ হাজাৰ টকা ব্যয় পূৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক হেচাদি আছে। ইতিমধ্যে ৬৭৮ জন শ্বহীদলৈ এককালিন আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হৈছে। কাছাৰ জিলাৰ অনুমোদন দিয়া ১১ জনৰ আৰ্থিক সাহাৰ্য্যৰ বিতৰণ বৰ্ত্তমানে স্থগিত ৰখা হৈছে।

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাবিত তেলশোধানাগাৰ ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠা কৰিবলৈ হেচা দি আছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ব্যক্তি-গত বা যুটীয়া খণ্ডত পতিবলৈ পৰামৰ্শ দিছে। ৰাজ্য চৰকাৰে এই পৰামৰ্শ এতিয়াও মানি লোৱা নাই।

অশোক কাগজ কল আৰু পুণৰ সংস্থাপনৰ ক্ষেত্ৰত যোগীঘোপা গোট আৰু বিহাৰ গোট দুটাৰ সা-সম্পত্তি বাটোৱাৰা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে সন্মতি প্ৰদান কৰিছে। প্ৰাধিকিন্ত ব্যক্তি নিযুক্তিৰ বাবে পৰ্য্যালোচনা চলাই থকা হৈছে। কেন্দ্ৰীয় চৰকাৰক অশোক কাগজ কলৰ বাবে অনুদান দিবলৈ হেচা দি থকা হৈছে।

অসম সমবায় মৰাপাট কলটো ১/১/৮৬ তাৰিখৰ পৰা পুণৰ খোলা হৈছে। কেন্দ্ৰীয় চৰকাৰক বৰ্ত্তমানে বিত্তিয় সাহাৰ্য্য ৰূপে ২৪০ কোটি টকা মঞ্জুৰী দিবলৈ টানি অনুৰোধ কৰা হৈছে।

আই আই, টি অসমত স্থাপনৰ বাবে শীঘ্ৰে চূড়ান্ত সিদ্ধান্তলবৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেচা দি থকা হৈছে। এই সন্দৰ্ভত কেন্দ্ৰই বিচৰা সকলো তথ্য পাতি যোগান ধৰি শীঘ্ৰে স্থান নিৰ্ব্বাচনৰ চূড়ান্ত সিদ্ধান্ত জনাবলৈ অনু-ৰোধ কৰা হৈছে।

বি: শিলঘাট মৰাপাট কল

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে:

*৪২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিলঘাট সমবায় মৰাপাট কলটো পুনৰ চলোৱাৰ পাছত কিমানজন লোকক পুনৰ মকৰল কৰা হৈছে ?

(খ) এই কলটোত পূৰ্বৰ কোনো বিষয়ববীয়া টিনপাত চুৰিৰ গোচৰত অভি-যুক্ত হৈছিল নেকি ?

(গ) যদি হৈছিল, সেই বিষয়ববীয়া জনৰ প্ৰতি কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:—

৪২। (ক) এতিয়ালৈকে মুঠ ৭৬২ জন লোকক পুনৰ মকৰল কৰা হৈছে।

(খ) হয়, এই কলটোৰ পূৰ্ব্বৰ পৰিচালক (Manager) জন অভিযুক্ত হৈছে।

(গ) উক্ত বিষয়ববীয়াজনক মিলৰ কামৰ পৰা অব্যাহতি দিয়া হৈছিল।

শ্ৰীগোলক ৰাজবংশী:—অধ্যক্ষ মহোদয়, যিজন মানুহ অভিযুক্ত হৈছিল সেইজন মানুহৰ ওপৰত এতিয়া চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—পুলিচে ইতিমধ্যে গোচৰ তৰিছে আৰু

বিভাগৰ তৰফৰ পৰা প্ৰতিদিংছদ্ৰ কৰা হৈছে।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশীঃ— পুলিচে গোচৰ তৰা বুলি কৈছে;অভিযুক্ত বিষয়াজনক চাচ্‌পেন কৰা হৈছে নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অব্যাহতি মানে চাচপেন্সনত পঠোৱা হৈছে।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশীঃ—এই ৭৬২ জনৰ বাহিৰেও আৰু আগৰ কাম কৰি থকা আছে নে কি ? যদি আছে, কিমান ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অধ্যক্ষ মহোদয়, মুঠ কৰ্ম্মচাৰী আছিল ১০৬৭ জন, ইয়াৰে ৭৬২ জনক পুণৰ নিয়োগ কৰা হৈছে।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী:—অধ্যক্ষ মহোদয়, বাকীসকলৰ কাৰণে কি ভাবিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—বিভিন্ন বিভাগত যাতে সংস্থাপন দিব পৰা হয় তাৰ কাৰণে যত্ন কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা:—অধ্যক্ষ মহোদয়, ইয়াৰ বাবে অসম চৰকাৰে কিমান টকা অনুদান দিছে ? আৰু ভাৰত চৰকাৰে ২ কোটি ৪০ লাখ টকা দিয়া কথাটো সচাঁ নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ পৰা ৯৪ লাখ দিয়া হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ২ কোটি ৪০·৬০ লাখ টকা দিয়া হৈছে।

শ্ৰীগুণিণ হাজৰিকা :—কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগা টকাৰ কিমানখিনি এতিয়ালৈকে পোৱা হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—ইয়াৰে কিছু টকা পোৱা হৈছে, আৰু বাকীখিনিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেচা দি থকা হৈছে।

শ্ৰীপদ্মনাথ কৈৰীঃ—অধ্যক্ষ মহোদয়, সেই বিষয়াজনে টিংপাট চুৰি কৰাৰ উপৰিও আন কিবা বস্তু চুৰি কৰিছিল নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অধ্যক্ষ মহোদয়, আমি পোৱা ৰিপৰ্ট-মতে ১৯ খন টিংপাট চুৰি কৰিছিল।

শ্ৰীজয়নাথ শৰ্ম্মা:—অধ্যক্ষ মহোদয়, এই অপৰাধ কেতিয়া কৰা হৈছিল ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অধ্যক্ষ মহোদয়, ৮।৩।৮৪ তাৰিখে টিংপাত চুৰি কৰাৰ কাৰণে গ্ৰেপ্তাৰ কৰা হৈছিল।

Re : Nabagata Simlitola Bus Station

Shri MAZIRUDDIN AHMED asked :

*43 Will the Minister, Transport be pleased to state—

(a) Whether Government is aware that Nabagata Simlitola is a business centre with hat and daily bazar ?

(b) Whether the place is a meeting point of Goalpara and Barpeta Districts and whether the people of both districts do their commercial business at this hat ?

(c) Whether Stage carriage buses used to ply from

Nabagata Simlitola to Goalpara regularly ?

(d) Whether this bus station has been shifted by the D.T.O. by his written order dated 24th May 1986 to Simlitola Chariali a distance of 3 KM. from Nabagata Simlitola ?

(e) Whether it is a fact that immense hardship has been caused to the public and if so will the Government reinstate the Bus station at Nabagata Simlitola immediately ?

Shri LALIT CHANDRA RAJKHOWA (Minister, Transport) replied :

43 (a) Nabagata Simlitola is a small rurul market place with daily bazar and a weekly hat. It is not a business centre with considerable economic activities.

(b) It is not a meeting point of both the districts (Goalpara & Barpeta ). The river Barhmaputra Separates both the district in clear manner. The people of char area of Barhmaputra of Barpeta district, usually come to the Nabagata Simlitola bazar.

(c) Yes.

(d) Yes.

(e) The shifting of the Bus station from Nabagata Simlitola to Simlitola chariali was done on public demand.

শ্ৰীমজিৰুদ্দিন আহমেদ :—মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ (ই) ৰ অংশটো উত্তৰ মই বুজি নেপালো ।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—হয়, এইটো অনা হৈছে। নবাগতা চিমলিতোলা চাৰি আলিলৈ ১.১৫ কিঃ মিঃ মাত্ৰ হ'ব ।

Shri Maziruddin Ahmed : Whether originally these buses started from Nabagata Simlitola and why abruptly this station has been shifted on 4th Mary, 1986. May I know from the Honble Minister why this has been shifted ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অধ্যক্ষ মহোদয়, এইটো ৰাইজৰ দাবীৰ বাবেই কৰা হৈছে ।

শ্ৰীমুক্তাৰ হুচেইন :—অধ্যক্ষ মহোদয়, মই জনামতে তিনি কিঃ মিঃ দূৰ গতিকে চিমলিতোলালৈ বাছ চলোৱাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে কি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অধ্যক্ষ মহেদয়, এতিয়াই কৰা টান হ'ব ।

শ্ৰীমুক্তাৰ হুচেইন :- অধ্যক্ষ মহোদয়, এই নবাগতা যিখন বজাৰ আছে তালৈ বাছখন আহিলে ৰাইজৰ সুবিধা হয়, গতিকে কোন জনসাধাৰণ আহি মন্ত্ৰী মহোদয়ক অভিযোগ দিলে যে বাছষ্টেন্টটো স্থানান্তৰ কৰিব লাগে ? মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী):—অধ্যক্ষ মহোদয়, এইটো চাব পৰা হব।

বি ঃ সামাজিক বননিকৰণ

শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে ঃ

*৪৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

সামাজিক বননিকৰণ আঁচনিত চৰকাৰে বাঁহৰ বেৰ দিয়াৰ ফলত অজস্ৰ অৰ্থ ব্যয় হ'ল, এই ক্ষেত্ৰত চৰকাৰে বাঁহৰ পৰিবৰ্ত্তে তাঁৰৰ বেৰ দিয়া ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৪। সামাজিক বননিকৰণ বিভাগৰ দ্বাৰা কৃত সামাজিক বননিকৰণ বিভাগৰ আঁচনিত বাঁহৰ বেৰ ব্যৱহাৰ কৰা নহয়; কেৱল তাঁৰৰ বেৰহে ব্যৱহাৰ কৰে।

Shri Binai Khungur Basumatari : Sir, in front of my house there is a social forestry programme but it was done by D. R. D. A. will the Minister enquire whether it is not correct ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন মন্ত্ৰী):—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বোধকৰো ভুল কৰিছে। সামাজিক বনানিকৰণৰ দুটা প্ৰক্ৰিয়া আছে এটা আমি নিজে কৰো আৰু এটা ডি আৰ ডিএ কৰে। মই বিশ্বস্ত সূত্ৰে গম পাইছো ডি আৰ ডিএ বাহৰ বেৰ দিয়ে আৰু বন বিভাগে তাঁৰৰ বেৰ দিয়ে।

বি ঃ কপাহ বাৰীৰ বানপীড়িত লোকৰ বাবে কেম্প

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

*৪৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যমুনামুখ সমষ্টিৰ কপাহবাৰী বজাৰত বানপীড়িত লোকৰ কোনো কেম্প আছিলনে ?

(খ) যদি আছিল, তাত ৰিলিফ (Relief) দিয়া হৈছিলনে ?

(গ) যদি দিয়া নাই, তাৰ কাৰণ কি ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৫ (ক) যমুনামুখ সমষ্টিৰ কপাহবাৰী বজাৰত বানপীড়িত ৰাইজৰ কাৰণে কোনো সাহায্য কেম্প খোলা হোৱা নাছিল।

(খ) প্ৰশ্ন নুঠে।

(গ) খাদ্য সামগ্ৰী বিষয়ক সাহায্য দিয়াৰ প্ৰয়োজন নাছিল। কাৰণ সেই ঠাইত কোনো ঘৰ বানপানীত তল যোৱা নাছিল মাত্ৰ ধান খেতিহে ক্ষতি-গ্ৰস্ত হৈছিল।

শ্ৰীআব্দুল জলিল ৰাগিবী :—মন্ত্ৰী মহোদয়ক মই এটা কথা জনাব পাৰো যে এই উত্তৰৰ ক্ষেত্ৰত বিষয়া সকলে ভুল তথ্য দাঙি ধৰিছে। কপাহবাৰীত কেম্প আছিল আৰু তাত ৪খন গাওঁৰ ১২৫ টা পৰিয়ালে আশ্ৰয় লৈছিল। তাত যে কেম্প পাতিছিল তাক মুবাজাৰ থানাৰ অ.চিয়ে দৰিউটি মেচেজ যোগে চৰকাৰক জনাইছে আৰু মই নিজে সেই কেম্পলৈ ঢুবাব গৈছো কেম্পৰ পৰা মোৰ ঘৰ মাত্ৰ ৩ কিঃ মিঃ আতৰত। সেই কেম্পলৈ কপাহবাৰী অঞ্চলৰ

এ জি পিৰ জিলা সদস্য সকলও গৈছে তাৰোপৰি তিনিজন মন্ত্ৰী আমাৰ মইতুল ইচলাম বৰা স্বাস্থ্য মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী আৰু শিল্প মন্ত্ৰীও গৈছিল। তেওঁলোকেওঁ অতিৰিক্ত উপায়ুক্তক মোৰ সন্মুখতে বিলিফ দিবৰ কাৰণে নিৰ্দ্দেশ দিছিল। এডিচিক বাৱস্থাৰ বিলিফি দিবলৈ বিভিন্ন স্থৰৰ পৰা অনুৰোধ কৰা হৈছিল। থানাৰ অচিয়েও ৰিপোৰ্ট দিছে। সকলো ৰেকৰ্ডপাতি মোৰ লগত আছে। মই অধ্যক্ষৰ যোগে মন্ত্ৰী মহোদয়ক দিছো। গতিকে এই কথাটো অনুসন্ধান কৰি মন্ত্ৰী মহোদয়ে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী)ঃ—অধ্যক্ষ মহোদয়, কপাহবাৰী মৌজাৰ অন্তৰ্গত দিমাৰপুৰ গাওঁৰ ১৮ টা পৰিয়ালৰ, কপাহবাৰী গাওঁৰ ২৮ টা পৰিয়ালৰ আৰু পদুমপুখুৰী গাওঁৰ ৬৯ টা পৰিয়ালৰ খেতি পথাৰ যোৱা বানপানীত ক্ষতি হয়। ক্ষতিপুৰণ স্বৰূপে বানপীড়িত ৰাইজৰ মাজত কৃষিজাত সাহায্য হিচাপে গম, আলু মটৰ আৰু সৰিয়হ বীজ বিনামূল্যে বিতৰণ কৰা হৈছে। যাতে বানপীড়িত খেতিয়ক সকলে তেওঁলোকৰ ক্ষয়ক্ষতি পূৰণ কৰিব পাৰে। উক্ত অঞ্চল বিলাকৰ কোনো লোকৰ ঘৰ সেই বান বিধ্বস্থ হোৱা নাছিল কাৰণেই কোনো সাহায্যকেম্প খোলা হোৱা নাছিল।

শ্ৰীআব্দুল জলিল ৰাগিবী ঃ—অধ্যক্ষ মহোদয়, মই নিজে কেম্প পৰিদৰ্শন কৰিছিলো ১২৫ টা পৰিয়ালে সেই কেম্পত আশ্ৰয় লৈছিল। বিষয়াই ভূল তথ্য দাঙি ধৰিছে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী)ঃ—এই বিষয়ে মই অনুসন্ধান কৰি চাম।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ, মাননীয় সদস্য গৰাকীয়ে বিষয়াজনৰ কথা ইয়াত উল্লেখ কৰিছে। কিন্তু বিধান সভাত বিষয়াই উত্তৰ দিব নাহে, উত্তৰ মন্ত্ৰীয়ে দিব, ভূল হ'লেও উত্তৰ মন্ত্ৰীৰ ভূল হ'ব। হোৱাৰ কাৰণে দোষী কোন হ'ব অধ্যক্ষ মহোদয়ে জনাব লাগে।

Shri Altaf Hussain Mazumdar : Sir, it *is* an very serious matter. Answers are given by the Minister. If answers are given wrongly, Minister is liable for it. The hon'ble member has specifically stated that he had personnaly visited the place and there were certain camps where people took shelter and apparently the officers gave incorrect report. Will the Minisier enquire and take action against such officers ?

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা ৰুলিং বিচাৰিছো, মাননীয় সদস্যগৰাকীয়ে আকৌ বিষয়াক টানিছে, উত্তৰৰ কাৰণে মন্ত্ৰী সকল দোষী হয় নে নহয় জনাব লাগে ?

মাননীয় অধ্যক্ষ ঃ— মাননীয় ৰাজহ মন্ত্ৰীয়ে ইতিমধ্যে বিহীত ব্যৱস্থা ল'ব বুলি কৈছে।

Re : Post of Chief Secretary

Shri GAPINATH DAS asked :

*6. Will the Chief Minister be pleased to state—

(a) The Chief Sercetary in Assam at present ? (Please state the names in order of seniority)

(b) The reasons for creating post of so many Chief Secretaries ?

(c) The additional expenditure involved per month for having more than one Chief Secretaries ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

46. (a) There is only one post of Chief Secretary in Assam at present

(b) Does not arise in view of reply against (a) above.

(c) Does not arise.

Shri Altaf Hussain Mazumdar : It appears from the papers that on appoinment of chief secretary, Shri Phene wanted assurances that if he joins as chief secretary he is not to be illegelly interfered ? If so what condition have been given ?

Shri Prafulla Kumar Mahanta, chief Minister : This is not correct.

শ্ৰী জয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, পাব্লিক চাৰভেণ্ট মানে ৰাইজৰ চাকৰ, ৰাইজৰ চাকৰৰ আকৌ চৰকাৰৰ পৰা কিবা আশ্বাস বিচৰাৰ যুক্তি-যুক্ততা থাকিব পাৰে নেকি ?

Shri A. F. Gulam Osmani : Sir, there is one Chief secretary. But what is the reason for creating as many as 6 Addl. Chief Secretaries with super scale of pay ? Is it a fact that the volume of work increased ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্য মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, কেদাৰ আৰু এক্স কেদাৰৰ পোষ্ট থাকে। নিশ্বয় মাননীয় সদস্য সকলে জানে।

Re : Assam House at Bombay and Madras

Shri Muktar Hussain asked :

* 47. Will the Chief Minister be pleased to state—

(a) Is it a fact that, the state Government is going to build Assam House in Bombay and Madras providing facilities to the travelling public of the state ?

(b) If so, the progress made in this regard ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

47. (a) — There is a proposal for construction of Assam House in Bombay and Madras.

(b) – The respective State Governments of Maha-

rastra and Tamilnadu have been requested to make available necessary land for the purpose. Construction of houses will be taken up only after land is available.

শ্ৰীমোক্তাৰ হুছেইন :............ অধ্যক্ষ মহোদয়, ১৯৮৩ চনত মহাৰাষ্ট্ৰ চৰকাৰে অসম চৰকাৰক অসম ভৱনৰ বাবে মাটি দিয়াৰ কিবা প্ৰতিশ্ৰুতি দিছিল নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :............ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত তেওঁলোকে মাত্ৰ চাব বুলি জনাইছিল।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :............ অধ্যক্ষ মহোদয়, এই অসম ভৱন বোম্বাই আৰু মাদ্ৰাজত কৰাৰ ক্ষেত্ৰত চৰকাৰে চেষ্টা চলাই আছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :............ অধ্যক্ষ মহোদয়, এই সম্পৰ্কত চেষ্টা চলাই থকা হৈছে। মই নিজে ব্যক্তিগতভাৱে মহাৰাষ্ট্ৰৰ মূখ্য মন্ত্ৰীক এই সম্পৰ্কত অনুৰোধ কৰিছিলো।

শ্ৰীপদ্মকান্ত বৈৰী :............ অধ্যক্ষ মহোদয়, অসমৰ বাহিৰত ভাৰতৰ বিভিন্ন ঠাইত যিবোৰ অসম ভৱন আছে, এইবোৰত অকল অসমৰ বিশিষ্ট ব্যক্তি বিধায়ক, মন্ত্ৰী আৰু চৰকাৰী কৰ্মচাৰী, বিষয় ববীয়া আদি সকলৰ বাবেহে নে অসমৰ জনসাধাৰণৰ বাবেও ? যদি জনসাধাৰণৰ বাবেও হয় তেন্তে এই বিলাকত ঠাই আদি পোৱাৰ কিবা নিয়ম আদি আছে নেকি ? মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :............ অধ্যক্ষ মহোদয়, তেখেত সকলে আগতীয়াকৈ বন্দবস্তি আদি কৰি ল'ব লাগিব। যদি ঠাই থাকে তেনেহ'লে তেখেত সকলে থাকিব পাৰিব।

Re : Names of Sahids declared in Hojai Sub-division

Shri Ardhendu Kumar Dey asked :

*48. will the Chief Minister be pleased to state—

(a) The names and address of the Sahids declared at Hojai sub-division ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

48. (1)— Swahid Anil Sarkar,
Vill. Hayong Gaon,
P. S. Hojai.

(2) Swahid Sanjoy Bora,
S/o. Ganesh Bora,
Moudanga, Krishipam Nigam,
P. S. Murajhar.

(3) Swahid Dhiren Bora,
S/o Hema Kanta Bora,
Vill. Nagayapam,

P. S. Jamunamukh.

(4) Swahid Ila Ram Das,
S/o. Bhabak Das,
Vill. No. 3 Kaki Thangia Gaon,
P. S. Kaki.

Shri Ardhendu Kumar Dey :— Mr. speaker, Sir, I want to put the supplementary question becanse sucurity of one person is involved.

Who diclared Ila Ram Das as Swahid ?

Whether it is within the knowledge of the Government that Ila Ram Das was not involved with the Assam Movement ! he did not die in the interest of the Assam Movement, but he was declared as Swahid by the Assam Government ?

Whether it is within the knowledge of the Government that the widow of the Ila Ram Das (who was declared as Swahid) did not receive the amount i. e. Rs. 30, 000/- from the Government and the same amount was recesved by Mohi Ram Das brother of Ila Ram Das. Who driven out the widow from her house.

Will the Chief Minister give a statment placing all the fact before the house ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :............ অধ্যক্ষ মহোদয়, বিশিষ্ট তথ্যৰ ওপৰত নিৰ্ভৰ কৰিয়েই দিয়া হৈছে। যদি ইয়াৰ ওপৰতো কিবা অভিযোগ আছে তেন্তে আমি চাম।

শ্ৰীহেমেন দাস :............ অধ্যক্ষ মহোদয়, সেই শ্বহীদজনৰ যদি বিবাহিত ঘৈণীয়েক আছে তেন্তে আইনমতে ৩০ হাজাৰ টকা সেই ঘৈণীয়েকেহে পাব লাগে। মূখ্যমন্ত্ৰী মহোদয়ে এইটো বিচাৰ কৰি চাই যদি ঘৈণীয়েকে পোৱা নাই, আনেহে পাইছে তেন্তে সেই ৩০ হাজাৰ টকা ঘূৰাই আনি হলেও সেই বিধবা ঘৈণীয়েকক দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :............ অধ্যক্ষ মহোদয়, মই এইটো অনুসন্ধান কৰি চাম।

Re : River Police Wing

Shri Abdul Muqtadir Choudhury asked :

*49. Will the Minister, Home be pleased to state—

(a) Whether there was a proposal to set up a River Police Wing to cover the river boundary of Karimganj bordering Bangladesh ?

(b) If so, whether the said Wing has been set up ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৯। (ক)— হয়।

(খ)— এতিয়াও স্থাপন কৰা হোৱা নাই।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী :………… অধ্যক্ষ মহোদয়, এই কামটো কেতিয়া হ'ব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) :………… অধ্যক্ষ মহোদয়, এই নদী আৰফীথা স্থাপন কৰাৰ কাৰনে ভাৰত চৰকাৰলৈ অনুমোদনৰ বাবে পঠোৱা হৈছে। অনুমোদন পালেই স্থাপন কৰিব পৰা হ'ব।

বি : বিদেশী চিনাক্তকৰণ

শ্ৰীৰামেন্দ্ৰ দেই সুধিছে :

*৫০। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ করি জানাইবেন কি—

(ক) বিদেশী চিহ্নিত করনের নামে ভারতের স্থায়ী নাগরিকদেরকে চরম হয়রানী করা হচ্ছে, সরকার এ সংবাদ জানেন কি ?

(খ) যদি জানেন তবে কি ব্যৱস্থা গ্ৰহণ করেছেন ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫০। (ক)— এনে কোনো নিৰ্দ্দিষ্ট অভিযোগ চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই।

(খ)— প্ৰশ্ন নুঠে।

শ্ৰীৰামেন্দ্ৰ দে :— অধ্যক্ষ মহোদয়, আমার প্ৰশ্নে অভিযোগের কথা বলা হয়নি। বলা হয়েছে — বিদেশী চিনাক্ত করার নামে ভারতীয় নাগরিকদের হয়রানী করা হয়েছে কি না ? গতিকে আমার সাপ্লিমেণ্টারী হচ্ছে— কাছার এবং করিমগঞ্জ জেলায় আজ পুলিশ কয়েক হাজার মানুষের নামে যে নোটিছ দিয়েছেন সেই নোটিশের কথা মাননীয় মূখ্যমন্ত্ৰী মহোদয় জানেন কি না ? এবং পুলিশের হাতে বিদেশী চিনাক্ত করার দায়িত্ব দেওয়া হয়েছে কি না ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :………… অধ্যক্ষ মহোদয়, বিদেশী হয় নে নহয় সেইটো ট্ৰিবুনেলে চিহ্নত কৰিব। নটিছ দিলেই তেওঁলোক বিদেশী হ'ব নোৱাৰে।

শ্ৰীৰামেন্দ্ৰ দে :— অধ্যক্ষ মহোদয়, কাটিগড়া ও কালাইন পুলিশ ষ্টেচনের অধীনে কয়েক শ লোকের নামে পুলিশ নোটিশ জারী করেছে এবং ঐ এলাকার শ্ৰীউপেন রায়, শ্যামলাল রায়কে তাদের বাড়ী থেকে ধরে নিয়ে গিয়ে সারা রাত থানায় আটকে রেখে পরের দিন তাদেরে ছেড়ে দিয়েছে। শোনা যাচ্ছে সেৱসব এলাকায় কিছু কংগ্ৰেছ কৰ্মীর সঙ্গে সংযোগ রেখে পুলিশ এইসব হয়রানী চালিয়ে যাচ্ছে। এবং এইসব কাজে কংগ্ৰেছীদের ভাগ-বাটরাও চলছে। সে খবর মন্ত্ৰী মহোদয় জানেন কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :………… অধ্যক্ষ মহোদয়, গ্ৰেপ্তাৰ কি কাৰণে কৰা হৈছে সেইটো চাব লাগিব। মই গোটেই বিষয়টো অনুসন্ধান কৰি চাইহে ক'ব পাৰিম।

Re : Flood Caused by river Kalo and Darni

Shri Aminul Islam asked :

*51. Will the Minister, Flood Control be pleased to state-

(a) Is the Government aware of the facts that River Kalo " and River Darni are the root cause of the October 1986 flood which have created havoc by damaging thousands of hectres of stading cross and hundreds of residential house in Mankacher Constituency ?

(b) Is it also a fact that there two rivers have always been the cause of recurring floods twice or thricc in each year ?

(c) If so, will the Government to please to adopt necessary schemes to control the flood of these two rivers and to save the farmers from their loss of yearly agricultural Production ?

শ্ৰীছামছিং হান্সে ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৫১। (ক)—হয়, কালু আৰু দৰাণী নৈয়েই মানকাছাৰ অঞ্চলৰ ১৯৮৬ চনৰ অক্টোবৰ মাহৰ বানপানীৰ মূল কাৰণ বুলি ভবা হয়।

(খ)— বৰষুণৰ মাত্ৰা অনুযায়ী, কম বেছি পৰিমাণৰ বানপানী হয়।

(গ)— আঁচনি সম্ভাৱনীয়তাৰ বাবে অনুসন্ধান কৰি থকা হৈছে।

শ্ৰীআমিনুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়. দৰিনি নৈৰ ওচৰত থকা একমাত্ৰ ক্ৰিমেচন গাউণ্ড খন ধ্বংশ হৈ গৈছে, এইটো ৰক্ষাৰ কাৰণে কিবা ব্যৱস্থা চৰকাৰে ল'বনে ?

শ্ৰীছামছিং হান্সে ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে অনুসন্ধান চলাই সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

বি : বেদখল মাটি মুক্ত কৰা আঁচনি

কুমাৰ দীপক দাসে সুধিছে :

* ৫২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ বিভিন্ন ঠাইৰ হাজাৰ হাজাৰ বিঘা বেদখল কৰি থকা মাটি ( ভি, জি, আৰ, পি, জি, আৰ ) মুক্ত কৰা সম্পৰ্কে চৰকাৰে নতুনকৈ কিবা ভাবিছে নেকি ?

(খ) এই বেদখল উচ্ছেদ কৰি ইয়াক জন-সাধাৰণৰ স্বাৰ্থৰ উদ্দেশ্যে ব্যৱহাৰ কৰাৰ কিবা আঁচনি কিবা আছে নেকি ?

(গ) যদি নাই, তেনে আঁচনি গ্ৰহণ কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫২। (ক)—সংৰক্ষিত গোচৰনীয়া আৰু ব্যৱসায়ীক গোচৰনীয়া ভূমিৰ পৰা বেদখলকাৰীক উচ্ছেদ কৰিবৰ বাবে উপায়ুক্ত আৰু মহকুমাধিপতি সকলক নিৰ্দ্দেশ দিয়া হৈছে।

(খ)—ভি, জি, আৰ আৰু পি, জি, আৰ জনসাধাৰণৰ স্বাৰ্থৰ উদ্দেশ্যতেই ৰখা হৈছে।

(গ)—প্ৰশ্ন নুঠে।

কুমাৰ দীপক দাস :— মাননীয় অধ্যক্ষ মহোদয়, বে-দখলকাৰী সকলক কোনে কেতিয়া কেনেকৈ উচ্ছেদ কৰিছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) :— মাননীয় অধক্ষ মহোদয় চেটেলমেণ্ট ৰুল নং ১৮ মতে উপায়ুক্ত আৰু মহকুমাধিপতিয়ে বেদখলকাৰীক উচ্ছেদ কৰিব পাৰে।

(ক) ৰুল নং ১৮(১) মতে চৰকাৰী মাটিৰ পৰা বেদখল উপায়ুক্তই উচ্ছেদ কৰিব পাৰে।

(খ) ৰুল নং ১৮(২) মতে সংৰক্ষিত ভূমি, ৰাস্তা, গোচৰণীয়া **পথাৰ** ৰাজহুৱা উদ্দেশ্যত সংৰক্ষিত ভূমিৰ পৰা বেদখল অতি শীঘ্ৰে লগে লগে উচ্ছেদ কৰিব পাৰে।

(গ) ৰুল নং ১৮(৩) মতে ১৫ দিনৰ জাননী দি বেদখল উচ্ছেদ কৰিব পাৰে।

(ঘ) ৰুল নং ১৮(৪) জাননী দিয়া সময়ৰ ভিতৰত বেদখল উচ্ছেদ কৰিব লাগে।

(ঙ) ৰুল নং ১৮(৫) মতে ১৮(২) আৰু (৩) ৰুলমতে জাননী পায়ো কোনোৱে স্বইচ্ছাই উঠি নাযায় তেনেহ'লে ২০০ ( দুশ টকা ) জৰিমনা কৰিব পাৰে।

(চ) ৰুল নং ১৮ (৫) মতে কোনো বেদখলকাৰীয়ে উচ্ছেদ কৰাৰ পাছত যদি পুণৰ বেদখল কৰে হাকিমে বিচাৰ কৰি ৬ মাহৰ জেল বা ১০০০ (এহেজাৰ) টকাকৈ জৰিমানা নাইবা জেল আৰু জৰিমনা দুয়োটাই কৰিব।

শ্ৰীকুমাৰ দীপক দাস :— মাননীয় অধ্যক্ষ মহোদয়, যি সকল বে-দখলকাৰী আছে তেওঁলোকৰ ক্ষেত্ৰত চৰকাৰে তেনেধৰণৰ কিবা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যে এই নীতি কঠোৰ ভাৱে প্ৰয়োগ কৰা হোৱা নাছিল। সদনৰ অনুমোদন থাকিলে আমি ইয়াক প্ৰয়োগ কৰিব পাৰিম।

কুমাৰ দীপক দাস :— মাননীয় অধ্যক্ষ মহোদয়, বে-দখলকাৰী সকলক উচ্ছেদ কৰা কাম বন্ধ আছে নেকি ? এতিয়া পুণৰ আৰম্ভ কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, সৰ্ব্বসাধাৰণতে বাৰিষা কালত বে-দখলৰ উচ্ছেদৰ কাম নহয়, আগষ্ট মাহৰ ৩১ তাৰিখলৈ উচ্ছেদকৰণৰ কাম বন্ধ আছিল। নবেম্বৰ ১ তাৰিখৰ পৰা আকৌ খোলা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, ভি, জি, আৰ আৰু পি, জি, আৰ গোটেই অসমত যিমান আছে তাৰ কিমান অংশ এতিয়ালৈকে বেদখলত আছে। আৰু ২ নং প্ৰশ্ন হৈছে যে এই পি জি, আৰ আৰু ভি, জি, আৰ পৰা যদি বে-দখল মুক্ত হয় এই সকলৰ দায়িত্ব ইমান বছৰে কিয় পালন হোৱা নাছিল। এতিয়া চৰকাৰে এই বিষয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, পি. জি আৰ আৰু ভি, জি আৰ সেইবিলাকৰ মুক্তৰ কাম চলি আছে। ইয়াৰ সম্পূৰ্ণ তথ্যপাতি মোৰ হাতত নাই। বেলেগে এইটো প্ৰশ্ন আহিলে পিচত ক'ম

পৰা হ'ব। এইবিলাক মুক্ত কৰি ৰখাৰ ব্যৱস্থা আগৰ চৰকাৰে কিয় কৰা নাছিল সেইটোৰ উত্তৰত কওঁ যে সেইটো ৰাজনৈতিক হেচাৰ পৰা হব পাৰে।

Shri Altaf Hussain Mazumdar :— Mr. Speaker, Sir, so far as the Govt. lend is concerned - it suould be freed on principle from encroachment. There is no doubt about it and everybody will agree to it. But the persons, who have got no homestead and when evicted from encroachment, should be provided with alternative lands. Otherwise the same person will again and again encroach the land. In view of this, will the Govt. consider allotment of alternative lands to them ?

শ্ৰীযানেশ্বৰ বড়ো (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, বে-দখল ৰাবে বাৰে এলাওঁ কৰিব নোৱাৰি ? ভূমিহীন সকলক মাটি দিয়াটো এম, এন, পিৰ স্কীমত আছে। বছৰি বছৰি ভূমিহীন মানুহক এই স্কীমৰ দ্বাৰা মাটি দিয়া হয়।

বি : গোলাঘাট সদৰ কাৰাগাৰ

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

*৫৩। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট নগৰৰ মাজ মজিয়াৰ পৰা গোলাঘাট সদৰ কাৰাগাৰ স্থানান্তৰিত কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(খ) স্থানান্তৰিত কেতিয়া কৰা হব ?

(গ) ইয়াৰ বাবে পৰিকল্পনাত টকা ধৰা হৈছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (কাৰাগাৰ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫৩। (ক)—বিষয়টো চৰকাৰৰ বিবেচনাধীন। এডোখৰ উপযুক্ত মাটি পালেই কামত অগ্ৰসৰ হ'ব পৰা যায়। এই বিষয়ে মহকুমাধিপতিলৈ লিখা হৈছে।

(খ)—ঐ।

(গ)—১৯৮৬-৮৭ চনৰ বাৰ্ষিক পৰিকল্পনাত কোনো টকা ধাৰ্য্য কৰা নাই।

শ্ৰীদেৱেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, এই জেইলখন পুণৰ মেৰামতি কৰিবৰ কাৰণে ১৪ লাখ টকাৰ অনুদান দিছে। এই টকাখিনি চৰকাৰে নতুনকৈ কিনিব খোজা মাটিখিনিত খৰচ কৰিবনে নে অন্য কৰবাত খৰচ কৰিব ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মৌখোৱা মৌজাৰ বগৰিবাৰিত এখন নতুনকৈ কাৰাগাৰ স্থাপন কৰিবৰ কাৰণে প্ৰস্তাৱ কৰা হৈছে। তাৰ মাটিখিনিক লৈ কিছুমান ব্যক্তিগত মানুহৰ মাটি পৰা কাৰণে অসুবিধা হৈছে। গতিকে নতুন মাটি এডোখৰ লবৰ কাৰণে জিলাৰ উপায়ুক্তলৈ লিখা হৈছে। উপযুক্ত ঠাইত মাটি পালে জেইলখন স্থানান্তৰিত কৰিব পৰা যাব।

শ্ৰীজয়নাথ শৰ্মা :— মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট নগৰৰ দৰে অসমৰ বিভিন্ন ঠাইত সদৰ, মহকুমা ডিষ্ট্ৰিক জেইলত থকা এইবোৰ স্থানান্তৰিত কৰিব কাৰণে চৰকাৰে জেইল উন্নয়ন পৰিকল্পনা আঁচনি কিবা হাতত লৈছে নেকি ? গুৱাহাটীত থকা মুকলি জেইলত থকা কৰ্মঠ আৰু শক্তিশালী

কয়দী সকলক কামত লগাব পৰাৰ চৰকাৰৰ কিবা পৰিকল্পনা হাতত লৈছে নে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে দুটা প্ৰশ্ন ইয়াত কৰিছে। প্ৰথমটোৰ উত্তৰত কওঁ তেনেধৰণৰ ৰাজহুৱা দাবী উত্থাপন হ'লে নিশ্চয় ব্যৱস্থা কৰা হ'ব। দ্বিতীয়টোৰ প্ৰশ্নৰ উত্তৰত কওঁ যে এইটো বেলেগে প্ৰশ্ন হ'লে ভাল হয়।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, এই মেৰামতিৰ কাৰণে যে গোলাঘাট জেইলত ১৪ লাখ টকা দিয়া বুলি কৈছে এই টকা এতিয়ালৈ খৰচ কৰা হৈছেনে নাই। টকাৰ পৰিমাণ ১৪ লাখ হয়নে নহয় সেইটো মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট কাৰাগাৰৰ কাৰণে এখন দেৱালৰ কাৰণে ১৯৮৬-৮৭ বাৰ্ষিক পৰিকল্পনাত সিদ্ধান্ত লোৱা হৈছিল কিন্তু ৰাজহুৱা অভিযোগ অহাৰ কাৰণে বৰ্ত্তমান দেৱাল সজাৰ কাম বন্ধ ৰখা হৈছে।

কুমাৰ দীপক দাস :— মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটি জিলা কাৰাগাৰখন উঠাই নিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী জিলা কাৰাগাৰখন স্থানান্তৰ কৰাৰ সম্পৰ্কত চৰকাৰে বিবেচনা কৰি আছে।

Re : Transfer of Officers

Shri Mukter Hussain asked :

*54. Will the Minister. Flood Control be pleased to state—

(a) Is it a fact that there is a general rule that an officer is not to be kept in the same place of posting more than three years ?

(b) If so. the number of Executive Engineers of Flood Control Department staying in their respective places of posting for more than five years ?

(c) The number of transfer orders of Executive Engineers of Flood Control Department passed from 1st January 1986 till to-day and subsequently stayed and reasons thereof ?

Shri Samsing Hanse (Minister, Flood Control) replied :

54: (a)—Yes.

(b)—Nil.

(c)—22 Nos. transfer order have been issued during the period in question and none of these orders is stayed.

বি : জিঞ্জিৰাম নৈৰ দলং

শ্ৰীআমিনুল ইছলামে সুধিছে :

*৫৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

মানকাছাৰ সমষ্টিৰ অন্তৰ্গত হেলিডেগঞ্জ হাজাৰীহাট ৰাস্তাৰ মলাখোৱাঘাট নামৰ ঠাইত জিন্‌জিৰাম নৈৰ ওপৰত প্ৰস্তাৱিত দলংখনৰ কাম কেতিয়া আৰম্ভ হ'ব জনাব নে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৫৫। উক্ত দলং নিৰ্মাণৰ বিষয়ে চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীআমিনুল ইচলাম :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাবিত দলং খন পুণৰ নিৰ্মাণ নকৰাৰ ফলত মানকাছাৰত আন্তৰ্জাতিক সীমা ৰেখামূৰীয়া পথ সংলগ্ন নোহোৱাত যোগাযোগ ব্যাহত হৈছে আৰু সৰ্ব্বসাধাৰণ ৰাইজে অসুবিধা ভোগ কৰিছে। গতিকে চৰকাৰে এই অ- পথছোৱাৰ অবস্থা সন্তোষজনক নহয় বুলি চৰকাৰে গম পাইছেনে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, এইটো জৰিপ হৈ আছে। আন্তৰ্জাতিক সমস্যা হোৱাৰ কাৰণেই ইয়াৰ গুৰুত্বও বেছি। ইয়াৰ কাৰণে আমি টকাটো এম, ই, চিৰ পৰা পালে বেছি সুবিধা হ'ব বুলি ভাবিছো। এতিয়া কাৰিকৰী দিশটো আমি অধ্যয়ণ কৰি আছো।

**Re : Money spent on preservation of Wildlife.**

Shri Abdul Muqtadir Choudhury asked :

*56. Will the Minister, Forests be pleased to state—

(a) Total amount spent for the preservation of Wild life by the Eastern Assam Wildlife Division, Bokakhat in 1985-86 till date ?

(b) Total number of Rhinos and other animals killed during the aforesaid period ?

(c) Whether the horns have been collected by the Forest Department from the matured animal so killed ?

Shri Bharat Chandra Narah (Minister, Forests) replied :

86. (a)—Rs. 1 05, 88, 219, 26 spent till September, 1986 from 1985-86.

(b)—76 Nos. of Rhinos from January, 1985 till 31 st October, on 1986. And other animals killed during the aforesaid period.

(c)—16 horns have been collcted by the Forest Depertment.

মাননীয় অধ্যক্ষ :— এতিয়া বন মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫-৮৬ চনৰ বাবে খৰছ কৰা হৈছে ১, ০৫, ৮৮, ২১৯ ২৬ টকা। তাত ৭৬ টা গড় হত্যা কৰা হৈছে। এই সময়ছোৱাত অন্য কোনো বন্য প্ৰাণী চোৰাং চিকাৰীয়ে হত্যা কৰা নাই। ১৬ টা খৰ্গ বন বিভাগৰ দ্বাৰা সংগ্ৰহ কৰা হৈছে।

Shri Abdul Muqtadir Choudhury — It appears that the Golaghat wildife division has spent more than Rs. 1 crore for pretiction of animal life, yet it could not stop killing of animals by peachers. What steps have been taken by Government to stop such killing and how many officers were involved in such killing ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বন্য প্ৰাণী বিশেষকৈ গড়- চোৰাং চিকাৰীৰ পৰা ৰক্ষা কৰিবৰ কাৰণে অসম বন্য প্ৰাণী সংমণ্ডল এটা ডিভিজন খোলা হৈছে। তাত কাৰ্য্যালয় আছে। তাৰ পৰা তদাৰক কৰা হৈছে। অৱশ্যে কিমান কৰ্মচাৰী নিয়োগ কৰা হৈছে সেই বিষয়ে বেলেগকৈ প্ৰশ্ন কৰিলে উত্তৰ দিব পাৰিম। আমি আপোনালোকক আগতে কৈছো যে আমাৰ হাতত আজিও সামৰ্থ আছে। চোৰাং চিকাৰীৰ লগত মোকামিলা কৰিব নোৱাৰিলেও আমি তেওঁলোকক সম্পূৰ্ণভাৱে বাধা দিবলৈ সমৰ্থবান হব পৰা নাই। সেই কাৰণে মই আগতেই কৈছো যে অসম বন সুৰক্ষা বাহিনী গঠন কৰিছো। সেই বাহিনীটো কাজিৰঙাত অন্যতম বুলি কৈছো। এই বন্য প্ৰাণী চোৰাং চিকাৰীয়ে নিধন কৰাত উদ্বেগ প্ৰকাশ কৰিছো। এই উদ্দেশ্যে বন্য প্ৰাণী ৰক্ষাৰ কাৰণে অসম বন সুৰক্ষা বাহিনী গঠন কৰা হৈছিল। কিন্তু এই বন সুৰক্ষা বাহিনীক স্বাক্ষৰ নিদিয়াৰ কাৰণে এতিয়াও কৰ্মচাৰীক কৰ্ত্তব্যত নিয়োগ কৰিব পৰা নাই। সেই কাৰণে আপোনালোকে অসম গড় ৰক্ষা বাহিনীক গড় ৰক্ষা কৰিবলৈ আপোনালোকে সুযোগ দিব লাগে। এইটো উপকাৰ কৰাৰ পিচত চোৰাং চিকাৰীক বাধা দিব পাৰিব আৰু গড় ৰক্ষা কৰিব পাৰিব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে

কিমান কৰ্ম্মচাৰীক চাচপেন কৰা হৈছে, কিমানক এৰেষ্ট কৰা হৈছে তাৰ হিচাব দিব নে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে কিমান চাচ-পেন, এৰেষ্ট হৈছে তাক নিৰ্দিষ্ট ভাৱে দিব নোৱাৰিম ।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : অধ্যক্ষ মহোদয়, এই বিষয়ত এৰেষ্ট হৈছে নে নাই ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এৰেষ্ট হৈছে ।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, বন মন্ত্ৰী মহোদয়ে এই কথা জানে নে নেজানে যে সংৰক্ষিত বনাঞ্চল আৰু কাজিৰঙাকে ধৰি অভয়াৰণ্যত যি বেদখল হৈছে সেই বেদখলকাৰী সকলে ওৱাইল্ড লাইফ হত্যা কৰি চোৰাং চিকাৰী সকলক ইন্ধন যোগাইছে। সেই বিষয়ে জানেনে ? যদি জানে এৰেষ্ট প্ৰটেষ্ট ফোৰছ প্ৰত্যক্ষ ভাবে কৰিব লাগ নে নালাগে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেই প্ৰশ্নটোৰ আংশিক ভাবে সত্যতা আছে বুলি কব পাৰি। কাৰণ আমাৰ কাজিৰঙাৰ ব্ৰহ্মপুত্ৰ নৈৰ যিবিলাক চাপৰী আছে তাত কিছুমান মহৰ খুটি আছে। আমাৰ ধাৰণা হয় যে চোৰাং চিকাৰীবিলাকে তেওঁলোকৰ আশ্ৰয়তে কাজিৰঙাৰ আশে পাশে যিবিলাক গাওঁ আছে তাৰ পৰাই কাম কৰি আছে বুলি আমাৰ সন্দেহ হৈছে। যিবিলাক স্পৰ্শকাতৰ অঞ্চল তাত কৰ্ম্মচাৰী নিয়োগ কৰা হ'ব।

বি : উদ্যোগ প্ৰতিষ্ঠানৰ দ্বাৰা বায়ু দূষিতকৰণ

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

*৫৭। মাননীয় পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানৰ বাবে যি বায়ু দূষিত হৈছে তাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদি হয়, ইয়াৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫৭। (ক)— অসমৰ কিছু উদ্যোগৰ পৰা বায়ু দূষিত হোৱাৰ কথা অসম পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদৰ দৃষ্টিগোচৰ হৈছে।

(খ)— বায়ু দূষিত কৰা উদ্যোগ সমূহক তেওঁলোকৰ উদ্যোগত বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দ্দেশ অসম পানী

আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদে দিছে।

শ্ৰীদেৱেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, ও, এন, জি, চি বোকাজান চিমেণ্ট ফেক্টৰীৰ কাৰণে যি অসুবিধা হৈছে চৰকাৰে জানেনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহেদেয়, এই দুয়োটাৰ ফলত যি অসুবিধা হৈছে মাননীয় সদস্য সকলে জানে। আমি এই দুয়োটা দিশতে অতিকৈ সজাগ। মই সেইবিলাক অঞ্চল ভ্ৰমণ কৰি আহি দেখিছো যে তাত প্ৰদূষণৰ সমস্যা। আমি এই বিষয়টোত প্ৰধান মন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছিলো। প্ৰধান মন্ত্ৰীলৈ লিখা চিঠি এখন মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি আমাৰ মাননীয় সদস্য সকলক দিবলৈ বিচাৰিছো। ইতিমধ্যে তাত বহুত বিঘা মাটিৰ ধান পতানলৈ ৰূপান্তৰিত হৈছে। ও, এন, জি, চি ৰ প্ৰদূষণ সম্পৰ্কে ব্যৱস্থা নোলোৱাৰ কাৰণে সেই অঞ্চল সমূহত মানুহৰ যথেষ্ট চকুৰ অসুখ হৈছে। বহুতো মানুহৰ পেটৰ অসুখ হৈছে বুলিও অভিযোগ আহিছে। বহুতো জাগাৰ কাৰণে ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সম্ভাৱনা আছে। সেই কাৰণেই আমি ভাৰতৰ প্ৰধান মন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছো। তেওঁলোকে আমাক জনাইছে যে বোকাজানত অৱস্থিত বিলাতী মাটিৰ কাৰখানাত কাম কৰিবৰ কাৰণে ই, এচ, পি তৰফৰ পৰা নিৰ্দ্দেশ দি বহুৱা হৈছে আৰু কাম আৰম্ভ কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই কথা জানেনে যে গুৱাহাটী নুনমাটি শোধনাগাৰৰ পৰা তাৰ মানুহৰ শাকৰ খেতিত কেতবোৰ সৰু সৰু ছাই পৰে। সেই শাকবোৰ খাই গুৱাহাটী মহানগৰীৰ মানুহৰ কেতবোৰ অঞ্চলত বেমাৰ ভুগিবলগীয়া হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটোও জানে যে ঠিক তেনে ধৰণে বোকাজান চিমেণ্ট কাৰখানাৰ পৰা উৰি আহি শাক পাছলিত পৰি বিস্তৃত হোৱাৰ কাৰণে মানুহ বেমাৰত পৰে আৰু তাৰ পৰা যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে? যদি কেন্দ্ৰীয় চৰকাৰে ইয়াৰ ওপৰত ততাতৈয়াকৈ ব্যৱস্থা নলয়, তেনেহ'লে আমাৰ চৰকাৰে ততাতয়াকৈ ল'ব নে আৰু মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে এই বিষয়ত মনোযোগ দিব নে ?

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমাৰ দৃষ্টিগোচৰ হোৱা নাই। গতিকে উত্তৰবিলাক দিয়া সম্ভৱ নহয়। কাৰণ সদস্য সকলে ইয়াত সন্তুষ্ট হব নোৱাৰিব। প্ৰথম প্ৰশ্ন সম্পৰ্কে আমি বিবেচনা কৰিম আৰু অনুসন্ধান কৰিম।

## Undisposed Starred Questions

( to which oral answers were not called for want of time. However, written answers deemed to have been laid on the Table as follows. )

### Re : F. I. S. System in Karimganj

Shri Abdul Muqtadir Choudhury asked :

Will the Chief Minister be pleased to state—

58. (a) Whether it is a fact that Ward No. 13 & Ward No. 14 and some other Wards of Karimganj Town have not yet been covered by F. I. S. system though there is a long pending demand ?

(b) If so, whether Government will take immediate action to cover the aforesaid areas, under F. I. S. system ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) – হয় ।

(খ)—পৰ্য্যায়ক্ৰমে কাৰ্য্যকৰী কৰাৰ কাৰণে যথাবিহিত ব্যৱস্থা লোৱা হ'ব ।

### বিষয় : ধেমাজী আই টি আই

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

*৫৯। (ক)—ধেমাজী আই, টি, আই, খন পূৰ্ণাংগ বিভাগ বিলাক খুলি আই, টি, আই খন কেতিয়া পূৰ্ণাংগ কৰাৰ সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিছে ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেংগা (শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)—ধেমাজী আই, টি, আই, খন পূৰ্ণাংগ কেতিয়া কৰা হব তাৰ বাবে সময় নিৰ্দ্ধাৰণ কৰা হোৱা নাই ।

## Re : Registered Unemployees

Shri Ramendra De asked :

Will the Minister, Labour and Employment be pleased to state—

*60. (a) The number of Registered Unemployees in the State of Assam?

(b) The number at Karimganj and Hailakandi?

(c) The number of S/C and O. B. C. candidates ?

Shri Barki Prasad Telenga (Minister, Labour & Employment ) replied :

(a)—The numbers of job seekers on the Live Register of the Employment Exchanges in the State at the end of August 1986 was 7,63,370.

(b)—The number of job seekers on the Live Register of the Employment Exchanges of Karimganj and Hailakandi were 20,357 and 14,748 respectively till August, 1986.

(c)—The number af job-seekers in respect of S/C and O. B. C. candidates on the F. R. of the Employment Exchanges in the State at the end of August, 1986 were 36,227 and 1,77,374 respectively.

Mr. Speaker : Order, Order,
Question hour is over.

মাননীয় অধ্যক্ষ মহোদয়, : এতিয়া মাননীয় সদস্য বামেন্দ্ৰ দেই এটা বিষয় উত্থাপন কৰিব।

শ্ৰীবামেন্দ্ৰ দে : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে সংঘৰ ন্যায্য দাবী সমূহ যদি ৪-১২-৮৬ তাৰিখৰ ভিতৰত কাৰ্য্যকৰী কৰিবলৈ ব্যৰ্থ হয়, তেনে-হ'লে সংঘৰ সদস্যসকলে অহা ১৫-১২-৮৬ তাৰিখে জনতা ভৱনৰ সন্মুখত ৰাতি-পুৱা ৯ বজাৰ পৰা ৭২ ঘন্টিয়া অনশন কৰিবলৈ সিদ্ধান্ত লয় আৰু সেইমতে জনতা ভৱনৰ সমুখত ধৰ্ম্মঘট কৰে। ঐই বিষয়টোত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

কয়েক হাজার শ্রমিক বিগত ১৯৭৮ থেকে ১৯৮৬ হং পর্যন্ত বহুবার সরকারের সঙ্গে তাদের সংগঠনের হয়ে আলাপ আলোচনা হয়েছে। এবং বিভিন্ন সময়ে সরকার পক্ষ থেকে তাদের চাকুরী স্থায়ীকরণ এবং অন্যান্য কর্মচারীদের মত সুযোগ সুবিধা দেওয়ার প্রতিশ্রুতি দেওয়া হয়েছে। বিগত দিনের সরকার তাদের যে সব প্রতিশ্রুতি দিয়েছিল তা প্রকৃতপক্ষে ভঙ্গ করে এসেছে। তার জন্য আমি এ, জি, পি সরকারের দৃষ্টি আকর্ষণ করছি যাতে এই সরকার এই কেজুয়েল লেবারদের চাকুরী স্থায়ীকরণ করার ব্যবস্থা করেন এবং আসামের অন্যান্য সরকারী কর্মচারীরা পেয়ে আসা সুযোগ সুবিধা তাদেরেও দেওয়ার ব্যবস্থা করেন তারজন্য অনুরোধ করছি।

অধ্যক্ষ মহোদয়, আমি বদরপুর বন্যা নিয়ন্ত্রণ বিভাগ, জলসিঞ্চন বিভাগ এবং পি ডব্লিও ডি বিভাগের এমন কিছু মাষ্টাররোল কর্মচারীর কথা জানি যাদের ১১-১২ বৎসর চাকুরী হয়েছে। কিন্তু আজ পর্যন্ত তাদের চাকুরী স্থায়ীকরণ করা হয়নি। অথচ, কোন কোন ক্ষেত্রে দেখা যায় ৩-৪ বৎসর চাকুরী করার পর তাদের চাকুরী স্থায়ীকরণ করা হয়েছে। সুতরাং ৩ বৎসর চাকুরী হওয়ার পর যাতে সমস্ত কর্মচারীদেরে স্থায়ীকরণ করার ব্যবস্থা করা হয়—তারজন্য আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ শ্ৰমিক সংঘই ৭২ ঘন্টিয়া অনশন ধৰ্ম্মঘট কৰাৰ যিটো সিদ্ধান্ত লৈছে সেইটো আমি গম পাইছো। আৰু অনশন কৰাও দেখিবলৈ পাইছো। শ্ৰমিক সং-ঘটন যেতিয়া তেওঁলোকৰ অনশন কৰাৰ অধিকাৰ আছে আৰু তেওঁলোকে আন্দোলন কৰিব পাৰে। কিন্তু তেওঁলোকৰ যিবিলাক দাবী সেই দাবী বিলাকৰ ভিতৰত ১০ টা দাবী উত্থাপন কৰিছে। এইটো অঞ্চল গড়কাপ্তানী

বিভাগেই নহয় তাত অন্যান্য কাৰীকৰি বিভাগ যেনে গড়কাপ্তানী বিভাগ বাননিয়ন্ত্রণ বিভাগ জনস্বাস্থ্য কাৰীকৰি সমূহলো এই দাবী জৰিত হৈ আছে। প্ৰথম কথা হৈছে তেওঁলোকে ৫ বছৰৰ ভিতৰত নিয়মীয়া কৰাৰ দাবী কৰিছে কিন্তু আগতে ১৫ বছৰ পাৰ হোৱা বিলাকক নিয়মীয়া কৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। আৰু সেই মতে ১৯৮৬ চনত ১৫ বছৰ হোৱা বিলাকক নিয়মীয়া কৰণ কৰাৰ কাম চলি আছে। এনেকৈ তেওঁলোকে ফেমিলি পেনশ্যন গ্ৰেটটিটি ইত্যাদি বিচাৰিছে। এই ১০ টা দাবী একেদিনাই সমাধান কৰাতো সম্ভৱ নহয়। আমি এই বিষয়ে আলোচনা কৰিছো আৰু আলোচনাৰ মেজত তেওঁলোকক মাতিছিলো। এই শ্ৰমিক সংঘটনৰ সভাপতি সম্পাদকলৈ চিঠিৰ যোগেদি খবৰ দিয়া হৈছিল কিন্তু তেস্কলোকে দিল্লীলৈ যোৱাৰ কাৰণে এই আলোচনালৈ আহিব নোৱাৰিলো। শতকৰা এশ ভাগেই দাবী মানি লব পাৰিম এইটো সম্ভৱ নহয়। তেওঁলোকে ৭২ ঘন্টিয়া আন্দোলন কৰিব বিচাৰিছে সেইটোত বাধা দিবলৈ আমি বিচৰা নাই। অলপ অচৰপ আন্দোলন নকৰিলে শ্ৰমিক সংঘটন জীয়াই থাকিব কেনেকৈ ? শ্ৰমিকক আন্দোলন কৰিবলৈ মাজে-সময়ে সুবিধা দিব লাগে। আন্দোলন কৰোতে তেওঁলোকক পুলিচ চিপাহী লগাই দি অত্যাচাৰ কৰিম তেনেকুৱা ধ্যান ধাৰণা আমাৰ চৰকাৰৰ নাই। তেওঁলোকে আন্দোলন কৰিছে কৰক, এই সময়খিনি পাৰ হোৱাৰ পাছত আমি ইয়াৰ এটা সুব্যৱস্থা লম। বৰ্ত্তমান বিত্তিয় অৱস্থা শোচনীয় হোৱাৰ কাৰণে যিমান খিনি সম্ভৱ সিমান খিনি সমাধান কৰিবলৈ চেষ্টা কৰিম। এই খিনিকে কৈ সকলোকে ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

## Calling Attention Notice

**শ্ৰীহেমেন দাস :** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ নৰ ১৯ নৱেম্বৰ দৈনিক অসম কাকতত প্ৰকাশিত জনতা ধুতিৰ কাহিনী শীৰ্ষক বাতৰিটোৰ প্ৰতি সমবায় বিভাগৰ মন্ত্ৰীৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিলো। ধুতি নিপিন্ধো কাৰণেই এই ধুতিৰ বিষয়ে আমি ইমান দিনে খবৰ কৰা নাছিলো। কিন্তু ১৯ নভেম্বৰ দৈনিক অসম কাকতৰ প্ৰকাশিত বাতৰিটোতহে গম পালো যে বাইজে ১০ টকা দামত জনতা ধুতি কিনিবলৈ পায়। এই ১০ টকা দামৰ ধুতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰেও কিছু টকা দিয়ে। কিন্তু দৈনিক অসম কাকতত প্ৰকাশিত চিঠিখনত কৈছে যে বেছি ভাগ বোৱনীকে এই ধুতি বৰলৈ

নিৰ্দি এটা অনুষ্ঠানকহে ববলৈ দিছে তাৰ ফলত বাকী বিলাক বোৱনী বঞ্চিত হৈছে। আৰু সেই কাৰণে বিভাগটোয়ে চাহিদা পূৰণ কৰিব পৰা নাই। এতিয়া মই চৰকাৰৰ পৰা জানিব বিচাৰিছো অসমত মাত্ৰ জনতা ধুতি বব পৰা এটা অনুষ্ঠানহে আছে নেকি ? আৰু অন্যান্য অনুষ্ঠান নাই নেকি ? যদি আছে চিঠিত প্ৰকাশিত মতে মাত্ৰ এই অনুষ্ঠানক কিয় ধুতি ববলৈ দিয়া হৈছে?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ মন্ত্ৰী ) : ১৯-১১-৮৬ তাৰিখৰ "দৈনিক অসম"ৰ "জনতা ধুতিৰ কাহিনী" শিৰোনামাৰে সম্পাদকলৈ লিখা এখন চিঠিত অসম চৰকাৰ বেচাকিনা নিগমক জড়িত কৰি কিছুমান ভুল তথ্য দিয়া হৈছে। অসম চৰকাৰৰ বেচাকিনা নিগমে নিগমৰ অধীনত চলি থকা নিবিড় তাঁত শিল্প উন্নয়ন প্ৰকল্প আৰু ৰপ্তানিমূখী তাঁত শিল্প প্ৰকল্পৰ যোগেদি জনতা ধুতিহে মাত্ৰ তৈয়াৰ কৰিছে। ১৯৮৫ চনৰ ১ অক্তোবৰৰ পৰা ১৯৮৬ চনৰ ৩০ চেপ্তেম্বৰলৈ ২, ১৮, ৪৫৩·৩২ বৰ্গ মিটাৰ উংপাদন কৰা হৈছে। ইয়াৰ মুঠ মূল্য ৭, ৩৭, ৫৫৩·২০ টকা ( নিৰ্দ্ধাৰিত ১ নিযুত বৰ্গ মিটাৰৰ বিপৰীতে )।

নিগমৰ প্ৰতিখন জনতা ধুতিৰ উৎপাদন মূল্য ১৭·২০ টকা। উৎপাদন মূল্যৰ ভিতৰত সূতাৰ দাম আৰু বোৱনী বানচ ধৰা হয়। প্ৰতিখন ধুতি নিগমে গ্ৰাহকক ১০·৫০ টকা দৰত বিক্ৰী কৰে। এনেদৰে বিক্ৰী কৰোতে নিগমৰ প্ৰতিখন ধুতিত ৬·৭০ টকা লোকচান হয়। আনহাতে প্ৰতি বৰ্গ মিটাৰ কাপোৰত কেন্দ্ৰীয় চৰকাৰে ২ টকাকৈ Subsidy দিয়ে। নিগমৰ এখন ধুতিত ৫·০৯৬ বৰ্গমিটাৰ থাকে আৰু সেই অনুপাতে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰতিখন ধুতিত ১০·১৯ টকাকৈ পাব লাগে। এই Subsidy ৰ টকাৰে উৎপাদন ব্যয় আৰু বিক্ৰী মূল্যৰ পাৰ্থক্য পৰিবহন ব্যয় আদি পূৰণ কৰা হয় আৰু বাকী টকা নিগমৰ ব্যৱসায়িক লাভ বুলি ধৰা হয়। চিঠিত অভিযোগ কৰা মতে কেন্দ্ৰীয় চৰকাৰৰ Subsidy বোৱনীসকলক মজুৰি হিচাপে দিয়া নহয়। বোৱনীক কাপোৰ বোৱাৰ বাবদ যথাৰীতি মজুৰি দিয়া হয় আৰু সেই মজুৰি উৎপাদন ব্যয়ৰ ১৭·২০ টকাৰ ভিতৰত ধৰা হয় বুলি আগতেই উল্লেখ কৰা হৈছে।

নিগমে নিবিড় হস্তশিল্প প্ৰকল্পৰ অধীনত কাম কৰা বোৱনীসকলক সূতাৰ যোগান ধৰে। বোৱনীসকলে সেই সুতাৰে কাপোৰ বৈ নিগমত জমা দিয়ে আৰু নিগমে যথাৰীতি বোৱনী বানচ দিয়ে। ৰপ্তানীমুখী হস্তশিল্প প্ৰকল্পত এজন উৎপাদন প্ৰতিনিধি নিয়োগ কৰা হৈছে শিলচৰত। তেওঁৰ পৰা নিগমে

১৭˙২০ টকা দৰত জনতা ধুতি কিনি লয়।

জনতা ধুতিৰ উৎপাদন আৰু বিক্ৰী ব্যৱসায়ীক দিশৰ পৰা সাৰ্থক প্ৰস্তাৱ। কাগজত প্ৰকাশ পোৱা ধৰণে একশ্ৰেণী বিষয়াই কোনোধৰণৰ ব্যৱসায় আৰম্ভ কৰা বুলি কোৱাটো অৰ্থহীন অভিযোগ।

নিগমে জনতা কাপোৰৰ উৎপাদন নলবাৰী আৰু শিলচৰত হ আৰম্ভ কৰিছে। গতিকে অসমৰ হেজাৰ হেজাৰ বোৱনীক বঞ্চিত কৰাব প্ৰশ্ন নুঠে।

শিলচৰত উৎপাদন প্ৰতিনিধিৰ বিল নিয়ম অনুসৰি পাছ কৰা হয় আৰু সময়মতে টকা আদায় দিয়া হয়। বাতৰি কাকতত উল্লেখ কৰা ৩৪৪০০˙০০ টকাৰ বিলখন অন্যান্য বিলৰ লগত নিয়মমতে পাছ কৰি আদায় দিয়া হৈছে।

ইংৰাজী ২।১।৮৬ তাৰিখে অনুষ্ঠিত ব’ৰ্ডৰ উপসমিতিৰ মিটিঙত সিদ্ধান্ত মৰ্মে নিৰ্দ্ধাৰিত পৰিমাণৰ জনতা বস্ত্ৰ পূৰণৰ বাবে পোনে পোনে উৎপাদন কৰাব উপৰিও বেছি উৎপাদনক্ষম কাছাৰ জিলাৰ বোৱনীৰ দ্বাৰা উৎপাদিত জনতা বস্ত্ৰ স্থানীয় উদ্যোগপতিৰ ( Entrepverewrs ) পৰা কিনি লোৱাৰ ব্যৱস্থা লয়।

বৰ্ত্তমান চৰকাৰৰ দ্বাৰা গঠিত ব ৰ্ডৰ ইংবাজী ৮।১০।৮৬ তাৰিখে অনুষ্ঠিত মিটিঙত জনতা বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত বিশেষভাবে আলোচনা কৰা হয় আৰু জনতা বস্ত্ৰ কিনাতো বন্ধ কৰি হস্ততাঁত বোৱনীৰ জৰীয়তে উৎপাদন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি বৰ্ত্তমান এই প্ৰথাই চলি আছে।

## NOTICE UNDER RULE 301

**Shri Binai Khungur Basumatari**— I rise to draw the attention of the Minister, home by raising a matter under Rule 301 of the Rules of procedure and conduct of business in Assam Legislative Assembly relating to "Murder" of Shri Lakhan Boro, a loco-shed shunter "published and photographed in the "Sentinel' dated 13th November, 1986.

Sir, I have a photograph of the deadbody. This photograph itself speaks a lot and this Guwahati which is a growing metropolis have increasingly become inscure for people. We have repeatedly seen in the newspapers that many dead bodies lie in the city for days together

on which the police or the scavanging authorities, i. e. the Municipal corporation also failes to take any action. Therefore, Sir, I draw the attention of this House through the Minister and request for more details of this murder.

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ মাননীয় সদস্য শ্ৰীবিনয় কুম্বুৰ বসু-মতাৰীদেৱে উথাপন কৰা বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যাৱলীৰ ৩০১ ধাৰাৰ অধীনত লক্ষণ বড়ো নামৰ লকছেদ চাণ্টাৰ (Locoshed shunter) জনৰ মৃত্যু সম্পৰ্কত চৰকাৰৰ বক্তব্য সদনৰ জ্ঞাতাৰ্থে ডাঙি ধৰা হ'ল। যোৱা ১২।১১।৮৬ তাৰিখে পুৱা ৮-৪৫ বজাত বামুনীমৈদান ৰেলওৱে কলনীৰ শ্ৰীএল-এন-মিশ্ৰই চান্দমাৰী পুলিচ থানাত এই মৰ্মে গোচৰ দিয়ে যে বামুনীমৈদানৰ উত্তৰ-পূৱ সীমান্ত ৰেলওৱে কলনীৰ চিকিৎসালয়ৰ কাষত অৱস্থিত মুকলি পথাৰত এটা মানুহৰ দেহ সন্তুৱ মৃত পৰি আছে। চান্দমাৰী থানাই এই গোচৰ পোৱাৰ লগে লগে অস্বাভাৱিক মৃত্যুৰ সংক্ৰান্তত এটা গোচৰ নং ১৫/৮৬ পঞ্জীভুক্ত কৰে আৰু তদন্ত আৰম্ভ কৰে।

কোনো ঠাইত মৃতদেহ পোৱা গ'লে প্ৰথমতে অস্বাভাৱিক মৃত্যুৰ গোচৰ পঞ্জীয়ন কৰা হয়। তাৰ পাছত যেতিয়া তদন্তৰ কালত দেখা যায় যে সেই মৃত্যু সন্দেহজনক; তেতিয়া গোচৰটো হত্যাৰ গোচৰলৈ পৰিণত কৰে আৰু তদন্তও হত্যাৰ গোচৰত কৰা তদন্তৰ দৰেই কৰা হয়।

উক্ত গোচৰৰ অনুসন্ধানত দেখা যায় যে মুকলি পথাৰত পোৱা মৃতদেহটো ১৪৫ নম্বৰ ৰেল ইঞ্জিনৰ চাণ্টাৰ শ্ৰীলক্ষণ ৰাম বড়োৰ। তেতিয়া মৃতদেহৰ ইনকুৱেৰেট কৰা হয় আৰু এই মৃত্যু সন্দেহজনক বুলি ভৰা হয়। গতিকে উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ নিউ গুৱাহাটীত অৱস্থিত এৰিয়া অফিচাৰ শ্ৰীআৰ-এন কলিতাৰ পৰা এখন লিখিত এজাহাৰ লোৱা হয় আৰু চান্দমাৰী থানাই ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাত ৩২৯/৮৬ নং গোচৰ পঞ্জীভুক্ত কৰে। এই গোচৰৰ তদন্তকাৰী বিষয়া হৈছে চান্দমাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু চান্দমাৰী সংমণ্ডলৰ উপ আৰক্ষী অধীক্ষকে এই গোচৰটোৰ তত্বাৱধান কৰি আছে। এই অনুসন্ধান চলাওঁতে ৰাজ্যিক আৰক্ষী আৰু ৰেল আৰক্ষীৰ কুকুৰ ব্যৱহাৰ কৰা হয়। কিন্তু তাৰ দ্বাৰা দোষীৰ শুংসূত্ৰ পোৱা নগ'ল। মৃতদেহ গুৱাহাটীৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা কৰোৱা হয় আৰু এই পৰীক্ষাৰ প্ৰতিবেদন এতিয়াও পোৱা হোৱা নাই।

ঘটনাস্থলীৰ পৰা আৰক্ষী লোকে মৃতকৰ পিন্ধা কাপোৰ, গামোচা আৰু এযোৰ জোতা জব্দ কৰে। আৰক্ষী লোকে ২১ জন ব্যক্তিক জেৰা কৰে যদিও কোনেও হত্যাৰ শুংসূত্ৰ দিব পৰা নাই। মৃতকৰ হাতৰ ছাপ আৰু ফটো লোৱা হৈছে। তদুপৰি ঘটনাস্থলীৰ নক্সাও লোৱা হৈছে। আৰক্ষী বিভাগে দোষী ব্যক্তিক বিচাৰি উলিয়াবলৈ পূৰ্ণ উদ্যমে চেষ্টা চলাই আছে।

Shri B. K. Basumatari— Whether the family members have been enquired.

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই ঘটনা সম্পৰ্কে মুঠ ২১ জন ব্যক্তিক জেৰা কৰা হৈছে আৰু ২১ জন ব্যক্তিক জেৰা কৰাৰ পিছতো কোনো শুংসূত্ৰ দিব পৰা নাই।

Shri B. K. Basumatari— I was asking whether the family members have been asked.

শ্ৰীভৃগু ফুমাৰ ফুকন (মন্ত্ৰী): মাননী অধ্যক্ষ মহোদয়, কাক কাক জেৰা কৰা হৈছিল এই বিষয়ে মোৰ হাতত বৰ্ত্তমান বিতং তথ্য নাই। পিছত জনাব পাৰিম।

## Announcement from the Chair

Mr. Speaker—Hon'blem Members of the House are aware that Hon'ble member, Shri B. K. Basumatary challenged the correctness of the reply to starred Question No. 2 furnished by Hon'ble Minister, Shri Lalit Chandra Rajkhowa on 10 th December, 1986. The Hon'ble member Shri B. K. Basumatary asserted that he was quite sure that the replies of the Minister was not correct because he personally visited the area and saw the incomplete structure of buildings alleged to have been constructed for A. S. T. C. The Hon'ble Member further said "Sir, I demand an enquiry in this house because I have personally visited these buildings and the Minister is now telling me everything is 'No' " When the Hon'ble Minister clarified that A. S. T. C. obtained 4 bighas of land at Udalguri and that the building will be constructed by

the Corporation from the budget allocation of 1987-88. The Hon'ble Member, Shri B. K. Basumatery again repeated as follows :—

"Sir, I am sorry. This department has given entirely wrong information. In reply to my question (a) the Minister has said, 'No'. Now it transpires that land has been acquired and some work has been started. So, which information is correct ?"

Thereafter when the Hon'ble Minister again clarifie that the money would be spent for the construction of the building from the budget allo cation of 1987-88. The Hon'ble Member, Shri B. K. Basumatary again said as follows :—

"Sir, the money was released during 1984-85 and buildings are being constructed. I want to challenge his reply. I want an enquiry to be conducted and the officers concerned must be suspended— these officers have misled the Cabinet, the Minister and the House. I demand an enquiry and I want that the officers responsible must be punished. Sir, will you agree this" ?

The Hon'ble Members, Shri Hemen Das and Shri Altaf Hussain Mazumdar also demanded that an enquiry should be made and the result should be reported to the House during the current session of the Assembly. The Hon'ble Minister assured the House that he would examine the whole matter and take appropriate steps. On 11th December, 1986, the Hon'ble Minister, Transport with permission of the Chair furnished a clarification on the supplementary question to the Starred Question No. 2 without correcting his replies furnished on 10th December raised

by Hon'ble Member, Shri B. K. Basumatary, when the Hon'ble Minister said that the structure of the buildings about which the Hon'ble Member, Shri B. K. Basumatary referred to belonged to I. T. D. P. and not belonged to A. S. T. C. But, the Hon'ble Member, Shri B. K. Basumatary refused to accept the contention of the Hon'ble Minister as true and said as follows :—

"Thank you for the prompt reply given by the Minister. I am prepared to any consequences but I stand on the question. I have personally visited there. I met the contractor and asked the people. They showed me that that was the Booking Counter of the Corporation. They told me that this is the office of the Superintendent, that these are the querters of the Corporation. Now I am surprised. Since this is serious thing. I am prepared to an enquiry and if it is found false, I am ready to accept any judgment your Hon'ble chair decides."

Accordingly, I assure the House that I would look into the matter and take a decision.

After a close examination of supplementary questions and the replies of the Hon'ble Member and the Minister I find that the Hon'ble Member, Shri B. K. Basumatary has been maintaining that the allocation of fund related to the year 1984-85, but the Hon'ble Ministre refuted the same and said that expenditure will be incurred from the allocation of fund made for the financial year 1987-88. This apart there are other aspects which shall have to be examined by an Enquiry Committee.

Accordingly, as assured to the house I appoint an Enquiry Committee consisting of the following members :—

1. Shri Dina Bandhu Choudhury — Chairman.
2. Shri Amritlal Basumatary — Member.
3. Shri Dilip Kr. Saikia (Sonowal)— Member.

The Committee will visit Udalguri and submit its report to me on Wednesday so that I may be able to give my dicision on Thursday the 18th December, 1986.

**Presentation of List of supplementary Demands and supplementary Apropriations.**

Shri Prafulla Kr. Mahanta, Chief Minister :

Sir, I beg to present the list of Supplementary Demands for Grants and Supplementary Appropriations for the year 1986-87.

Hon'ble Speaker— Here is a massage from the Governor of Assam, Raj Bhavan dated 26 Nov. 1986.

Massage

Under the Provision of Article 207 (3) of the Constitution of India, I Bhisma Narain Singh, Governor of Assam, recommend that the Assam Contingency Fund (Amendment Bill 1986 be taken up for consideration by the Assam Lagislative Assembly.

Sd/— Bhisma Narain Singh
Governor of Assam

**Consideration and passing of Government Bill.**

Now Chief Minister to move.

Shri Praffulla Kr. Mahanta, Chief Minister

I beg to move that the Assam Contingency Fund (Amendent) Bill, 1986 be taken into consideration.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, বিলখনৰ প্ৰয়োজনীয়তা সদনতেই নহয় অসমৰ প্ৰতিজন ৰাইজে স্বীকাৰ কৰিব লাগিব। যি সময়ত অৰডিনেন্চ দিবলগা হৈছিল সেই অৰডিনেন্চৰ বাবে যুক্তিযুক্ততা অসমৰ প্ৰতিজন মানুহে স্বীকাৰ কৰিব লাগিব। কিয়নো অসমত অভূতপূৰ্ব বানপানী হৈছিল। যি বানপানীৰ কাৰণে তত্‌কালীন সাহায্যৰ প্ৰয়োজন, সেই প্ৰয়োজন পূৰাবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে টকা আনে।

কন্‌টিন্‌জেনচি ফাণ্ডৰ জৰিয়তে টকা অনাটো চৰকাৰৰ নৈতিক কৰ্ত্তব্য আৰু দায়িত্বৰ ভিতৰত পৰে আৰু তাক অনাটো দৰকাৰ আছিল। বানপিড়ীত ৰাইজৰ সাহাৰ্য্যৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা পঠালে চৰকাৰে ধন্যবাদ পাইছিল। সেইটো কৰাৰ কাৰণে ভালো হৈছিল। কিন্তু এইবাৰ নকৰিলে। ইয়াত দুটা প্ৰশ্ন আছে— এটা বাজেট সম্পৰ্কে। বাজেটত বহুত টকা যে আছিল আমি জনা নাছিলো। আমি যেতিয়া বাজেট কৰিছিলো, তেতিয়া কন্‌টিন্‌জেনচি ফাণ্ডত টকা দিছিলো। সেই টকাবিলাক কিছুমান গ্ৰেণ্টত ভাগ কৰা হয়। সেই গ্ৰেণ্টৰ টকা কিছুমান হেড্‌ত থাকে। এই যে টকা আনিলে কোন কোন হেডৰ পৰা আনিলে এইটো জানিবলগীয়া বিষয়। যদি টকা অনা হোৱা নাই, তেন্তে বাজেটৰ বিষয়ে সন্দেহ আছে। কাৰণ প্ৰতিটো হেডতে টকা থাকে। অৱশ্যে এই কথাটো ৰাইজে বুজি নাপায় যে এটা হেডত টকা ৰাখে। কিন্তু সেই হেডত ইমান কোটি টকা আছে নে নাই নাজানো। মই আশাকৰো মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে এই বিষয়ে স্পষ্টিকৰণ দিব। বাজেট কৰোতে আমি জানো যে কেইটামান বিভাগ থাকে। প্ৰতিটো বিভাগতে হেডৰ বিপৰীতে টকা থাকে। সেই হেডৰ টকা যদি কোনোবা হেডত আনি বানপীড়িত ৰাইজক সহায় কৰে তেনে'হলে কেনেকুৱা কথা হ'ব ? এইবাৰ বানত কিমান মানুহ ক্ষতিগ্ৰস্ত হৈছে এইখিনি কথা জনসংযোগ বিভাগে ১৯৮৬ চনত লিখিছে যে ২৩ লাখ মানুহ ক্ষতিগ্ৰস্ত হৈছে। এই গোটেই বাক্যটো পঢ়ি দিওঁ—

No sooner could the state could recover from the grip of the unprecedented dry spell, heavy downpours lashed Assam for days together without any let-up, especially in catchment areas where the rivers caused widespread inaundation in more than 5000 sq km of land surface in 8 districts of the state affecting over 23 lakhs of people.

এইটো সঁচা যে ২৩ লাখ মানুহ দুৰ্গত, আজিও উপশম হোৱা নাই। মই অৱশ্যে নগাওঁৰ কিছুমান ঠাইলৈ গৈছিলো। দুখীয়া লোকসকলে ন খাবৰ কাৰণে উৎসৱ পাতিছিল। এতিয়া ন খাবৰ কাৰণে উৎসৱ পাতিব পৰা নাই। কাৰণ পথাৰত ধান শুকাই গৈছে। কববাত পথাৰৰ ধান বানপানীয়ে ধ্বংস

কৰি পেলাইছে। এতিয়া তাত ধান নাই। গতিকে এই ধ্বংসপ্ৰাপ্ত দুৰ্দশাগ্ৰস্ত ৰাইজৰ কাৰণে যি টকা খৰছ কৰা হৈছে তাক সকলোৰে মাজত সমভাবে বিতৰণ কৰাটো আমি সকলোৱে বিচাৰো।

চাৰ, মই কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰিছো। চৰকাৰে আমাক ৰিলিফৰ যি ছবি দিছে সেইটো অতিশয় ভয়াবহ। ফাণ্ড ষ্টেটমেণ্ট ৰিলিফত পাঁচ কোটি নব্বৈ লাখ টকা টেম্পৰাৰি খৰছ হৈছে। তাৰে সত্তৰ লাখ টকা Food stuff in relief camp ছয় কোটি তেৰ লাখ টকাৰ প্ৰতিবেদন দিছে। ইন কেচ পাঁচ কোটি নব্বৈ লাখ টকা। তাক আমি মানি লৈছো। Food stuff outside the camp for 15 days তাৰ অৰ্থ কি? ইয়াৰ অৰ্থ আমি বুজি নপোলো।

প্ৰথমতে পাঁচ কোটি নব্বৈ লাখ টকা দিছিল তাৰ পিছত ছয় কোটি পাঁচ লাখ টকা পিচত দিছিল নেকি ?

চাৰ, মই মাননীয় ৰাজহ মন্ত্ৰীক সুধোতে তেখেতে ন্যায়িক বিল দুই কোটিৰ বুলি কৈছিল। কিন্তু আচলতে দুই কোটি পয়সত্তৰ লাখ টকাৰহে বাচন-বৰ্ত্তন কিনা হৈছিল। মই জাগীৰোডলৈ গৈছিলো। জাগীৰোডৰ ক্ষেত্ৰত গাৱে গাৱে সুধোতে বাচন-বৰ্ত্তনৰ নামেই শুনা নাই। কিন্তু দুই কোটি পয়সত্তৰ লাখ টকা বাচন-বৰ্ত্তনৰ নামত কেনেকৈ খৰছ হ'ল।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, জাগীৰোডত বানপানী হোৱা নাছিল।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, বানপানী নগাওঁ জিলাত হৈছিল। জাগীৰোডও নগাওঁ জিলাতে। তাৰ পিছত আকৌ কাপোৰত গৈছে এতিয়া লৈকে তেৰ কোটি তেসত্তৰ লাখ টকা। এই টকা যদি মানুহৰ মাজত বিতৰণ কৰা যায় তেনেহ'লে গাইপতি ৫৯·৬৭ টকা পাব। বান পীড়িত ৰাইজক এনেদৰে দিয়া হোৱা নাই। এই কথা সঁচা নহয়।

মাননীয় অধ্যক্ষ মহোদয়, বাচন বৰ্ত্তনৰ নামত দুই কোটি পয়সত্তৰ লাখ টকা খৰছ কৰা দেখুৱাইছে। মই জাগীৰোড, ক্ষেত্ৰী আদি গাৱলৈ কেতিয়াবা নিজে আৰু কেতিয়াবা মানুহ পঠিয়াই দি খবৰ অনাইছো। বাচন বৰ্ত্তন যোগান দিয়াৰ কোনো নাম গোন্ধেই নাই। বাচন-বৰ্ত্তন কোনো যোগান নিদিয়াকৈয়েই এই বুজন পৰিমাণৰ টকা অৰ্থাৎ দুই কোটি পয়সত্তৰ লাখ টকা কেনেকৈ খৰছ হ'ল সেইটো মই আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো।

শ্ৰীজয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, জাগীৰোডত বানপানী

দেখোন হোৱাই নাই।

শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, তিনি খন গাৱঁত কাপোৰ যোগান দিয়াৰ নামত ১৩ কোটি ৭৫ লাখ টকা খৰছ কৰা দেখুৱাইছে। ইয়াৰ পৰা আমি যিটো হিচাব পাইছো তাৰ পৰা দেখা যায় যে, তিনিখন গাঁৱৰ ২৩ লাখ মানুহৰ মাজত এই পৰিমাণ টকাৰ কাপোৰ যোগান দিয়া হৈছে। সেই হিচাব মতে চালে দেখা যায় যে, গাইপতি ইয়াৰ বাবদ খৰছ কৰিছে, ৫৯.৭০ টকাকৈ খৰছ পৰিছে। পূব মালৈবাৰী আৰু পশ্চিম মালৈবাৰী আমাৰ গড়কাপ্তানী মন্ত্ৰী শ্ৰীঅতুল বৰাৰ সমষ্টি। তাৰ মানুহক লগ ধৰি আমি জানিব পাৰিলো যে, ইয়াত দেখুওৱা ১৫ কে, জি চাউলৰ ঠাইত এক কেজি-কৈহে যোগান ধৰা হৈছে। পূব মালৈবাৰী আৰু পশ্চিম মালৈবাৰীৰ ওচৰতে উলুবনি বুলি এখন গাওঁ আছে তাত বানপানী হোৱাই নাই। এই গাওঁখন ৰাষ্ট্ৰীয় পথৰ গাতে লাগি থকা এখন গাওঁ। সেই সকলক কি কত দিলে তাৰ হিচাব ইয়াত দেখুওৱা নাই। হোজাইৰ ওচৰৰে যোগীজান মৌজাৰ ওচৰৰে এখন গাওঁ যত বানপানীয়ে সকলো খেতি বাতি আদি নাইকিয়া কৰিলে, তাৰ এজন মানুহক আমি সুধিলো যে. " আপোনালোকক কাপোৰ কানি আদি যোগান দিয়া হৈছেনে "? অকল আমি এজন মানুহকেই সোধা নাই, আৰু মানুহক সুধিছো : সুধি জানিব পাৰিলো যে তেওঁলোকক কোনো কাপোৰ কানি আদি যোগান দিয়া নাই। কিন্তু এখন গাৱঁত গম পালো যে, মাত্ৰ তিনিখন শাৰীহে দিয়া হৈছে। কাপোৰৰ নামত শাৰীৰ নামৰ যি বস্ত্ৰ দিয়া হৈছে সেইটো অধ্যক্ষ মহোদয়, কবলৈ বৰ লাজ লগা কথাই হব। সেই ধৰণৰ এখন শাৰী যদি এজনী গৰীৱ মাইকী মানুহে পিন্ধি ইয়ালৈ আহে তেতিয়াহ'লে, সেই মাইকী মানুহজনী দেখি আমি মুখ সিফাল কৰিব লাগিব। কাপোৰ কানি যোগান দিয়াৰ নামত মাত্ৰ এখন গাৱঁতহে তিনি খন শাৰী নামৰ বস্ত্ৰৰ যোগান ধৰিলে। এই কাপোৰ কোনে যোগান ধৰিলে? কলৈ গল এই টকা? বা বিতৰণ কৰিলেই বা কোনে এই কাপোৰ? ইয়াৰ বিতং বিৱৰণ চৰকাৰে আমাক দিব লাগিব। সঁচাকৈয়ে এই কাপোৰ যোগান ধৰা হ'লনে? এই ঠিকা কোনে পাইছিল? এই কাপোৰ নিশ্চয় অসমৰ বাহিৰৰ পৰা আনিব লাগিব। কিয়নো অসমত এতিয়াও ইমান ঠগ বাজি হোৱা নাই। ১৯৮৩ চনত 'আৰ্ট ফেড' নামৰ সংগঠনটোৰ জৰিয়তে কাপোৰ দিয়া হৈছিল যি বিলাক কাপোৰ আছিল একেবাৰেই বেয়া। সি যিয়েই

*Speech not corrected.

নহওঁক, বান বিধ্বস্ত অঞ্চলত কাপোৰ বিতৰণৰ নামত যি কোটি কোটি টকা খৰচ কৰা হৈছে, এই সংক্ৰান্তত এটা তদন্ত হোৱা নিতান্তই দৰ্কাৰ। বিধান সভাৰ এজন সদস্যৰ দ্বাৰাই এই তদন্ত কৰাওঁক। নহ'লে এই তদন্তৰ দায়িত্ব চি, বি, আই ৰ হাতত ন্যস্ত কৰক। মুঠৰ ওপৰত উচ্চ পৰ্য্যায়ৰ তদন্ত এটা হব লাগে।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন মই সমৰ্থন কৰিম বুলি ভাবি থাকিও শেষত গৈ সমৰ্থন কৰিব পৰা নাই কেৱল এই কেইটা কাৰণতে। তথাপিও ভাবি ছাম মাননীয় মূখ্যমন্ত্ৰীৰ পৰা এই বিষয়ে স্পষ্টীকৰণ পোৱাৰ পিছত।

মাননীয় অধ্যক্ষ :— এতিয়া আমাৰ মাননীয় সদস্য শ্ৰীদেৱ বৰা ডাঙৰীয়াই তেখেতৰ বক্তব্য ৰাখিব।

শ্ৰীদেৱ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিধান সভাত যি খন সংশোধনী বিল ইয়ালৈ অনা হৈছে তাত আমাৰ মাননীয় মূখ্য মন্ত্ৰী ডাঙৰীয়াই যি প্ৰস্তাৱ উত্থাপন কৰিছে তাত মোৰ সমৰ্থন আগবঢ়াইছো।

যোৱা অক্টোবৰ মাহত অসমৰ বিভিন্ন অংশত হোৱা প্ৰৱল বানপানীয়ে যি অভূতপূৰ্ব্ব ধ্বংসলীলাৰ সৃষ্টি কৰিলে সেই পৰিস্থিতিৰ জোৰা মাৰিবৰ কাৰণে এই বৃজন পৰিমাণৰ টকা চৰকাৰৰ দৰ্কাৰ হৈছে। হঠাত হোৱা বান-পানীয়ে আমাৰ লোক সকলক যি ভয়াবহ বিপদৰ মাজলৈ ঠেলি দিলে সেই সকল লোকৰ পুনৰ সংস্থাপনৰ কথা ভাবিয়েই এই প্ৰস্তাৱ আজি অনা হৈছে। জ্ঞান-বুদ্ধি থকা যি কোনো মানুহেই যি এই লক্ষ লক্ষ বান বিধ্বস্ত মানুহৰ করুণ আৰ্তনাদ শুনিব, তেওঁৰেই সেই প্ৰস্তাৱক সমৰ্থন নকৰি নোৱাৰিব। কিন্তু আমাৰ বিৰোধী দলৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ইতিমধ্যে কিছুমান তথ্য ডাঙি ধৰি তাৰ ওপৰত চৰকাৰৰ পৰা স্পষ্টীকৰণ বিচাৰিছে। মই নগৈ গড়গাওঁ বাতৰি কব খোজা নাই অৰ্থাৎ যোৱা অক্টোবৰ মাহত হোৱা প্ৰৱল বানপানীত যেতিয়া লাখ লাখ মানুহ ককবকাই আছিল সেই সময়ত ৰাজ্যখনৰ চৌদিশৰ পৰা এই বিপদৰ সময়ত মাত এষাৰ মাতিবলৈ আগুৱাই আহিছিল কিন্তু সেই সময়ত আমি এই সকল বিৰোধী পক্ষৰ লোকক ভাত দুৰ্গত ৰাইজৰ মাজত দেখা পোৱা নাছিলো। তেখেতে য ত বানপানী হোৱা নাই তাত অৰ্থাৎ জাগীৰোডত গৈ খবৰ কৰিব পাৰিলেগৈ।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে জাগী-

ৰোডত বানপানী নাই হোৱা বুলি কৈছে কিন্তু সেই জাগীৰোডত ৰানপানীয়ে তাণ্ডৱ লীলাৰ সৃষ্টি কৰিছিল।

শ্ৰীদেৱ বৰা :— Mr. Sperker, Sir, I want uninterrupted situation in the House because he was not interrupted. মাননীয় অধ্যক্ষ মহোদয়, যি সময়ত প্ৰৱল বানপানীয়ে দ-বাম একাকাৰ কৰি সকলোবিলাক উতাই বুৰাই সৰ্ব্বনাশ কৰিছিল সেই সময়ত সেই দুৰ্দশাগ্ৰস্ত লোকসকলৰ মাজত আমাৰ মন্ত্ৰী বিধায়ক সকল তেওঁলোকৰ সাহায্যৰ কামত ব্যস্ত হৈ আছিল। কিন্তু সেই সময়ত সেইসকল লোকৰ মাজত আমাৰ এই সকল বিৰোধী পক্ষৰ বিধায়ক উপস্থিত নাছিল। আমি লগ পোৱা নাই। এতিয়া তেওঁলোকে চৰকাৰৰ দোষ খুচৰিবলৈ নাহি বানবিধ্বস্ত লোকক এই চৰকাৰে যি ধৰণেৰে সাহায্য কৰিছিল তাৰ বাস্তৱিক দিশটো ডাঙি ধৰিব লাগিছিল। তেওঁলোকে চৰকাৰে কৰা ভাল কামবিলাক উল্লেখ কৰিব লাগিছিল। সি যিয়েই নহওঁক আজি অসমৰ বানবিধ্বস্ত লোকৰ কাৰণে যি দাবী মঞ্জুৰি বিচৰা হৈছে সেইটো আমাক লাগিবই। এতিয়া যিখিনি বিচৰা হৈছে সেই খিনিয়েই যথেষ্ট নহয়। আমাৰ বান বিধ্বস্ত জনসাধাৰণৰ সহায় কৰিবৰ কাৰণে আমাক বহু কোটি টকা বাজেটত লাগে। কেন্দ্ৰীয় চৰকাৰে যি সময়ত অসমৰ ইমান সংখ্যক বান বিধ্বস্ত লোকৰ সাহায্যৰ কাৰণে মাত্ৰ ১২ কোটি টকা মঞ্জুৰ কৰিছে সেই একে সময়তেই কেন্দ্ৰীয় চৰকাৰে গঙ্গা নদী, যমুনা নদীৰ মল চাফা কৰিবৰ কাৰণে ১২ কোটি টকা মঞ্জুৰ কৰিছে। ইয়াত লাখ লাখ মানুহ বান বিধ্বস্ত হৈ হাৰাশাস্তি হৈছে তাৰ কাৰণে দিছে মাত্ৰ ১২ কোটি টকা। আৰু গংগা নদীৰ পানী পৰিষ্কাৰ কৰিবলৈ দিছে সেই একেই পৰিমাণৰ টকা। গতিকে ইয়াতেই ভাবিব পাৰিযে কেন্দ্ৰীয় চৰকাৰৰ অসমৰ প্ৰতি থকা মৰমৰ কথা। অকল এই বছৰেই নহয় যোৱা ৩৮ বছৰ ধৰি এই দৰে বানপানীত ঘৰ দুৱাৰ ভাঙি যোৱা লোকে কেন্দ্ৰীয় চৰকাৰৰ পৰা একো পোৱা নাই। ১৯৭৩ চনত বাংলাদেশত যেতিয়া যুদ্ধ লাগিল আৰু তাৰ পৰা যেতিয়া হাজাৰ হাজাৰ শৰনাৰ্থী ভাগি আহিল এই শৰণাৰ্থী সকলক খোৱাবৰ কাৰণে ষ্টেম্প ডিউটি লগোৱা হল। অসমো তাৰ ভুক্তভোগী। আজিঅসমৰ হাজাৰ হাজাৰ বান বিধ্বস্ত মানুহক ৰক্ষা কৰিবলৈ তেনেকুৱা ৰিলিফ লাগে। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ ৰাখিব পাৰে নেকি যে অসমৰ বান বিধ্বস্ত লোকক ৰক্ষা কৰিবৰ

কাৰণে চিঠিৰ টিকট, ৰেলৰ টিকট, জাহাজৰ টিকট, চিনেমা হলৰ টিকট আদিত ৫ পইচাকৈ ষ্টেম্প ডিউটি লগাৰ লাগে। কাৰণ এই মানুহ বিলাকৰ ঘৰ দুৱাৰ ভাঙি গৈছে, পথাৰৰ পকা ধান সম্পূৰ্ণ নষ্ট হৈছে। এজন খেতিয়কৰ যেতিয়া পথাৰৰ পকাধান নষ্ট হৱ তাতকৈ আৰু সেই খেতিয়কজনৰ ডাঙৰ ক্ষতি আৰু একো নাই। এবছৰ খেতি মাৰি নিয়া মানে সেই খেতিয়কজনৰ অৰ্থনৈতিক অৱস্থা ৪/৫ বছৰলৈ চেট বেক হোৱা। সেই খেতিয়ক সকলক ৰদ বৰষুণৰ পৰা ৰক্ষা কৰিবৰ কাৰণে এখনকৈ চালি দিয়াৰ প্ৰয়োজন হৈছে। এখন চালি দিবলৈ এক বাণ্ডিলকৈ টিনপাত লাগে সেই কাৰণে কিমান লোকৰ ক্ষতি হৈছে সেইসকলক এক বাণ্ডিল টিন, এক হাজাৰ টকাকৈ হ'লে কিমান লাখ হাজাৰ টকা লাগিব ভাবি চাওঁক। গঙ্গা নদী পৰিষ্কাৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ১২ কোটি টকা দিয়া আৰু অসমৰ লাখ লাখ বান বিধ্বস্ত লোকক সহায় কৰিবলৈও ১২ কোটি টকা দিয়াটো অতি দুখৰ কথা। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যি ধৰণেৰে মানবীয়তা দেখুৱাব লাগিছিল সেইটোৰ অভাৱ দেখা গৈছে। কেন্দ্ৰীয় চৰকাৰে টকা দিয়াৰ পৰিবৰ্তে কিছুমান বিশেষজ্ঞ কমিটি ক্ষতিৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ পঠাইছে। এই বিলাক কৰি থাকোতেই আজি দুই মাহ পাৰ হৈ গ'ল। গতিকে এই সময়ছোৱাত অসমৰ বান বিধ্বস্ত লোকৰ কাৰণে কি কৰা হৈছে? যোৱা বান পানীৰ সময়ত এই চৰকাৰে কি কৰিলে সেই কথা মই গৌৰবেৰে কব পাৰো। এই চৰকাৰে যি খিনি কাম কৰিলে সেই কথা মই নিজে মুখেৰে কবলৈ অসুবিধা পাইছো। যিহেতুকে আমাৰ চৰকাৰৰ কামৰ বিৰোধী দলে সমালোচনা কৰিছে। কিন্তু সত্য কথা কবই লাগিব। এইটো কথা কওঁকচোন কোন চৰকাৰৰ দিনত যোৱা বানপানীৰ সময়ত কৰাৰ দৰে ২৪ ঘণ্টাৰ ভিতৰত দমকল বহুৱাই দিয়া হৈছিল? কোন চৰকাৰৰ দিনত আশ্ৰয় শিবিৰত বিজুলী যোগান দিয়া হৈছিল? সেইদৰে যি বিলাক খোৱা বস্তু দিয়া হৈছিল গৰুৰ ঘাহকে আদি কৰি সেই বিলাক কোন চৰকাৰৰ দিনত আগতে দিয়া হৈছিল। যি সকল লোক বানপানীৰ সময়ত গৈছিল সেই সকলে ৰাইজৰ প্ৰসংসা শুনি আহিছে। আজি বিৰোধী দলে ৰাজনৈতিক কাৰণত সমালোচনা কৰিব পাৰে, ৰাইজক ফুচুলাবৰ বাবে নানান কথা কব পাৰে কিন্তু সেই বিলাক কথা কৈ ৰাইজক সন্তুষ্ট কৰিব নোৱাৰে। ইয়াত এটা পজেচিভ এপ্ৰচ লাগিব। বান পানীত কিমান থকা ঘৰ নষ্ট হৈছে, কিমান ৰাস্তা ভাঙি গৈছে, কিমান দলং ভাঙি

গৈছে, কিমান পকা ধান নষ্ট হৈছে, সেই বিলাক বিৰোধী দলে সমালোচনা কৰিব পৰা নাই । এই সকলো বিলাক বাদ দি আমি কিমানখিনি ভাল কাম কৰিব পাৰো সেইটো চাব লাগে মই এই খিনিতে এটা বিশেষ কথা উল্লেখ্য কৰিব বিচাৰিছো । যোৱা অক্টোবৰ মাহত বানপানী হৈ খেতিয়কৰ পকা ধান মাৰি পেলালে । এতিয়া সম্পুৰ্ণ এটা বছৰ মানুহে কি খাই জীয়াই থাকিব সেইটোৱেই চিন্তা হৈছে । চৰকাৰে অৱশ্যে ৰবি শস্যৰ আচনি লৈছে আৰু তাৰ দ্বাৰা যথেষ্ট কাম হৈছে । এই বছৰ কি খাই থাকিব? এটা বছৰৰ শস্য নষ্ট হোৱা মানে ৪।৫ বছৰলৈ অৰ্থনৈতিক ভাবে টনকীয়াল হব নোৱাৰে । এতিয়া মানুহৰ ক্রয় শক্তি বুলিবলৈ তেনেই নাই । এই দৰে যি সকলৰ ক্রয় ক্ষমতা নাই সেই সকলৰ ক্রয় ক্ষমতা দিব লাগিব । গতিকে এই সকল লোকক ক্রয় ক্ষমতা দিয়াৰ কাৰণে ষ্টেট ৰিলিফৰ ব্যৱস্থা কৰিব লাগিব । যি বিলাক ঠাইত খেতি নষ্ট হৈছে সেই বিলাক ঠাইত যি বিলাক ৰাস্তা নিৰ্মাণ কৰা হয় বা অনান্য ধৰণৰ যি বিলাক নিৰ্মানৰ কাম কৰা হয় সেই বিলাকক সেই খেতি নষ্ট হোৱা লোক সকলক কাম কৰিবলৈ দিব লাগিব । যাতে তেওঁলোকে সেই কামৰ বিনিময়ত যি খিনি পইচা পায় তাৰে ক্রয় কৰিব পাৰে । তাৰোপৰি খাদ্য বস্তু চাবচিডাইজ ৰেটত দিব লাগিব । নহলে অহা ৪।৫ বছৰলৈ এই লোক সেইকলৰ বহুত অসুবিধা হব । আজি যিটো অৰ্থনৈতিক চেট বেক হৈছে সেইটো ষ্টেট ৰিলিফৰ দ্বাৰা সকাহ দিব লাগিব ।

যি যত আঁচনি আছে এই গোটেইখিনি মিলাই আমাৰ এটা ষ্টেট ৰিলিফ প্ৰগ্ৰেম খুব সোনকালে লাগে । এই প্ৰগ্ৰেমত যি সমূহ ৰাস্তা, দলং, স্কুলঘৰ ভাঙি গৈছে এই বিলাক পুনৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত তাৰ ক্ষতিগ্ৰস্ত বাইজক হাজিৰা কাম কৰাত বা অন্য প্ৰকাৰে অৰ্জনৰ সুবিধা দিয়া উচিত । এই ক্ষেত্ৰত অসম কনটিনজেন্সী বিল, ১৯৮৬ চনতৰ অবজেকট এ-ড ৰিজনচ্ত যি খিনি দেখুৱাইছে তাত সন্তোষ্ট হৈছো আৰু অধিক লাগে বুলি কব খুজিছো । এই ক্ষেত্ৰত মোৰ পৰামৰ্শ হল যে বান পানীত কেনেকৈ ক্ষতি হল এটা অনুসন্ধান আমাক লাগে । আজি ইমান বছৰে যিবিলাক অঞ্চলত বানপানী নহয় সেইবিলাকত বানপানী কিয় হল ?

ব্ৰহ্মপুত্ৰৰ নদী উপ নদী আছে এই সকলোবোৰতে নজৰ ৰখা উচিত । এই ক্ষেত্ৰত বানপানী আদি বিভাগৰ পৰা লংটাৰ্মৰ বা ৰাস্তাৰমুখী ব্যৱস্থা কৰিব লাগে । দিল্লীৰ প্লেনীং কমিচনৰ ভাইচ চেয়াৰমেনে এই সম্পৰ্কত আলোচনা

কৰোতে এটা কথা কৈছে সেই ক্ষেত্ৰত আমাৰ বিভাগ সমূহে অতি সোনকালে ব্যৱস্থা ললে ভাল হয়। এই সৰু সৰু নৈ বিলাকত মিনি হাইদেল প্ৰজেক্ট ইৰিগেচন প্ৰজেক্ট জেনেৰেট কৰিব পাৰে। দিচাং, দিখৌ, সোৱনশিৰী, ধনশিৰী, দয়াং, পাগলাদিয়া, কাকদোঙা আদি কৰি যিবিলাক সৰু সৰু নৈ আছে সেইবিলাকত বিদ্যুৎ বিভাগৰ আঁচনি আছে নে নাই নাজানো। কিন্তু আমি এই বিষয়টো এৰি দিব নালাগে। বানপানী আহিলে অলপ দিন ৰিলিফ দিম, টিনপাত দিম আৰু কিবা কিবি দি সন্তোষ্ট দিম এইটো নহব। আমি ইয়াৰ এটা স্থায়ী সমাধান বিচাৰিছো (Qualitative approach)।

দুখোজ আগলৈ যাব আৰু এখোজ পিচলৈ আহিব বা এখোজ আগলৈ যাব, দুখোজ পিছলৈ আহিব, এইদৰে নহব। ব্ৰহ্মপুত্ৰৰ বানপানীয়ে ক্ষতি কৰি আছে : গতিকে আমাক এটা স্পষ্ট ধাৰণা লাগে। কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ চকুৰে চাই আছে। মাত্ৰ ১২ কোটি টকা দিছে। যিটো বিচৰা হৈছিল সেইটো নাহিল আৰু এতিয়াও আশা কৰি আছো। পশ্চিমবঙ্গ বা অন্ধ্ৰপ্ৰদেশত যেতিয়া বানপানী হয় আৰু যি ধৰণে ক্ষয় ক্ষতি চোৱা চিতা কৰি দিল্লীৰ পৰা প্ৰগ্ৰেম আদি লয়, তেনেধৰণে অসমত লোৱাটো পৰিলক্ষিত নহয়। সেই কাৰণে ফ্লাদ ৰিলিকত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰি এডিচনেল ষ্টাম্প ডিউটি পাচ পইচাৰ পৰা একটকা লৈ লব লাগে। এই কথাটো নিবোপন কৰিব বিশেষজ্ঞ কমিটিয়ে যাতে দুখীয়া মানুহৰ ওপৰত বোজা নপৰে। ফান্দৰ জৰিয়তে বানপানীৰ সমস্যাৰ সমধান কৰি সুস্থিৰ পৰিবেশলৈ অসম খনক লৈ যাব পাৰিব। এই খিনিকে কৈ কনটিনজেন্সী বিলখন সমৰ্থন কৰিলো।

Shri Altaf Hussain Mazumdar : Mr Deputy Speaker Sir. Natural calamities in Assam has paused a very serious situation every where and the Government is facing emergent situation in fight with this situation. It may not be axpected from the Government that everywhere 100 per Cent satisfacion can be given. There may be minor lapses here and there. But I find Govt has rightly augmented the Contingency from the consolidated Fund and came forward for the help of the flood victims.

Now it is alleged that the Central Government has not come forward. Probably it is not correct that central Government has not come forward to help the state Government. Sir, straightway the Central Government has given 12 crores of rupees without waiting for any report or any formal procedure. Immediately they gave some money and then sent a team of expert to study the flood situation, losses and damages in the state. Inspite of that I do not find any reason for the allegation that Govrenment of India has not come forward to help the State Government. The Government of India is very much enthusiastic about this proplem of the frontier State. Now, Sir, I would like to say about distribution of relief materials. This should be given as for as possible equally to all affected people. I sympathise the people of Nagaon and other places who are very badly affected. People were mostly affected in Nagaon and in Cachar and karimganj districts. I find from the Government report in Cachcr 1. 20 lakh of hec ors. in karimganj 0. 35 lakh hectore and in Nagaon 1.73 lakh hectors we e badly affected. Form this figure it is quire clear how much the devastation was in the Barak Valley. Sir, I site an example to draw the attention of the Government that in giving relief Cachar has been discriminated. The entire Barak Valley has been discriminated. I repeat, I charge the Government that it has discriminated in giving relief to the flood affected people of Barak Valley. Relief should not be distributed on topographical basis, or geographical basis. It is the bounded duty of the Government. nto behalf all affected people equally. Sir, am I to assume that this Government, came into power to

do injustice to the people ? If not why this has happened ? Your Minister from Cachar District will bear me out. Ask him confidentially. It has been showed that 15 days food has been given. Sir, I say not a single days food was given in certain areas. There are certain areas in Barak Valley where people have remained under flood water even for 10 days, but no relief was given to them. Administration was so calloupse that they have not paid any heed to our request. Even the A G P organisation also failed in this respect. Sir, it has been said mustard oil has been given to the people, salt has been given, etc. Will the Minister Revenue say how much salt has been given in Barak Valley. Will the Chief Minister say how much utensils have been given to the people. Well Sir, I will take it for granted that either the local administration is hostile to the people or there must be some indication from Dispur. A serious impression is given there that local administration is working under the direction of AGP Government. In Nowgong District 933 villages were affected. I think more relief should have been given to Nowgon. Sir, what was given to Cachar ? Will the Minister say how much dal, how much kerosene, how much mustard oil was given to Barak Valley. An impression has been created that nothing was given to Barak Valley Minister from Cachar District will say whether I am right or wrong. So, Sir, I want that there should an enquiry. Well Sir, if it is the attitude of the Government then I have got nothing to say. But I am not prepared to believe it. After all this Government has come to power with respect from all over the state irrespective of caste or creed.

Sir, I say this Government has been discredited by the local administration. Sir, a lot of people approached the Minister from Cachar District. I do not say that he was not sympathetic to us. Even the President of AGP. Prof. Abdul Haque Borbhuyn told me that the local administration is not listening to him also. I told him to take up the telephone and inform the Chief Minister about the activities of the local administration that the Deputy Commissioner is not listening to your suggestion. So, Sir, the impression which has been created in the minds of the people should be removed. Sir, Mr. Sarma was telling the other day that this Government will last for at least 10 years. We want that this should continue for more years. We want that this Government should run the administration liberally. Sir, I repeat that no mustard oil, no utensils, no kerosene was given in the Barak Valley. Even one day's food was not given. So, Sir, I want that there should be a through enquiry into this and the impression should be removed from the minds of people. Sir, again this Government will be facing flood. Sir, utmost importance should be given to Barak Valley and where embankments where breached during this flood should be repaired other wise we will face the calamities again and I appeal to the Government that they should take all people into confidence with equal generous eyes. Apparently, an impression has gain ground that relief has been given on political consideration so far as Barak Valley is concerned.

Shikh Abdul Hamid :- Mr. Speaker, Sir, while speaking on the Assam Contingency Fund (Amendment) Bill, 1986 I want to make certain observations. From the state-

ment of objects and reasons it appears that Rs. 32·10 crores, had been spent on flood affected people of the State and out of this Rs. 32·10 corores, 12 corores been sanctionad by the Government of India. Thus Rs. 20·10 crores had been spent for flood victims by the state. But the most important point, is that the annual budgeted amounts have not spent by verious Deptts. In fact, Sir, hardly 23% amounts have been spent and utilised by the Govt. upto that. Therefor, Sir, we have got reasons to raise our objections here When Govt. have failed to spend the annual budgeted amount properly, how we can now extend our support for further sanction under the Contingency Fund. Sir, we have no objection to provide relief measures to the flood victims of the State. Here also we have come to know that several Hon'ble Members have pointed out that adequate relief measures have not provided to the flood victims in defferent districts of the State. It is also stated py some Hon'ble Members thet there irregularities in connection with the distribution of flood reliefs to the genuine flood victims. We have got sufficient reasons to believe that genuine flood victims were deprived of getting the reliefs. Therefar, Sir, I also agree with other Hon'ble Members for the constituting an enquiry. After all the money has been sanctioned by this August House and with a definite purpose to provide reliefs to the flood victims. We highly raise our objections against the manner in which the money was spent in the name of flood relief measures. Therefor, an enquiry should be made in this respect and the officials, who will be found guilty, should be punished. This is our demand. I have got

another point, sir. While opposing the bill, I would like to state that almost every year Rr. 40 crores are sanctioned coupe with the unforseen calamirities like flood demages etc, but in actual field this is not utilised properly. Therefore, sir, we oppose the raising of further contingency fund ("to the permenent corpus of Rs. 35 lakhs of the Contingency Fund of Assam established by the Assam Contingency Fund Act, 1950"). With these words, sir, I oppose the Bill.

শ্রীজয়নাথ শর্ম্মা :— ম্যননীয় উপাধক্ষ মহোদয়, আজি মূখ্যমন্ত্রী মহোদয় অসম কন্টিজেনন্সি ফাণ্ড এমেন্দমেণ্ট বিলৰ ওপৰত যি প্ৰস্তাব আহিছে, সেই বিল সম্পৰ্কত এতিয়ালৈকে যিসকলে বক্তব্য ৰাখিছে সেই সকলে বিৰোধিতা কৰা নাই। এই সম্পৰ্কে এখন চৰকাৰী পুস্তিকৰ বিষয়ৰ ওপৰত গধুৰ আলোচনা কৰা হৈছে। ১৯৫০ চনতেই কন্টিজেন্সি এক্ট পাছ কৰা হৈছিল। তেতিয়া ৩৫ লাখ টকাত আৰম্ভ হোৱা টকা আজি ৪০ কোটি টকালৈ উৰ্দ্ধিত হৈছে। গতিকে ২৫ কোটি টকা বেছি লাগে বুলি বিল উত্থাপন কৰা হৈছে। কন্টিজেন্সি শব্দটো চৰকাৰে কি বুজাইছে ক'ব নোৱাৰো। আকস্মিক বিপদৰ সন্মুখীন হবৰ বাবে চৰকাৰে ওৱেল ইকুইপ হৈ থাকিব বিচাৰে। এই কিতাপ খন লৈ আলোচনা হোৱা সম্পৰ্কত মই কওঁ যে ৪নং টেবুল সম্পৰ্কত বিশদ আলোচনা হৈছে আৰু মইও একমত। খৰচৰ ক্ষেত্ৰত ১৩ কোটি টকাৰ কাপোৰত খৰচ কৰা হৈছে বুলি দেখুৱাইছে। ৰাজহুৱা ধন এনেধৰণে খৰচ কৰাটো আমি ৰুলিং পাৰ্টিতে থাকো বা বিৰোধী পাৰ্টিতে থাকো মানি ল'ব নোৱাৰো। এই খৰচ এচটিমেটেদ খৰচ হব লাগিব। ইয়াত দেখা গৈছে যে, কাছাৰৰ ষ্টৈন্দ ২নং আছে। মঙ্গলদৈৰ নামেই নাই। ইয়াত এজন মানুহ মৰিছে বুলি কোৱা হৈছে তাৰ এজন মঙ্গলদৈৰ হব। আনহাতে কাচাৰত বানপানীত ৰিলিফ দিয়াৰ পিচতো চৰকাৰক সমালোচনা কৰা হৈছে। অৱশ্যে আগৰ চৰকাৰতকৈ এইবাৰ ৰিলিফ দিয়া ভাল হৈছে বুলি মোৰ কেইজনমান বন্ধুৱে কৈছে। ৰিলিফ দিয়াৰ ক্ষেত্ৰত কোনো বৈষম্য থকাটো উচিত নহয়। কাৰণ বানপানীয়ে বৰাক উপত্যকা বা ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহ চিনি নাপায়। যিসকল লোক বানপানীত ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকক কোনো বৈষম্য নৰখাকৈ সহায় কৰিব

লাগে। মোৰ বন্ধু মন্ত্ৰী আলমদেৱে আৰু টেৱাৰীদেৱে ৰিলিফৰ কাম ভাল হৈছে বুলি কৈছে। এতিয়া দেখা গৈছে যে, ইয়াত আজি ১নং, ২নং, আৰু ৩ নং তালিকাৰ কথা উঠা নাই। ৪ নংৰ কথাহে আলোচনা হৈছে। ২ নংৰ শিতানত মই কব বিচাৰো যে, ৯ লাখ ৮৩ হাজাৰ। এজন মানুহক এদিনত ৰিলিফ দিওঁতে কমেও ২০ টকা লাগে। তাৰ আধা ১০ টকা কৰি দিলেও ৯৮ লাখ টকাৰ অধিক টকা লাগিব। এইদৰে দিলে ৩২ কোটি টকাৰ বহু বেছি লাগিব। তাৰোপৰি পৰিবহনৰ কথা আছে। আগৰ চৰকাৰে নিযুক্তি দিয়া বিষয়া সকলৰ স্বভাৱ যোৱা নাই। আগৰ বিষয়াসকলে বেয়া কাম কৰিলেও ৰাজনৈতিক সকলে তেওঁলোকক ৰক্ষনাবেক্ষন দিছিল। গতিকে এই অভ্যাস যোৱা ৩৮ বছৰৰ এই চৰকাৰে ৩৬৫ দিনত বন্ধ কৰাতো সম্ভৱ নহয়। আমাৰ চৰকাৰে ৰাজহুৱা ধন অপচয় নোহোৱাৰ বাবে তত্‌পৰ ব্যৱস্থা ল'ব লাগিব। তাৰোপৰি আকস্মিক বিপদৰ সন্মুখীন হোৱাৰ বাবেও চৰকাৰ সদায় সচেষ্ট আৰু জাগ্ৰত হৈ থাকিব লাগে। গতিকে এই বিল অনাত একো অপৰাধ হোৱা নাই। আকস্মিক বিপদৰ সন্মুখীন হবলৈ সচেষ্ট হবলৈ এপাটেই অস্ত্ৰ আছে সেই পাতেই হ'ল এই বিলখন। আমিয়েই চৰকাৰৰ হাতত এই অস্ত্ৰপাত তুলি দিব লাগিব।

যিকোনো আকস্মিক বিপদৰ পৰা জনসাধাৰণক ৰক্ষা কৰাৰ কাৰণে চৰকাৰ সক্ষম হৈ থাকিব লাগিব। জনসাধাৰণৰ জীৱনৰ খাতিৰত, জনসাধাৰণৰ মঙ্গলৰ খাতিৰত চৰকাৰে দায়িত্ব নিয়াৰিকৈ পালন কৰিব লাগিব। মই আশা ৰাখিছোঁ এই বিলখনৰ জড়িয়তে কন্টিজেন্সি ফাণ্ডলৈ যি ২৫ কোটি টকা বিচাৰিছে সেইটো দিয়াত নিশ্চয় একো ভুল নহব। এই ক্ষেত্ৰত আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৩৩৮ কোটি ৬৬ লাখ টকাৰ দাবী উঠাইছে এই দাবী অনুসৰি কেন্দ্ৰীয় চৰকাৰে ১২ কোটি টকা দি আমাৰ সন্থাক আচলতে আৰু প্ৰকৃতাৰ্থত অৱমাননা কৰিছে। কিন্তু আনহাতে নিৰ্ব্বাচন অহাৰ বাবে পশ্চিমবঙ্গত বানপনীৰ সাহাৰ্য্যৰ নামত কিমান টকা দিছে ? আজি আমাৰ মানুহৰ বানপানীৰ কাৰণে জীৱন-মৰণ সমস্যা হৈছে। এই খিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে আগৰ চৰকাৰৰ দিনত মুখ্য মন্ত্ৰী সকলে সাধাৰণ এটা কথা লৈ দিল্লীলৈ ঢাপলি মেলিব লগা হৈছিল, যিকোনো এটা সাধাৰণ কথাৰ কাৰণে নেতাসকলে দিল্লীলৈ ঢাপলি মেলিছিল, কিন্তু আজি তাকে নকৰি গণপৰিষদ চৰকাৰে

এই বিলখন আনিছে, এইটো একো ভুল হোৱা নাই। আজি আমি বান প্ৰপীড়িত মানুহক লৈ সমালোচনা কৰিছোঁ। এই সমালোচনা সৃষ্টিমূলক হওক, ই ধ্বংসমূলক হব নোৱাৰিব।

এইবাৰ অসম গণপৰিষদ চৰকাৰে ৰাইজক খবাং বতৰত আৰু বানপানীৰ সময়ত দিল্লীলৈ ঢাপলি নেমেলি যি ধৰণেৰে সহায়-সাৰথি কৰি এক বুনিয়াদৰ সৃষ্টি কৰিলে সি অতি বিৰল। মই নিজে গৃহমন্ত্ৰীৰ লগত নগাঁৱলৈ গৈছিলো আৰু ৰিলিফ কেম্পত থকা ৰাইজক সুধিলোঁ কিবা অসুবিধা পাইছে নেকি বুলি। তেওঁলোকে ক'লে যে অসুবিধা একো পোৱা নাই মাথোন গাখীৰ পোৱা নাই। কেম্পৰ মানুহে গাখীৰ বিচাৰে। কামপুৰৰ এটা ৰিলিফ কেম্পত সুধিলো, তেওঁলোকে ক'লে ঔষধ-পাতি পাইছো, কিন্তু ভিটামিন পোৱা নাই। তাত অসমীয়া মানুহ নাছিল, অনাঅসমীয়া মানুহে কেম্পত ভিটামিন বিচাৰে। উপাধ্যক্ষ মহোদয়, সেই সকল বাংলাভাষী মানুহে সুন্দৰকৈ বঙলা ভাষাতে ভিটামিন পোৱা নাই বুলি কৈছিল।

( সদনত বিৰোধী দলৰ গুণগুণনি উঠে )

উপাধ্যক্ষ মহোদয়, সদনত সকলো বস্তু পোৱাৰ পিচত সেই মানুহখিনিয়ে গণপৰিষদ চৰকাৰৰ পৰা ভিটামিন বিচাৰে, এয়া আমাৰ গৌৰৱৰ কথা। অসমৰ জনসাধাৰণে গণপৰিষদ চৰকাৰক লৈ গৌৰৱ কৰাৰ অধিকাৰ আছে। আমি আজি এই পৰিবেশ সৃষ্টি কৰিব পাৰিছো। মোৰ আগৰ কেইবাজনো বক্তাই কৈ গৈছে যে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান সমূহে চৰকাৰৰ সাহাৰ্য্য নোলো-ৱাকৈ আগ বাঢ়ি গৈছে। সদনত এটা প্ৰশ্ন উঠিছিল যে বানপীড়িত ৰাইজক বাচন-বৰ্ত্তন, কাপোৰ-কানি আদি আগবঢ়োৱা হৈছিল নেকি? বাইজক ডি, চিৰ জৰিয়তে এইবোৰৰ সহায় কৰা হৈছিল। আজি আমাৰ গণপৰিষদ চৰ-কাৰক কিছুমান ভাৱৰ বুৰবুৰণি তুলি কেতবেৰে যুক্তি উত্থাপন কৰি সমালোচনা কৰিলেই নহব, চৰকাৰে কৰা ভাল কামবোৰৰ কথাও আঙুলিয়াব লাগিব। আজি কি কি কাম কৰা হৈছে তাৰহে ব্যাখ্যাৰ প্ৰয়োজন। কি কি কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়া হব তাৰ কোনো প্ৰয়োজন নাই। ৰাজনৈতিক নেতা সকলে কিবা সাহায্য দিম বুলি কোৱাৰ কিবা যুক্তি থাকিব পাৰেনে ?

গতিকে, এই বিলখনৰ জড়িয়তে চৰকাৰে আজি যি দাবী উত্থাপন কৰিছে সি অতিশয় যুক্তিযুক্ত হৈছে।

সেইকাৰণে মই সকলোকে এই বিলখনৰ প্ৰতি মুক্ত আলোচনাৰ বাবে

ধন্যবাদ জনাই বিলখন সমৰ্থন কৰিলো।

শ্ৰীচহিদুল ইচলাম :— উপাধ্যক্ষ মহোদয়, আজি মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই যিখন বিল উত্থাপন কৰিছে তাত মই একমত নহয়। কাৰণ আমাৰ বিৰোধী দলৰ কৰ্ত্তব্য হৈছে সমালোচনা কৰা। আমাৰ মাননীয় দেৱকুমাৰ বৰাদেৱে যিটো প্ৰশ্ন আনিছে যে বিৰোধী দলৰ এজনো বিধায়ক বানপীড়িত কেম্পলৈ যোৱা নাই। কিন্তু সেইটো সচাঁ কথা নহয়, কাৰণ মই নিজে মাননীয় মূখ্যমন্ত্ৰীৰ লগত গৈ ১৫ দিন ৰিলিফ কেম্পত আছিলো আৰু তেখেতৰ লগত গৈ ক'ত কি হৈছে সকলো ভ্ৰমণ কৰি চাই আহিছো। আজিৰ যিবোৰ সমালোচনা হৈছে এইবিলাক আজিৰ বেমাৰ নহয, এইবিলাক পুৰণা বেমাৰ। আমাৰ চৰকাৰক সমালোচনা কৰাৰ সুযোগকে আমি বিচাৰি থাকো। এই পুৰণা বেমাৰটো আগৰে পৰা চলি আহিছে।

উপাধ্যক্ষ মহোদয়, :— সময় শেষ হৈছে, এতিয়া সদন ২.৩০ লৈ স্থগিত থাকিব। মধ্যাহ্ন ভোজনৰ পিছত।

Mr. Deputy Speaker : Now, Shri Shahidul Islam would resume.

শ্ৰীছহিদুল ইচলাম :— উপাধ্যক্ষ মহোদয়, অসমৰ যিটো প্ৰলয়ঙ্কৰী বান পানী তাত অসম চৰকাৰে যিথিনি সাহায্য আগবঢ়ালে সেই বিষয়ে বহুতো সদস্যই ইতিমধ্যে বক্তব্য ৰাখিছে। চৰকাৰী আমোলা সকলে বা বিষয়া সকলে তাত যথেস্ট বেমেজালি কৰিছে।

উপাধ্যক্ষ মহোদয় :— মিঃ ইচলাম বানপানী সম্পৰ্কে বেলেগ এটা আইটেম আছে আপুনি তেতিয়া কব পাৰিব এতিয়া বিলৰ ওপৰত চমুকৈ কওঁক।

শ্ৰীছহিদূল ইচলাম :— আগৰ এই বেমাৰৰ পৰা আজিও মুক্তি পোৱা নাই। নগাওঁ জিলাৰ যমুনামুখ, হোজাই, লংকা বহা আদি ঠাইত বিভিন্ন সময়ত বেলেগে বেলেগে মন্ত্ৰী সকলৰ লগত বানপানীত ৰাইজৰ খবৰ লব গৈছো। তেতিয়া মই এটা কথা উপলব্ধি কৰিছিলো যে বিভিন্ন ৰাজনৈতিক দলৰ ৰাইজৰ প্ৰতিনিধি সকলৈ ৰিলিফ কমিটি কৰি বিতৰণ ব্যৱস্থা কৰা হলে হয়তো কোনো বেলেংকাৰী হব নোৱাৰিলে হেতেন। কাৰণ যি ধৰণে সম বিতৰণ হব লাগিছিল সেই ধৰণে হোৱা নাই। বিভিন্ন ঠাইৰ পৰা বা যোগান বিভাগৰ পৰা বয় বস্তু যথেষ্ঠ পৰিমানৰ পঠীওৱা হৈছিলা অসমৰ প্ৰায় ১০/১২ জন

মন্ত্ৰীয়ে ইয়াৰ চুপাৰভাইচ কৰিছিল । আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে পেন কোছায় নিজে পানীৰ পাজত খোজকাঢ়ি ৰিলিফৰ খবৰ লৈছিল সেই বিলাক আমি নুই কৰিব নোৱাৰো । কিন্তু তেখেত সকলৰ পৰিশ্ৰম সাৰ্থক হৈ উঠা নাই। মন্ত্ৰী মণ্ডলী বিধায়ক মণ্ডলী সকলে যিবিলাক প্ৰতিশ্ৰুতি দিছিল সেইমতে কাম হোৱা নাই কিছু খেলি মেলি হৈছে । আমাৰ মাননীয় সদস্য ৰচিদুল হক ডাঙৰীয়াই অভিযোগ কৰিছে যে দৰকা অঞ্চলত গাখীৰ যোগান ধৰা হৈছে বুলি কৈছে কিন্তু তালৈ তেমা গৈয়ে নাপালে । আমি কোনো বস্তুৰে যোগান নিদিয়া বুলি কোৱা নাই বস্তুৰ যোগান ঠিকেই দিছিল কিন্তু মাজতে বিতৰণৰ ক্ষেত্ৰত খেলিমেলি কৰিছে । আজি মেডিকেল সেৱা ভাল হৈছে বুলি কেন্দ্ৰীয়দলে প্ৰশংসা কৰি গৈছে । পানীযোগান ব্যৱস্থা ভাল হৈছে মন্ত্ৰী সকল যোৱাৰ পাচতে য'ত দমকল লাগে তাত দমকল বহি গৈছে । স্বাধীনতাৰ পাচত ইমান ৰিলিফ আগতে পোৱা নাছিল। কিন্তু বিতৰণৰ যিবিলাক কেলেংকাৰী সেইবিলাক পুৰনা বেমাৰ । সেই বেমাৰ এতিয়া ভাল কৰিব লাগিব । মন্ত্ৰী সকলে ভাল কাম কৰিছে যিবিলাক ঠাইলৈ গৈছে সেই বিলাক ঠাইত বিষয়া সকলে মনোযোগ দিছে কোনোবাই যদি হেলা কৰিছে তাক লগে লগে নিলম্বিত কৰিছে। গোটেইখিনি কাম ক্ষিপ্ৰগতিতে হৈছে। কিন্তু বিভিন্ন ৰাজনৈতিক দলৰ সদস্য সকলৈ ৰিলিফ কমিটি কৰা হলে আজি সদনত এই সমালোচনাৰ সন্মুখীন হব নালাগিলহেঁতেন বা এই কথাটো বিধান সভালৈ নাহিলহেঁতেন । অদূৰ ভৱিষ্যতে যাতে এনে নহয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে । বানপানীৰ সময়ত দেখিলো কেন্দ্ৰীয় চৰকাৰৰ এজেন্সি বিলাকে সময়মতে কাম কৰা নাই । আমিয়ে ফুট ব্ৰিজ বস্তু অনা নিয়াৰ সুবিধাৰ কাৰণে কৰি দিয়াৰ কথা আছিল, আমি বোট দিয়া কথা আছিল চিআৰপি দিয়া কথা আছিল ৰেচকু অপাৰেচনৰ কাৰণে সেইবিলাক সময়মতে হৈ নুঠিল । অদূৰ ভৱিষ্যতে যাতে এইবিলাক নহয় তাৰ কাৰণে সচেষ্ট হব লাগে । যিখিনি কৰিলে তাৰ বাবে চৰকাৰ প্ৰশংসাৰ পাত্ৰ কিন্তু ভৱিষ্যতে যাতে সকলোৱে চৰকাৰৰ পৰা সমদৃষ্টি পাই তাৰ কাৰণে অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমুক্তাৰ হুচেইন :— উপাধ্যক্ষ মহোদয় মুখ্য মন্ত্ৰী মহোদয়ে অসম সম্ভাব্য নিধি সংশোধনী যিখন বিল সদনত উত্থাপন কৰিছে সেই বিলখনক সমৰ্থন কৰা বা নকৰা এতিয়াই মই কব খোজা নাই, সৃষ্টিমূলক সমালোমাচনা দাঙি ধৰিম । বিৰোধী পক্ষ বা শাসক পক্ষৰ মাননীয় সদস্য সকলে বিভিন্ন ধৰণে

আলোচনা সমালোচনা দাঙি ধৰিছে। সেই বিলাকত মুখ্য মন্ত্ৰীৰ উত্তৰৰ পাচত হে সমৰ্থন বা বিৰোধীতাৰ বিষয়ে চিন্তা কৰিম।

উপাধ্যক্ষ মহোদয়, অসমত এইবাৰ খৰাং বতৰ আৰু প্ৰলয়ঙ্কাৰী বানত যথেষ্ট ক্ষতিসাধন হৈছে। এই ক্ষেত্ৰত কন্টিজেন্সি ফাণ্ডত যথেষ্ট পৰিমানে টকাৰ প্ৰয়োজন হোৱাটো নুই নকৰোঁ। কিন্তু ইতিমধ্যে বানত ক্ষতি হোৱা সকলক যিধৰণে সাহায্য দিয়া বুলি চৰকাৰে উল্লেখ কৰিছে সেই ধৰণে ৰাইজে পোৱা নাই। মই নিজেও কেম্পত গৈ চাই আহিছোঁ। তাৰোপৰি আজি ইয়াত বিভিন্ন সদস্যই নিজৰ বক্তব্যত এই কথা প্ৰমাণ কৰিছেই। চৰকাৰৰ ফালৰ পৰা "ফ্লাড হেভক ইন আসাম" বুলি যিখন কিতাপ প্ৰকাশ কৰিছে তাৰ ৬ নং পৃঃত ধুনীয়া বাক্য আছে, পঢ়ি বৰ ভাল লাগে। বাক্যটো হল There was no discrimination or Corrupt practies in distirbution of relief materials. এই বাক্যটো বাৰে বাৰে পঢ়ি থাকিবলৈ মন যায় বৰ ভাল লাগে। আকৌ ৪ নং টেবুলত যি বক্তব্য দিয়া হৈছে তাৰ ওপৰত মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই বিতং ভাবে আলোচনা কৰিছে। আকৌ ৫ নং ত 6·13 Crores outside the Camp for 15 days. ৬ কোটি ১৪ লাখ টকাৰ যিটো শিতান দেখুৱাইছে তাৰ ওপৰত কওঁ মাননীয় ৰিলিফ মন্ত্ৰীয়ে কৈছিল যিবিলাক মানুহ ৰিলিফ কেম্পত নাছিল তেওঁলোকক সাহায্য দিয়া হোৱা নাই। তেনেহলে আমি এতিয়া ইয়াত দেখিছোঁ কেম্পৰ বাহিৰত থকা মানুহকো সাহায্য দিয়া হৈছে। সেয়ে আমাৰ এতিয়া এই ক্ষেত্ৰত অলপ কৌতুহল হৈছে। আমি হোজাইত দেখিছোঁ কেম্পত নথকা মানুহকো সাহায্য দিয়া হৈছে। সেই কাৰণেই মই কৈছোঁ সাহায্যৰ শিতানত ১৬ কৌটি টকাৰ যি হিচাব ইয়াত দেখুৱা হৈছে এই সম্পৰ্কত বিধান সভাৰ পৰা এটা সৰ্ব্বদলীয় কমিটী গঠন কৰি এই বিষয়ে অনুসন্ধান কৰাব লাগে। বানত যথেষ্ট ক্ষতি হৈছে সেইটো আমি স্বীকাৰ কৰিছোঁ। ৯৮ কৌটি টকাৰ শষ্য ক্ষতি হৈছে। ঘৰবাৰী ইয়াত বাদেই দিছোঁ। ইমান ক্ষতিৰ তুলনাত ৩২ কৌটি টকাৰ কমপেনছেচন একেবাৰেই নয়হ। কিন্তু চৰকাৰে এই যি সাহায্যৰ হিচাব দেখুৱাইছে সেইটো আচলতে ৰাইজে পাইছে নে নাই সেইটো চাবৰ কাৰনেই সৰ্ব্বদলীয় দল গঠনৰ কথা কৈছোঁ। এই কমিটীয়ে বিধান সভাৰ পৰৱৰ্ত্তী অধিবেশনত তাৰ ৰিপৰ্ট দিব লাগিব।

এই কিতাপ খনৰ পৰাই অসমৰ প্ৰশাসনীয় ব্যৱস্থা যে কিমান ব্যৰ্থ হৈছে সেইটো অনুমান কৰিব পাৰি। ইয়াৰ টেবুল ২ ত এটা বিৰাট কোটি টকাৰ হিচাপ দেখুৱা হৈছে। আচলতে বানপানী হৈছিল অক্টোবৰ মাহত ৯-১০ তাৰিখে কিন্তু দুমাহ পিচত হিচাপ দেখুৱাই দিছে আৰু এটা নোট দিয়া হৈছে তাৰ ঠিক তলতে These figures are Subject to takes revision as more detail reports from the Dristicts are Coming. তাৰ মানে আজি দুমাহৰ পিচত।

শ্ৰীজগনাথ শৰ্মা :— A point of order, Sir, উপাধ্যক্ষ মহোদয়, এই কিতাপখন প্ৰিণ্ট কৰিছে অক্টোবৰ মাহত।

শ্ৰী মোক্তাৰ হুচেইন :— ইয়াত খৰছ ৩২ কোটি টকাৰ হিচাপ দিয়া হৈছে। হয়তো এই কিতাপ প্ৰিণ্ট হোৱালৈকে তাৰ ৰিপৰ্ট পোৱা নাছিল। পিছত হিচাপ মিলাই দিছে। তাৰোপৰি ইউটেন চিলচ দিয়া হোৱা নাই, সেই বিষয়ে আমাৰ যদি সেইটোৱেই তেন্তে টকা কেনেকৈ খৰছ হৈছে। কন্টিঞ্জেন্স ছাওত টকা দিয়াত আমাৰ আপত্তি নাই কিন্তু এই টকাৰ যাতে সদব্যৱহাৰ হয় তাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলোঁ।

অকৌ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা বুলি ডিচক্ৰিমিনেচন কৰা হৈছে বুলি ৰাইজৰ কিছু অভিযোগ শুনিছোঁ। সাহায্যৰ ক্ষেত্ৰতো যদি ৰাজনৈতিক ভাবে এই ডিচ্‌ক্ৰিমিনেচন্ কৰা হৈছে তেনেহলে এইটো আমাৰ কাৰণে এইটো অতিকৈ দুৰ্ভাগ্যজনক হব। গতিকে ইয়াৰ এটা বিতং অনুসন্ধান ৰাজনৈতিক ভাবে সৰ্ব্বদলীয় কমিটীৰ দ্বাৰা হব লাগে। এই বিলখন সমৰ্থন কৰিম নে বিৰোধীতা কৰিম সেই বিষয়ে সেই কমিটীয়ে সিদ্ধান্ত দিয়াৰ পিছতহে সিদ্ধান্ত লম। এইখিনিকে মই সদনত দাঙি ধৰিলোঁ।

Shri A. F. Golam Osmani : Mr' Dy. Speaker, Sir, this is a very important matter because the consequences will be far reaching. Generally there is always this type of allegation in matters of public distribution that funds are being misappropriated. To avoid embarrassment to the Members of the Treasury Bench we always use pounce upon the poor officers who are not present in the House.

As has been a charged by Hon'ble Member Shri Hemen Das here the Government faces the responsibility and it is the specific responsibility of the Minister concerned to explain this type of discripency. There is clear allegation from these side of the House that there were discriminations and Hon'ble member Shri Altaf Hussain Mazumdar has said that discrimination has been made in between Barak valley and Brahmaputra valley. Because he comes from that region he felt it acutely. — But it has come to our knowledge that there are discripaneies and discriminations in this valley itself. During our visit to Hojai area, it was brought to our notice that rice was distributed, per head, not @ 1 kg. but 200 gms. Now, the Treasury Bench might Say, these are mere allegations. Some Members said they have got to personal infromation and it was pointed out to the District administration there and their plea was that they had not sufficient stock in their hand to give more. From this floor of the House we have come to learn for the first time that the quantum of distribution per head was 1 kg. This type of allegations are there. Hon'ble Member Shri Sahidul Islam said that some people await eagerly for annual flood so that occasion may again arise for them to make gains.

But perhaps the earlier Government, due to their experience and expertise in this matter, atleast were in a position to prepare papers in such matters more intalligently. Unless some specific allegations were made, it was very difficult to get hold of them. Sir, this is a Government of youth blood. People in India welcomed atleast this aspect of the

Government — that it is a new type of Government being run by youths having ideals. But perhaps, at that time one thing was not considered that simply youthful blood will not be sufficient to run the Government in a very smooth manner. These were being observed by this House also. Obviously, Ministers were not in a position to control their offices. Is it necessary that one should be a member of this House to gain expirence? There are political workers who are associated with the problems of people. Now, some Hon'ble Member wanted to justify about the spending of amount to the tune of Rs. 13, 23, 000, 00/— on the ground that it was perhaps a estimated expenditure but not actually shown as an actual expenditure. Till now no member has been able to clarify the actual position. Did people get it? Now, sir, figure of the affected people have been given in another chart. Whatever they might say here, but people who are affected by the flood necessarily know whether thay have got it or not and those who are not affected by flood— they are also interested to know whether these materials was distributed in the manner shown in the chart. There is scope of criticism. Vigilant Press of Assam has already taken up this issue. Sir, this is the House where important issues are debated. Two mischieves are coming out of this type of home work. Was it done to satisfy the Central Government hurriedly to get hold of the relief money. Table 3, sir, shows that a demand has been made of Rs. 338, 66, 75, 000/—. Whether the Assam Government is aware of it or not, at the Central level, in the Union Agriculture Ministry— they

have commented that the figure is too high. Assam is not lone case, West Bengal has also demanded for 11 districts Rs. 339 crores. Now, if it an exercise to get more money, whether it was realistic or in out of proportion. Sir, Government is not spending this money from its own coffers. This money is coming from centre as relief. Already Centre has given on account of draught Rs. 7, 40, 00, 000/—. I know very many places where the process has not been started at all for giving draught relief. There is an example. Atleast in my constituency the Block Development Officers or SDOs has not completed this process. When the draught relief will reach the people ? This is a very serious matter. This Government is losing credibility from the public. There will be great doubt in the minds of the people of Assam that this Government is also functioning like thc previous Government. But in the case of the previous Government, they knew how to dress up thire failings. If this debate is recorded and referred to the Central Government what will they think ? Centre itself will enquire into this. These things should be seriously examined and this type of free flow of money will not be there in future. Suppose, Centre has already given Rs. 12 crores. You have incurred an expenditure of Rs. 32, 10, 00, 0000—. Now, there is a difference of Rs. 20 crores to be given by the centre and the question of utilisation has already been raised in this House. If the Centre refuses to release any further use from which head you are going to adjust this enormous sum of Rs. 20 crores ? The consequences will be that the development works will suffer. So, sir, Go-

vernment should be very clear about this. It is a new Government. People expected that it will creat a good impression. Therefor, a proper enquiry by this House is necessary. Government did attempt to give relief but due to administrative lapses this could not be done and there was the House to examine this type of mischieves.

Sir, about discrimination, I again request the Government not to go like this. In DRDA and other projects, serious allegations are coming to us with regard to distribution of money. Discrimination is made between the constituencies and even between the blocks. Sir, we have got every right to approach the Union Government as to how DRDA and NREP money are being spent in the State ? If there is any ground discrimination, the State will ultimately suffer and we will suffer too. So on that account of discrimination, I again remind the Chief Minister about his bold statement as an idealist after taking office that henceforth everybody would be treated equally and everybody would be given their due shares. I request the Government through you that this matter may be throughly enquired into. It is not the invention of Shri Hemen Das that no utensils were given and practically no clothes were distributed. It has to be proved to the satisfaction of the House and to the people of Assam at large that money was utilised for the purpose for which the Centre has given. If this is not so, then the final authority or the giver of this money will have to be approached to institute a full-dress enquiry so that the money meant for flood relief are not squandered. Now, the people say the flood is the annual misery of

Assam. It appears, the flood is becoming an annual joy to a section of the people in the Government and officers who associate with relief programme.

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক এটা কথা স্পষ্টিকৰণ দিব খুজিছো। তেখেতে অভিজ্ঞতাৰ বিষয়ে কৈছে যে অভিজ্ঞতা লাগে। কংগ্ৰেছ চৰকাৰতো অভিজ্ঞ মানুহ আছিল। কিন্তু কংগ্ৰেছ চৰকাৰৰ পতন ঘটিল। ঠিক তেনেদৰে জনতা চৰকাৰৰো অভিজ্ঞ লোক আছিল তেওঁলোকৰ দ্বাৰাই চৰকাৰ গঠন হৈছিল। এই অভিজ্ঞ লোক সকলৰ দ্বাৰাই চৰকাৰ গঠন হৈছিল আৰু পতনো হৈছিল। তাৰমানে তেওঁলোক সফল হোৱা নাছিল। অভিজ্ঞতাৰ উদেশ্যটো সফল হব লাগিব। বাকী ফাউণ্ডামেণ্টেল ৰুলৰ কথা চি, এম, এ কব।

দেখা যায় যে যি সকলে চৰকাৰ চলাইছে তেওঁলোকে নিয়ন্ত্ৰণ কৰিছে। তেখেতে যিহেতু নিজেই মন্ত্ৰী আছিল এই কথা জানে। অফিচৰ নিয়ম নীতি আৰু কৰ্ম্মচাৰী সকল চৰকাৰৰ অবিচ্ছেদ্য অঙ্গ। আমিওঁ বেলেগ নহয়। তেখেত সকলক চৰকাৰে এৰিব নোৱাৰে। চৰকাৰ গঠন কৰিলে বিষয়া সকলক এৰি দিব নোৱাৰে আৰু বিষয়া সকলেও বিষয়া সকলক এৰি দিব নোৱাৰে। বিষয়া সকলক লৈয়ে চৰকাৰে কাম কৰিব লাগিব। বয়স হলেও নহব। কম বয়সীয়া সকলৰো অভিজ্ঞতা থাকিব পাৰে। এইখিনিতে মই মেগাজিনত এটা কথা পাইছিলো তাক আপোনালোকৰ আগত ব্যক্ত কৰিব খুজিছো। কথাটো এইযে আমেৰিকাৰ এজন ১৩ বছৰীয়া লৰা নে ছোৱালীয়ে এম, এ মেথমেথিকচৰ পৰীক্ষা দি ১ নম্বৰত পাছ কৰিলে। ইউনিভাৰচিটি হোষ্টেলত তাইক যেতিয়া অকলে থাকিবলৈ দিয়া হৈছিল, তেতিয়া তাই ভয় কৰা বুলি আপত্তি কৰিছিল। আৰু কৈছিল যে মোৰ লগত মা আৰু দেউতাকো থাকিবলৈ এটা কোঠা দিব লাগে। গতিকে দেখা যায় যে বেলেগ বেলেগ অভিজ্ঞৰ মানুহ আছে। বয়স কম হালও কম বয়সৰ মানুহেও অভিজ্ঞতা আয়ত্ব কৰি লব পাৰে ধন্যবাদ্।

মাননীয় উপাধ্যক্ষ মহোদয় :— এতিয়া মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে কব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুঃ মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যখনত আকস্মিক বানপানী হোৱা কাৰণে আৰু বানপানীত ক্ষতিগ্ৰস্ত হোৱা

লোক সকলৰ সাহায্যৰ বাবে ৰাজ্য চৰকাৰে অতিৰিক্ত টকা খৰচ কৰিব লগা হয় আৰু সেয়েহে অসমৰ মাননীয় ৰাজ্য পালে ভাৰতীয় সংবিধানৰ ২১৩ (১) ধাৰা অনুসৰি যোৱা ১০ নবেম্বৰ ১৯৮৬ ইংৰাজীত এখন অধ্যাদেশ যোগে একত্ৰীকৃত নিধিৰ পৰা ২৫ কোটি টকা সম্ভব্য নিধিলৈ সাময়িক ভাৱে নিবলৈ আদেশ জাৰি কৰে। যেতিয়া এনেকুৱা আকস্মিক ভাবে খৰচ কৰিব লগা হয় আৰু বাজেটৰ শিতানত একত্ৰীকৃত নিধিৰ পৰা তেনে কোনো ধন উপযুক্ত ভাবে ধাৰ্য্য কৰা নেথাকে আৰু জৰুৰী অৱস্থাৰ কাৰণে পৰিপূৰক মঞ্জুৰীৰ বাবে সদনৰ অনুমোদনৰ কাৰণে অপেক্ষা কৰা সম্ভাৱ্য নহয় তেনে অৱস্থাত সদনৰ অনুমোদনৰ সাপেক্ষে সম্ভাব্য নিধিৰ পৰা অগ্ৰিম ধন লোৱা হয়।

এনেকুৱা সম্ভাব্য ব্যয়ৰ বাবে চৰকাৰে ভাৰতীয় সংবিধানৰ ২৬৭ (২) ধাৰা অনুসৰি এখন সম্ভাব্যনিধি গঠন কৰিব পাৰে। সেই অনুসৰি অসম সম্ভাব্য নিধি বিধেয়েক ১৯৫০ যোগেদি ৩৫ লাখ টকাৰ এটা সম্ভাব্য নিধি স্থাপিত হয়। তাৰ পাছত এই নিধিৰ স্থায়ী ধন বাঢ়ি বাঢ়ি গৈ আজি ১৫ (পোন্ধৰ) কোটি টকা পাইছেহি।

চলিত বিত্তীয় বছৰৰ আৰম্ভনিতে ১—৪—৮৬ তাৰিখৰ দিনা সম্ভাব্য-নিধিৰ স্থায়ী ধানৰ ১৫ কোটি টকাৰ পৰা লোৱা আগধন আছিল ২.৫০ কোটি টকা। সদনে অনুমোদন দিয়াৰ পাছতহে অগ্ৰিম হিচাপে দিয়া আগ-ধন সম্ভাব্য নিধিলৈ আকৌ ঘূৰি আহিব। সেয়েহে বৰ্ত্তমান বিত্তীয় বছৰৰ আৰম্ভণিতে সম্ভাব্য নিধিত উদ্ধৃত আছিল ১২.৫০ কোটি টকা। চলিত বিত্তীয় বছৰৰ ভিতৰতে আৰু আনুমানিক ১০ কোটি টকা জৰুৰীকালীন অৱশ্যম্ভাবী খৰচৰ কাৰণে অগ্ৰিম দিয়া হৈছিল যিহেতু সেই ব্যয়খিনিৰ কাৰণে বাজেটৰ শিতানত সেই পৰিমাণ ধন ধাৰ্য্য কৰা নাছিল। তাৰ কাৰণে সম্ভাব্য নিধিৰ উদ্ধৃত ধন ২.৫০ কোটি টকালৈ নামি আহিল।

প্ৰাকৃতিক দুৰ্যোগ, বানপানীত হোৱা ক্ষতিগ্ৰস্ত মানুহৰ সাহায্যৰ বাবে অষ্টম বিত্তীয় আয়োগৰ নিৰ্দ্দেশক্ৰমে সাধৰণভাৱে সীমানুপুবক ধন হিচাপে ৭.২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। চলিত বছৰত অভূতপূৰ্ব্ব খৰাং আৰু বানপানীৰ কাৰণে সাধাৰণভাৱে ধাৰ্য্য কৰা বাৰ্ষিক ধন ৭.২৫ কোটি টকা যথেষ্ট নহয় বুলি গন্য কৰা হৈছে।

যিহেতু সম্ভাব্য নিধিৰ উদ্ধৃত ধন নগন্য আছিল (২.৫০ কোটি) সেয়েহে

১০-১১-৮৬ ইংৰাজী তাৰিখত এখন অধ্যাদেশ যোগে সাম্ভাব্য নিধিৰ ধন আৰু ২৫ কোটি টকা সাময়িক ভাৱে বঢ়াই দিয়া হ'ল। সেয়েহে সম্ভাব্য নিধিৰ ধনৰ সীমা এই বিত্তীয় বছৰৰ অৱশিষ্ট কালচোৱাত ৪০ কোটি টকা হ'লগৈ। (স্থায়ী ১৫ কোটি আৰু সাময়িক অস্থায়ী ২৫ কোটি টকা)। বৰ্ত্তমান বিধেয়ক খন অৰ্থাৎ অসম সম্ভাব্য নিধি (সংশোধনী) বিধেয়ক ১৯৮৬ চনৰ আগতে জাৰি কৰা অধ্যাদেশখন সলনি কৰাৰ কাৰণে সদনৰ বিবেচনাৰ কাৰণে পেচ কৰা হ'ল। অহা বিত্তীয় বছৰৰ ১-৪-৮৭ চনৰ পৰা এই সম্ভাব্য নিধি ধনৰ পৰিমাণ আকৌ ১৫ কোটিলৈ নামি আহিব।

এতিয়া প্ৰাকৃতিক দুৰ্যোগত পৰা মানুহক বচাবৰ কাৰণে চৰকাৰে কাম কৰিব লাগিব। ইয়াত কংগ্ৰেছ আই, এ,জি,পি চি,পি,এম, জনতা আদি বুলি কাকো বাছিব নেলাগিব। অসমত বানপ্ৰীড়িত সকলো অঞ্চলতে বান প্ৰীড়িত বাইজক সাহায্য দিবলৈ দি, চিক আদেশ দিয়া হৈছে। সকলোৱে যাতে সমভাবে পায় তাৰ বাবে চকু দিবলৈ কোৱা হৈছে। যি কোনো মানুহে যাতে ৰিলিফৰ কাৰণে চাফাৰ কৰিব লগা নহয় তাৰ বাবে সকলোকে কোৱা হৈছে। মই আগেয়ে অকল মূখ্যমন্ত্ৰী হিচাবেই যে ভ্ৰমণ কৰিছো এনে নহয়, এই ৰিলিফৰ কাৰণে মন্ত্ৰী সকলেও ভ্ৰমণ কৰিছে। কাছাৰতো ৰিলিফ দিয়া হৈছে, তাতো সকলোৱে ৰিলিফ পোৱা বুলি স্বীকাৰ কৰিছে। গতিকে এইটো এটা ভাল কাম হোৱা বুলি সকলোৱে স্বীকাৰ কৰিছে আৰু সকলোৱে স্বীকাৰ কৰিব লাগে। কাছাৰত যে বেলেগ দৃষ্টিভঙ্গীৰে চোৱা হৈছে আৰু বৰাক উপত্যকাত যে আন বেলেগ দৃষ্টিৰে চোৱা হৈছে সেইটো সচা নহয়। এইটো এটা বেলেগ কৌশল হিচাবে ৰাজনৈতিক স্বাৰ্থ বুলি লব নেলাগে। খৰাং প্ৰীড়িত অঞ্চলতো দৃষ্টি ভঙ্গী লোৱা হৈছে। তেওঁলোককো তাৰ বাবে সাহায্য দিয়া হৈছে। কাছাৰৰ মানুহক ৰানপানীৰ কাৰণে যিযান টকা দিয়া হৈছিল, তেওঁলোকে মোক ব্যক্তিগত ভাবে লগ ধৰি পোৱা বুলি কৈছে। কিন্তু যোৱা বছৰ তেওঁলোকৰ মানুহে পোৱা নাছিল। এইবাৰ তেওঁলোকে পাইছে।

মই আশা কৰিছো যে এই ক্ষেত্ৰত আমাৰ সকলো সদস্যই প্ৰশাসনক সহায় কৰিব লাগে। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়া আৰু অন্যান্য সদস্য সকলে শুনা বুলি কৈছে যে কিছুমানে সাহায্য পোৱা নাই। এই টকাৰ বিল দিব পৰা যাব। যিথন ইস্তিমেত ধৰা হৈছে আমাৰ জনসাধা-

ৰণক নিশ্চয় দিব পৰা যাব। কেন্দ্ৰীয় চৰকাৰেও বানপানীৰ সাহায্যৰ কাৰণে ১২.৪০ কোটি টকা দিছে আৰু খৰাং প্ৰপীড়িত অঞ্চলৰ কাৰণে কিমান টকা দিছে। এই গোটেইখিনি টকা খৰছ কৰিবৰ কাৰণে আমি মাননীয় সদস্য সকল বাজেট ধৰিবলৈ সদনলৈ আহিব লাগিব। কৰাপচন হৈছে বোলা কথা সঁচা নহয়। কোনোবাই যদি বেয়া কাম কৰিছে তেখেতসকলক প্ৰশাসনৰ ফালৰ পৰা শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে। বানপানীৰ কাৰণে কেন্দ্ৰীয় চৰকাৰকো কোৱা হৈছে। আপোনালোকে সকলোৱে জানে যে বিচোৰ্হ লিমিটেড্ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি সাহায্য পাওঁ সেইখিনি সাহায্যৰে আমাৰ ৰাজ্যখন আগ বঢ়াই নিবৰ বাবে যথেষ্ট নহয়। আমাৰ জনসাধাৰণৰ যিখিনি বস্তু তেলকে আদি কৰি আছে সেইবিলাকৰ জৰিয়তে আমি ৰাজ্য খনক আগবঢ়াই লৈ যাব পাৰো। আমি বহুখিনি কেন্দ্ৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। তাৰ কাৰণে আমি ব্ৰহ্মপুত্ৰৰ দলং, বান্ধ আদিৰ লগতে বান পানীৰ সমস্যাটোও স্থায়ী সমাধান কৰিব লাগে। সেই সকলো বিলাকে কেন্দ্ৰীয় চৰকাৰক দাবী কৰিব লগীয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, তেলৰ ৰয়েলিটি বঢ়াই দিব লাগে তাৰ কাৰণে কেন্দ্ৰৰ ওচৰত দাবী কৰিবলগীয়া হয়। ব্ৰহ্মপুত্ৰৰ ওপৰত দলং লাগে, বৰাক নদী' দাম্প লাগে, অসমৰ বানপানী সমস্যা সমাধান ইত্যাদি সকলো ক্ষেত্ৰতে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰিব লাগে। আজি বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত যেনে ভাবে আগবাঢ়িব লাগিছিল তেনেধৰণে আগবাঢ়িব পৰা নাই। বৰ্তমান বানপানীৰ ক্ষেত্ৰতেই হওক বা অন্যান্য ক্ষেত্ৰতেই হওক এই যিবিলাক টকা খৰচ কৰা হৈছে সেইবিলাক জনসাধাৰণৰ বাবে হিতৰ বাবে আৰু উন্নয়মূলক কামৰ বাবে খৰছ কৰা হৈছে। আমি বানপানীৰ সময়ত বিভিন্ন লোকক লগ পাইছিলো আৰু তেওঁলোক ৰিলিফ আদি থিকেই পাইছে বুলি আমাক জনাইছে। তাৰ পিছত যিটো অৱস্থা সেই অৱস্থাটো থিক কৰিবৰ কাৰণে ৰবি শষ্যৰ খেতি কৰিবলৈ বিনামূলীয়াকৈ জনসাধৰণক বীজ বিতৰণ কৰা হৈছে। যাতে আমাৰ ৰাজ্য খন সুস্থিৰ অৱস্থালৈ ঘুৰি আহে। অসমত যিমান ধান উৎপাদন হয় সেই ধানমাত্ৰ ৭ মাহহে অসমৰ ৰাইজৰ কাৰণে আতে। অসমত যিমান পৰিমানৰ সৰিয়হ উৎপাদন হয় তাৰে মাত্ৰ তিনিমাহে অসমৰ কাৰণে আতে। থিক তেনে ধৰণে অসমত যিমান আলু উৎপাদন হব লাগে সেইমতে নহয়। মানুহে

আলু খেতি যেনেভাৱে কৰিব লাগে থিক তেনেভাবে কৰা নাই, কেৱল কিছুমান মানুহে চখতহে আলু খেতি কৰে কৰো বুলি নকৰে। এই যি পৰনির্ভৰশীলতা সেইটো আতৰ কৰি চৰকাৰৰ পৰা যিখিনি পাই সেইখিনি লৈ যদি আমাৰ কৃষক সকলে সহায়-সহযোগিতা আগবঢ়াই তেতিয়াহলে আমি উপকৃত হব পাৰিম। মই বিশেষকৈ কব খুজিছো আৰু মই আশা ৰাখিছো আপোনালোক সকলোৱে এইবিলখনত সন্মতি প্রদান কৰিব। মাননীয় সদস্য অর্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই এটা সংশোধনী আগবঢ়াইছে। এই সংশোধনীটোৱে বিলখনৰ কোনো উদ্দেশ্য পূৰণ নকৰে। সেই কাৰণে এই সংশোধনী উঠাই লবলৈ অনুৰোধ জনাইছো আৰু এই বিল খনৰ প্ৰতি মাননীয় সদস্য সকলে সন্মতি প্রদান কৰিব বুলি আশা ৰাখিছো।

Mr. Deputy Speaker— I now put the motion. Thc motion is that the Assam Contingency fund (Amendment) Bill, 1986 be taken into consideration.

The motion is passed.

Now item No. 5 (b). There is an amendment standing name of Shri Ardhendu Dey. After the Chief Minister has given the reply will you withdraw it ?

Shri Ardhendu Dey— Sir, before withdrawing my amendment I would like to have some clarifications because the Chief Minister has said in the House that there is no reason for putting this amendment. But for the information of the House I like to bring some points for clarificatian.

Shri Hamen Das— He has rot moved the amendment. He has to move it first then speak.

মাননীয় উপাধ্যক্ষ মহোদয়ঃ আপুনি মোভ কৰিব নে নকৰে ?

Shri Ardhendu Dey— Sir, I like to move that the words " as advance " may be inserted between the words 'paid' and 'from' occurring at the end of line fourth and in the beginning of like fifth respectively in the proviso.

Sir, in support of my amendment I like to say that in the statement of objects and reasons the Minister-in-charge of the Bill has said "an advance of Rs. 2·5 crores roughly from the Fund remained outstanding at the beginning of the current financial year." For the information of the House I am telling that this f gure is not correct. Government of Assam Annual Financial Statement for the year 1986-87 at page F 47 it is clearly written that advance from the Contingency Fund is only 84·59 lakhs. Now 2·5 crores that was stated in the statement of objects and reasons of this Bill is not correct. Another thing Sir, it is clearly indicated in the Constitution how to withdraw from the Contingeney Fund. In Article 267 (2) it is written "The Legislature of a State may by law establish a Contingency Fund in the nature of an imprest to be entitled" the Contingency Fund of the State" into which shall be paid from time to time such sums as may be determined by such law, and the said Fund shall be placed at the disposal of the Governor of the State to enable advances to be made by him out of such Fund for the purpose of meeting unforeseen expenditure "But here it is stated that further advance of roughly 10 crores have been granted to verious departments. Where is the unforseen expenditure? Where this 10 crores have been expended? And Government has come with this amendment. Here it is written" in order to coupe with the immidiate additional requirements mainly for relief and restoration of flood damages.

Shri Surendra Nath Medhi, Minister, Law— Sir, I have not understood what my learned friend is driving

at. He has moved his amendment that "the words 'as advance' between the words 'paid' and 'from' occurring at the end of line fourth and in the beginning of line fifth respectively in the Proviso." Now he has to justify why this amendment should be made. But he is making submission which are not relevant. He is criticising budgetary provision and other things. How is it relevant ?

Shri Ardhendu Kr. Dey : Sir, about the amount of Rs. 10·00 crores there is no clear statement, where it is expended, where there is any ordinance, or whether the consent of the House has been taken for expenditure of this Rs. 10·00 crores. Sir, in the consolidated fund this Rs. 24 crores have been taken, but why in the last Budget Session in the Natural Calamity, fund was not increased. In the previous year 1985-86 it was demanded by the previous Government. An amount of Rs. 14·00 crores and 38 lakhs and something, in 1986-87 it was demanded an amonnt of Rs. 7 crores and 25 lakhs. Sir, in this House, one Member from the A.G.P. side, Mr. Mati Das, was raising a question for restoration of the demaged roads. Then the Relief Minister replied that there is no scope for restoration of these roads. Sir, we have objection in this,—that the bills should not be passed as it is. But we have got only objection here if the Constitution is violated, why we are here in this House. The way this amount has been spent has violated the provision of the Constitution. This is my submission.

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পইণ্ট অব ক্লাৰিফিকেশ্যন, ১০ কোটি টকা খৰচ কৰি সংবিধান উলঙ্ঘা কৰা বুলি কৈছে। এতিয়া সংবিধানৰ কোনটো অনুচ্ছেদ ভঙ্গ কৰিছে সেইটো বুজাই দিব লাগে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখন উত্থাপন কৰোতে ইয়াৰ আগতে কন্টিজেন্সী ফাণ্ডৰ পইচা খৰচ কৰি আইন ভঙ্গ কৰা নাই। চলিত বছৰত এনেকুৱা সাম্ভাব্য ব্যয় চৰকাৰে ভাৰতীয় সংবিধানৰ ২৬৭ (২) ধাৰা অনুসৰি এখন সাম্ভাব্য নীধি গঠন কৰিব পাৰে সেই অনুসৰি অসম সম্ভাব্য নিধি বিধেয়ক ১৯৫০ৰ যোগেদি ৩৫ লাখ টকাৰ এটা সাম্ভাব্য নীতি ( উপনিৰ্ম্মিত পুঁজী ) স্থাপিত হয়। তাৰ পিছত এই নীধি ধন বাঢ়ি বাঢ়ি গৈ আজি ১৫ কোটি টকা পাইছেহি। এই খন প্ৰচলিত আইনমতেহে কৰা হব আৰু ই ভাৰতীয় আইনৰ কোনো প্ৰচলিত নিয়ম ভঙ্গ কৰা নাই। সেয়েহে মাননীয় সদস্য গৰাকীক সংশোধনী প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনাইছো।

Shri Ardhendu Kr. Dey : Yes, Sir, Article 267 of the Constitution of India has been violated. So, on my part it is difficult to withdraw the amendment until and unless the Chief Minister admits that it would be regularised under the provision.

Mr. Dy. Speaker : Now, I put the amendment to vote. The question is that " In Clause 2 insert the words "as advance" between the words "paid" and "from" occcuring at the end of line fourth and in the begginning of line fifth respectively in the proviso ". Those who are in favour say 'Ayes', those who are against say 'Noes'. 'Noes' have it, 'Noes', have it, 'Noes', have it. The amendment is passed.

There is no amendment in Clause 3 of the Bill. Clause 3 do form part of the Bill. Those who are in favour say 'Ayes', those who are against say ' Noes '. 'Ayes' have it, 'Ayes' have it, 'Ayes' have it. Clause 3 do stand part of the Bill.

Now I put clause 1, Preamble' enacting formula and Short title do form part of the Bill. Those who are in

favour say 'Ayes', those who are against say 'Noes': 'Ayes' have it, 'Ayes' have it, 'Ayes' have it. Clause 1, Preamble, Enacting Formula and Short title form part of the bill. Now, item 5 (c), – Chief Minister.

Shri Prafulla Kr. Mahanta, Chief Minister : Sir, I beg to move that Assam Contingency Bill, 1986 be passed.

শ্ৰীগোলোক ৰাজবংশী : মাননীয় উপাধ্যক্ষ মহোদয়, এই যিখন বিল ইয়াত উত্থাপন কৰা হৈছে, এই বিলখনৰ দিটেইলচলৈ মই নাযাও আৰু ইয়াত খৰচ ভালকৈ কৰিছে নে নাই মাননীয় সদস্যসকলৰ বহুতেই সেই বিষয়ে কৈ গৈছে। কিন্তু আমি আমাৰ কৰ্ত্তব্যত ফেইল কৰা হব যদি এই যি ফাইনেন্সিয়েল চিচটেমত টকা-পইচা খৰচ হৈছে সেই বিষয়ে আলোচনা নকৰো। কনটিজেন্সী ফাণ্ডটো এটা দেখা নোপোৱা খৰচ। সেই কাৰণেই ১৯৫০ চনত এই কন্টিজেন্সী ফাণ্ডৰ পৰিমান ৩৫ লাখ টকাৰ পৰা বাঢ়ি বাঢ়ি গৈ এতিয়া ১৫ কোটি টকা হৈছেগৈ। বিধান সভাত আজি যি চৰকাৰেই নাথাকক কিয় সেই ধন কেনেকৈ খৰচ কৰিব সেইমতে আঁচনি ডাঙি ধৰিব। আৰু সেই মতে তেখেত সকলে বাজেট দাখিল কৰে আৰু বিধান সভাত সেইমতে চৰকাৰক খৰচ কৰিবলৈ দিয়ে। কিন্তু এই খৰচটো হ'ল বিধান সভালৈ চৰকাৰে ননাকৈ খৰচ কৰা টকা। আৰু ইযাত দেখুৱা হৈছে অহা ৩১ মাৰ্চৰ ভিতৰত এই টকাতো খৰচ কৰা হব। গতিকে আমি যেতিয়া তহবিল কৰো তেতিয়া বিভিন্ন হিচাবৰ খৰচ দেখুৱাই সৰু-সুৰা শিতানৰ কাৰণে আৰু অন্যান্য কাম-কাজৰ কাৰণে কম সংখ্যক টকা ৰাখো। কন্টি-জেন্সী ফাণ্ডটো থিক তেনে ধৰণৰেই। ইয়াত এতিয়া দেখুৱা হৈছে ইয়াত অৰিজেনেলি যি ১৫ কোটি টকা আছিল তাতকৈ দুগুণ হোৱাকৈ বিধান সভাত মঞ্জুৰী কৰিবলৈ লোৱা হৈছে। আমি এই বছৰত ক'ত কেনেকৈ খৰচ কৰিবলৈ ধৰি লৈছো মাননীয় সদস্য হেমেস দাস ডাঙৰীয়াই উল্লেখ কৰিছে যে এই ১৫ কোটি টকা কববাৰ পৰা আনিব লাগিব। নিশ্চয় উন্নয়নমূলক কামৰ পৰা কাটিব লাগিব। বিভিন্ন কাম কৰিম বুলি লিষ্ট নিয়া হৈয়েই আছে যেনে স্কুলৰ লিষ্ট, হস্পিতালৰ লিষ্ট, ৰাস্তাৰ লিষ্ট ইত্যাদি। নিশ্চয় তাৰ পৰা জানো কাটিব লাগিব। মই সেই কাৰণেই কৈছো আমি যি বাজেট কৰো তেতিয়া ভৱিষ্যতৰ সম্ভাৱনীয় বিষয়ত খৰচ কৰিব পৰাকৈ

কন্টিজেন্সী ফাণ্ডৰ ব্যৱস্থা কৰো। সেইকাৰণেই মই কব বিচাৰিছো যে বিপদ আমাৰ নহয়, বিপদৰ গৰাকী সেই সকল যিসকলে ঢেৰ প্ৰতিশ্ৰুতি দি থৈছে। সেইকাৰণেই এই বিলখন এনেভাবে অহাৰ কাৰণে অসন্তুষ্টি প্ৰকাশ কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয় : এতিয়া মূখ্যমন্ত্ৰীয়ে কব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, যেতিয়া জৰুৰী সমস্যাৰ উদ্ভৱ হয় প্ৰাকৃতিক দুৰ্য্যোগত তেতিয়া কন্টিজেন্চি ফাণ্ডৰ পৰা টকা খৰচ কৰা হয়। এইটো নিয়ম সদনত সকলো সদস্যই ইতিমধ্যে মানি লৈছে। পিছত সদনৰ আগত এইটো অনুমোদনৰ কাৰণে সদনৰ আগত দাঙি ধৰা হয় আৰু দাঙি ধৰা হৈছেও। কন্টিজেন্চি ফাণ্ডত যি টকা আছে এই টকাটোৰ পৰিস্থিতি কম হোৱা বুলি উল্লেখ কৰা হৈছে। এইটো চৰকাৰে বিবেচনা কৰি আছে। মই আশা কৰিছো যাতে পৰিস্থিতি মোকাবিলা কৰিবৰ কাৰণে যি অনুদান খৰছ কৰিবলগা হয় তাৰ কাৰণে এই বিলখন উত্থাপন কৰা হৈছে। এই বিলখনক আপোনালোকে অনুমোদন কৰিব বুলি আশা ৰাখিছো। ধন্যবাদ।

Mr. Deputy Speaker : The motion is that Assam Centingency Fund ( Amendment ) Bill. 1986 be passed. The motion is passed. The Bill is passed.

Shri Silvius Condpan : Mr. Deputy Speaker Sir. I beg to raise a discussion under Rule 50 of the Rules of procedure and conduct of Business in Assam Legislative Assembly on a matter relating to the loss and damages of crops. animals and dwelling houses suffered by the people due to the recent flood and preceded by long spell of drought in the State. Mr. Deputy Speaker Sir much has been discussed in the previous items regrding this very subject matter. I do not like to deal with the point regarding giving relief to the flood affected drought affected people because on that item much has been discussed. Now. Sir. my aim is to bring this discussion here in this august House is that in the post

flood period and in the post drought period, the amount of hardship the agriculturists have faced and what should be done. This is the crux of the point for which I have brought this matter for discussion. Today the farmers have lost their crops. In some areas of Assam the farmers could not grow crops because of drought. Now they are attacked by nature in two forms— one by flood and the other by drought. Now in between these two periods, whatever crops will be harvested by the farmers is likely to be demaged by the wild elephants. The other day we had a discussion on how much miseries the wild elephants are causing now. The drought and at the fag end of the season flood came. Which is followed by menace created by wild elephants. Sir, the poor farmers cannot escape from this situation within their limited means, they can not protect the crops and their houses and they will be made to suffer from the condition of famine and this is the earliest opportunity we the members of the House should discuss and convince the Government to give top priority in supplementing the losses of cattle, losses of crops and demages of houses by the nature. Sir, during the time of flood, the Government had been given its best to give relief to the affected people. Now, flood is no more there but the hang over of the flood is there. This is the time when the Government is to come to rescue them, remedial measure has to be taken so that by the next crop season people will not suffer. Today, you are aware of the fact that, the people expected to raise crops with meriment but their hopes are belied. In the field there is on crop.

The field became fallow. The families are expecting to manage their family affairs, but they cannot because of their limited resource. So, the Government will have to help them. Houses have been demaged by the wild elephants, they have nothing to support their livelihood, they have nothing to spend. Sir, I happened to visit Bokakhat area and also Golaghat area. I find the wild elephants came to damage the huts of the labourers and daily wage earners. Even a child was killed. The other day it was complained that no Government measure has been taken, no body has gone there to give them relief. Sir, I would request the Government and its concerning departments to see to these things because the people are coming out of their houses taking shelter elsewhere. They have no means to meet their needs. Besides, daily wage labourers are there, who are badly affected. So, Sir, today it is our duty, the members of the House to convince this Government to comeforward for their rescue, to give due relief to the flood affected people, because it is their responsibility. Sir, while assessing the loss and demages of crops and animals, the Government machinery have not properly done it. I do not say, they were emotionally guided or politically guided, in whatever way there was no proper assessment of damages of crops and animals. As a matter of fact, I would like to bring this for information that in the previous year Darrang was affected by flood and this year by drought. But under DRDA only Rs. 10 lakhs was given for meeting the situation and today what is happening Sir, 70 p. c. of the total allocation was spent in a particular constituency.

I do not say, there are political biasness or there is sectarian feelings but this is happening. Sir, in Majbat area of my constituency, the people are awefully affected by drought and is the assessment is Rs. 98, 000/— is to be given to them as drought relief. Sir, Majbat Constituency has got six Gaon Panchayats and their assessment for giving them drought relief is 98, 000/— under DRDA. So, I do not know why this kind of discrimination is going on in assessing the losses and damages. Hon'ble Chief Minister has stated that relief should be above political consideration, human suffering, should be above everything. I do want to accuse but I would like to bring the situation for the information of the Hon'ble Chief Minister. I am very grateful to the Hon'ble Chief Minister for the stand he was taken that human sufferings should not be connected with comunalism or secterianism; But this is the position at present. Sir, this is the only instance I am citing but this must have happened in almost all the areas of the State. While at the time of distribution of flood relief my friends have already spoken, what is happening at the time of assessment of giving relief. Even the assessment is wrong. If in the Government machinery extra constitutional authorities are allowed to play, the Government machinery will not function. I would, therefore, request the Chief Minister to see that extra constitutional authorities are not prevailed upon the administration. This is a situation I am telling from my experience. Sir, crops will be grown by the farmers in spite of the hardships caused by the natural calamities, but Government must see that these farmers

at least get the support price. Government also should see, specialy the Department of Supply that because of the situation the price rise will not take place, the anti-social elements, the profiteers are not allowed to take advantage at the cost of the sufferings of the poor people. Sir, with these submissions I conclude.

Discussion Under Rule 50

মাননীয় অধ্যক্ষ :— এতিয়া আমাৰ মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰাই তেখেতৰ বক্তব্য ৰাখিব ।

শ্ৰী দেবেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিছালনা নিয়ামাৱলীৰ ৫০ নং নিয়মৰ অধিনত "the loss and damages of Crops, animals and dwelling Houses suffered by the people due to the recent flood and preceded by long Spell of drought in the state." এই বিষয়টিৰ সম্পৰ্কত আলোচনা কৰিবৰ কাৰণে প্ৰস্তাৱ আগবঢ়াইছে । কিন্তু বাস্তৱত যি দেখা পাইছো যে, আগতে উংথাপন কৰা প্ৰস্তাৱটোৰ লগত এই প্ৰস্তাৱটোৰ বিষয়বস্তুৰ লগত সিদ্ধান্ত সিতানৰ মিল নাই । সি যিয়েই নহওঁক, মাননীয় অধ্যক্ষ মহোদয়, যোৱা অক্টোবৰ মাহত অসমত হোৱা অভূতপূৰ্ব প্ৰায়ংকাৰী বানপানী যে যি ধ্বংশলীলাৰ সৃষ্টি কৰিলে এইটো ইতিমধ্যেই প্ৰকাশ পাইছে। কিন্তু এটা কথা মন কৰিবলগীয়া যে, অনান্য ৰাজ্যত বানপানী হলে যেনেকৈ কেন্দ্ৰীয় নেতৃবৃন্দ তৎপৰ হৈ পৰে আৰু সেই বিলাক অঞ্চল পৰিদৰ্শন কৰাকে ধৰি কি কি ব্যৱস্থা গ্ৰহণ কৰিব সেই বিলাকত তৎপৰ হৈ পৰে, অসমৰ বেলিকা হলে সেইটো সন্তাৰ প্ৰদৰ্শন কৰা আমি দেখাপোৱা নাইকীয়া যাৰ কাৰণে আজি আমি এই বিষয়ত ক্ষেদ প্ৰকাশ কৰি প্ৰস্তাৱ লবলগীয়া অৱস্থা হৈছে । আনকি আজি আমাৰ প্ৰধান মন্ত্ৰীয়েও এই ইচ্ছা প্ৰকাশ নকৰিলে । কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এতিয়া প্ৰধান মন্ত্ৰী আহিম বুলি কৈছে যদিও এইটো চোৰ গলে বুদ্ধি, বৰযুণ গলে জাপিৰ, নিছিনাহে হৈছে । অসমৰ সেই পৰিস্থিতি আমাৰ প্ৰধান মন্ত্ৰীয়ে নিজ চকুৰে দেখা পোৱাহলে, ক্ষয়ক্ষতিৰ হিচাপ দেখুৱাই কেন্দ্ৰীয় কৃষি মন্ত্ৰীৰ ওচৰত সেই ক্ষয়ক্ষতি লাভ কৰিবৰ কাৰণে যি অনুমোদন বিচৰা হৈছে সেইটো পোৱা সুবিধা হলহেতেন ।

কিন্তু তাকে নকৰাৰ কাৰণে আমাৰ ৰাজ্যিক চৰকাৰে বিছৰা মতে হয়তো সেই অনুদান নেপাবও পাৰে। অসমৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৪০০ কোটি টকাৰ অনুদান বিছৰা হৈছে। বিভিন্ন জিলাত কি ক্ষয়ক্ষতি হৈছে সেইটো সেই স্মাৰক-পত্ৰতেই উল্লেখ আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি বৰাক উপত্যকৰ কেইজনমান মাননীয় সদস্যই এই ক্ষেদ প্ৰকাশ কৰিছে যে, 'ৰিলিফ' দিয়াৰ ক্ষেত্ৰত বৰাক উপত্যকাৰ ক্ষেত্ৰত সমতা প্ৰদৰ্শন কৰা নাই । কিন্তু এই কথাটো সেই উপত্যকাৰেই মানীনয় সদস্য ছুই এজনে বিশেষকৈ শ্ৰী জয়প্ৰকাশ টিৱাৰি, মানীনয় সদস্য ই এই কথাটো স্বীকাৰ কৰা নাই আৰু 'ৰিলিফ' দিয়াৰ ক্ষেত্ৰত বৰাক উপত্যককো সমান ভাৱেই চোৱা হৈছে বুলি মত প্ৰকাশ কৰিছে। যোৱা অক্টোবৰ মাহত যি বানপানী হৈছিল সেই বানপানীয়ে আনকি আমাৰ কেই-ৰাজনো মাননীয় বিধায়কৰ ঘৰো নাইকীয়া কৰিছে । কিন্তু ইমান বিলাক হোৱা স্বত্বেও সকলোবিলাক অংশকে গণপৰিষদ চৰকাৰে সমানে চোৱাৰ কাৰণে এই চৰকাৰৰ গুণ কাছাৰ বাসী ৰাইজেও গাবই লাগিব । ইয়াৰ আগতেও গোঘালাট মহকুমাত পোৱা বানপানী হৈছিল কিন্তু সেই সময়ত চৰকাৰে যি খিনি সুবিধা আদি দিব লাগিছিল সেই সুবিধা আগৰ চৰকাৰে দিয়া নাছিল কিন্তু এই চৰকাৰে সেই সাহাৰ্য্য দিবলৈ অকণো কৃপনতা প্ৰদৰ্শন কৰা নাই। কাছমাৰী, চোঙা যান আদি অঞ্চলত হোৱা বানপানীৰ কথা কাকতে পত্ৰেও প্ৰকাশ পাইছে । সেই বিলাক ঠাইৰ দুৰ্গতি ৰাইজৰ সুবিধাৰ কাৰণে চৰকাৰে যি সাহায্য আগবঢ়াইছে তাৰ কাৰণে আমি এই চৰকাৰক ধন্যবাদ জনাবই লাগিব। বান বিদ্ধস্ত ৰাইজৰ পুনৰ সংস্থাপনৰ কাৰণে আৰু নানান বিলাক আচনী যেনে, 'ডি, আৰ, ডি, পি, এন, অৰ, পি' ইত্যাদি বিলাকত উন্নয়ণ মূলক কাম ৰিলাক কাম কৰিবৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে আৰু সেই কাৰণে ৪০০ কোটি টকাৰ অনুদান বিছৰিছে। অকল বানপানীৰ পৰা উদ্ভব হোৱা পৰিস্থিতিৰ জোৰা মাৰিবৰ কাৰনেই নহয় ইয়াৰ লগত বান পানীৰ আগতে হোৱা খৰাং বতৰৰ পৰা উদ্ভৱ হোৱা পৰিস্থিতিৰ জোৰা মাৰিবৰ কাৰণেও ৰিছৰা হৈছে। গতিকে ৰাজ্যখনৰ সৰ্ব্বঙ্গীন উন্নতিৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৪০০ শ কোটি বিচাৰি যি দাবী পস্তাৱ আনিছে তাত সমৰ্থন জনাবলৈ ৰিধান সভাৰ সকলো দলৰে সদস্য সকলক অনুৰোধ জনাই মই মোৰ ৰক্তব্য সামৰণি ৰাৰিছো।

Shri Altaf Hussain Mazumder :— Mr. Speaker, Sir, I first of all thank my colleague Hon'ble Member Shri Silvius Condpan for moving this motion. Sir, this is one of the most gravest problems of Assam and for any Government relief matter of such a calamity is a gigantic problem. Today, damages by bloods and drought have become a gigantic problem. Now, new elements have also come up. Elephants are also damaging, apart from other damages. So, Sir, in a situation like this it has become the primary duty of the Government to render relief immediately to remove the suffering of the people. Sir, the Ministry of Revenue is looking after the rehabilitation of the loss and demages of the people under such situation. Sir, without disrespect to anybody, I may kindly be permitted to give my own assessment of the Revenue Department. Sir, it is not that all the departments are running very bad. Certainly, Sir, certain departments are doing very good. But unfortunately, the Revenue Minister, which is vitally concerned to everybody under such situation— the lowest man on the street and to the poor cultivators- is not responding to the cause of the people. Sir, Revenue Ministry's performance is dismal. Their response is very poor. The Revenue Department lack all alertness which is required for running the department. This is one of the most important and pivotal departments of the Government of Assam but it lacks all the essential qualities that are required to meet such a calamity. Sir, it is true that no State Government can, from its own resources, meet such a gigantic problem without the Central assistance. But for that the Government of

Assam, like other State Governments, should have approached the Central Government in time for assistance. But here we have seen our Government has rssponded much later. Before that the centre came forward with the announcemen of central assistance. The Union Minister for Agriculture Mr. Dhilon came forward with an annoucement that Rs. 12 crores are provided as a primary measure. Sir, this is the fact though it is mentioned by some Hon'ble Members that Central Government is not providing financial assistance. It is not that Central Government is not coming forward. It has been criticised on several cccasions that the Central Government is not sincere and coming forward with requisite help to our State. But, Sir, this is not the fact. Sir, it is no use to blem the Government of India for any failure of ours. Sir, our Government has not made any specific demand. Suddenly they came up and said that Rs. 389 crores would not be enough. Before the Revenue Ministry came forward for help, Government of India made the announcement for financial assistance. Sir, how ineff.cient the department is -it cannot be mentioned. One of the senior off.cers of the Government has told me that the Revenue Ministry has submitted an essay to the central Government instead of showing the specific problem and its specific requirements. Sir, writing an essay is one thing and to submit a memorandum with facts and figures is a different thing. So, Sir, if the memorandum is not prepared with facts and figures— it will never emanate anything. Then, Sir, the Government of India have given money to our poor people for the loss and demages of

crops etc., but the Revenue Department is not distributing the money. We have received lot of complaints and the matters are also brought to the notice of the Government of India for such discrimination. Sir, there are discrimination for distribution of Government of India's money. Sir, it does not sound well. Hon'ble Chief Minister is not in the House. I expect that the Hon'ble Chief Minister hears the debate through the Loud-speaker system and come forward with factual statements to repudiate what I am speaking. I welcome the Hon'ble Chief minister to come forward and repudiate the charges. Well, if you have given the instruction to the D. C., then come forward wiih the facts and figures. If the Deputy Commissioner does not follow the instruction of the Government, then place him under suspension. But, Sir, this is not the fact. For distribution of Government money, there are lot of discrimination. Before I came here on 9th December, I enquired about it from the District Administration in my own district and I came to know that works for distribution could not be started due to shortage of staffs etc. Sir, this is the state of affairs. It is astounding. Therefor, Sir, I expect that Hon'ble Chief Minister will come forward with facts and figures and take the Houee into confidence. This department's performance is dismal. This department is a'thorn' in the neck of the Government. Sir, personally I have got nothing against this department. What I want is that its functioning should be improved. Then, Sir, I raised a very simple question regarding the killing of three persons by the elephant: I wanted to know whether any relief had been provided

to the families. The Hon'ble Forest Minister came up with the reply. Sir, he can make a good humour.

He can make very good humour and he provided the House such an amount of laughter which at times we enjoyed, but what we have expected of him ? we would have been glad if he had said—'I have sent an wireless to know the correct position of what help has been given.' That is administration. Because we are in the opposition—we are not sitting in the Government; we are to point out the lapses in the administration; When we have pointed out that no steps have been taken by Forest Department to protect the life and property of the poor people, the Hon'ble Minister of Forest should have immediately asked his Department to send a wireless message to know what action Forest Department has taken to protect them, because he is sitting in the Government, but unfortunately he has answered in away as if he is helpless, the Government is helpless. Elephants are devastating here and elephants are damaging there, that is the answer he has given. To-day there has been a question as to how much money was spent on wild life protection and what Government have done to protect the life of the people from depredation by wild elephants because they are killing people. What Government should be for the safety of these people ? They shold be serious in the matter. I may take it lightly, but the poor men whose houses have been damaged and whose family members have been killed, this is a most serious matter to them.

Some Hon'ble Members have criticized that the Prime

Minister has not come to visit the flood affected areas in Assam. Perhaps they have not read the newspaper report on the statement made by the Prime Minister in the Parliament. He said 'I wanted to come but then the State's response was negative', Assam Government in their wisdom negatived his coming whereas we were all eagerly expecting that if Prime Minister paid the visit here it would bring us immense help in such a situation. Now it is no use blaming that the Prime Minister did not come to Assam. He wanted to come to Assam at the time of floods.

Our efficient Flood Control Minister who had visited the flood affected areas in our district, he repeatedly said that short term and long term measures must be taken. That is good, but unless right now you give money to the Department to enable it to take preventive measures, again we shall be facing the same situation in the coming season, because from our last experiences we can say unless the Department take steps well ahead we are going to experience same sufferings from floods, against we are going to suffer a colossal loss of life and properties and by spending money afterwards the Government will not be in a position to save the life and property of the people from floods. I appeal to the Government that you should see that some money is made available to the Flood Control Department so that some measures may be taken to avert flood damages next year. There is no other alternative for the State Government than to erect embankments as flood protection measure. For the safety of the people this embankment is essen-

tial. For want of money embankment works have been held up. Let Government think seriously of giving some money to the Flood Control Department so that it can right now start work well ahead of time. With this observation, sir, I appeal to this Government let it not adopt the technique of making an allib of the Central Government not paying serious attention to the flood control measures. Thank you sir.

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য আব্দুল বব লস্কৰ।

Shri Abdul Rob Laskar— Mr. Speaker, Sir, I rise to participate in the discussion relating to "the loss and damages of crops, animals and dwelling houses suffered by people due to the recent floods and preceded by long spell of drought in the State." Sir, due to these calamities in many district within one year sufferings of the people know no bounds and it is no use repeating what many Hon'ble members and prominent members of the House have already spoken. Sir, one thing more than 80% of the people of our State is agriculture. Agriculture is the only source of income and livelihood, and when there is failure of agriculture in our State there is no hope for them and there is no alternative for them but to find out some work to earn money for their living. Due to drought and flood, these people suffered a lot and they are now roaming hither and thither for getting some works. But the question is who will give them work? Who are in a position to give them work? This is a question now. I believe the people of Assam have fallen in such a situation that they are not in a position to give to these poor people any work and they are

loitering and roaming hither and thither for finding some work and earn money for maintaining themselves and their families. In some cases, I have observed, people are to starve as there is no means open to them to earn money. So in a situation like this, I would like to draw the attention of this Government to bring some relief works to these people and do something for these flood affected people. Contractors or businessmen whom they are approaching for work they are not in a position to give them any job.

Now sir, in the last flood what relief was given to the people that has been discussed. The other day, the Hon'ble Revenue Minister while replying to a question said that rice, dal, mustard oil and salt were given to the flood affected people throughout the whole State. In course of the answer the Hon'ble Minister said that those four items were given to the people affected by flood in Barak valley. Sir, while I was visiting the flood affected areas in my constituency people demanded salt and mustard oil and K. oil. I then took up the matter with the D.C. Cachar who gave me the answer— "No, except rice and dal, nothing would be given. That is an order of the Government." On the following day fortunately I could meet the Commissioner, Mr. Kamilla who was there and I submitted a petition demanding mustard oil, K. oil and salt for the flood affected people, but inspite of that, materials have not been given to the people. Now sir, the people who are badly affected, this Government has deprived them of their legitimate claim. Now Sir, we find that the Government is giving answer that we have

supplied these things, though we are very much confirmed about the materials which were given to the people. I can with authority say that except rice and dal nothing was given to our people. Sir, I might say that the statement of the Minister is not correct. I am very much sure that these things were not given. If the Hon'ble Minister has to say that he is right I do not want to blame the Government for non-supplying of these materials to the people but sir, I would like to submit most humbly and respectfully that if this Government is very much sure that these materials were supplied to the people kindly call for a report or make some arrangement for making enquiry taking evidence from the people whether these things were given or not. If these things were not given I think the administration might have misled this Government for this statement. If the district authority committed any mistake, or intentionally deprived the people of getting their legitimate things, then sir, I think some action should be taken against the district administration, otherwise, I think, this will cause a great damage to the image of this Government, and more particularly, the image of our Hon'ble Chief Minister, who has got a very good image to the people of the State belonging to all communities and all quarters. So sir, I would like to suggest to this Government to make an enquiry and to find out the real thing and action should be taken against the administration if the administration is found guilty, otherwise, the doubt which has arisen in the minds of the common people that this Government is maintaining the disparities between the two vallies

of the State will probably be correct and the impression towards this Government will definitely be bad. So sir, I did not make any statement before the public whether the Deputy Commissioner was responsible or the Government itself was responsible. I was waiting for this winter session. Now sir, if any enquiry is not made, definitely we will be in a presumption that this was intentionally done by this Government. Sir, I now like to request this Government to be sympathised for the people those who have been very badly affected by drought and the flood which occured within the very first year of this Government. With these words sir, I conclude.

শ্ৰীভবেন নাৰ্জী : মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ কাৰণে যিটো আলোচনা চলি আছে চৰকাৰ পক্ষৰ পৰা অনা প্ৰস্তাবটো সমৰ্থন কৰি মই দুআষাৰ কব বিছাৰিছো। আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে কৈছে যে বানপানীত যিখিনি ৰিলিফ দিব লাগিছিল সেইখিনি দিয়া নহল। দিয়া হলে ভাল হলহেঁতেন। আমাৰ অসমীয়া মানুহৰ এটা কথা আছে যে যুদ্ধকালীন খিপ্ৰতাৰে তত্‌কালীন ব্যৱস্থা লব লাগে। আৰু এনেকুৱা পৰিস্থিতিত ঠিক সেই তাকেই কৰা হৈছিল। ইয়াতে এটা কথা আছে, যুদ্ধ মানে তাত সদায় চোৰাং চোৱা থাকে। চোৰাংচোৱাই আগতে আহি খবৰ দিয়ে পাকিস্থানৰ লগত যুদ্ধ হব নে চীনাৰ লগত যুদ্ধ হব। কিন্তু ইয়াত এটা কথা আছে বানপানীতো আৰু যুদ্ধ নহয়। বানপানী হলে কেনেকৈ জানিব যে বানপানী হব ? নগাওত বানপানী হৈছে, কামৰূপতো হব পাৰে, দৰঙতো হব পাৰে, সকলো ঠাইতে হব পাৰে। কোকৰাঝাৰ নদীৰ ওপৰত যিখন ব্ৰীজ আছিল বানপানীৰ সময়ত সেই ব্ৰীজৰ ওচৰেৰেও পানী নগল, এমাইল দূৰেৰে পানী বৈ গল। তেতিয়া কংগ্ৰেছ চৰকাৰ আছিল। ইয়াৰ পাচত এটা কথা কওঁ, কালি বিধান সভাত কোনোবাই এ, জি, পি চৰকাৰক কেচুৱা বুলি কৈছে। মই এতিয়া কব খুজিছো মই এই দাঢ়ি চুলি পকা মানুহ জনেই জানো কেচুৱা ? মইও এ, জি, পিৰেই মানুহ। অৱশ্যে আগতে বিধান সভাত নাথাকিলেও ৰাজনীতি পঢ়িছো আৰু ৰাজনীতি কৰিছো। গতিকে দেশত বিপদ

হলে মই তাৰো সকলো দলৰ লোকে শাসক দলক সহায় কৰিব লাগে। বানপানী হৈছে সকলোকে ৰিলিফ দিব লাগে দিছে কোনোবাই পোৱা নাই আবেদন জনাওক পাব। তাৰ পাচতো যদি নাপায় তেতিয়া চৰকাৰ দোষী বুলি কব পাৰিব। কিন্তু মই জনাত কোনেও লিখিত ভাবে একো জনোৱা নাই। মই বানপানীৰ সময়ত এজন মানুহক সুধিছিলো আপোনালোকে বান-পানীৰ সাহার্য্য পাইছে নে ? তেখেতে ক'লে এইবাৰ যিমানখিনি সাহার্য্য পাইছে আন কোনো কালেই পোৱা নাছিলে। অৱশ্যে কথাখিনি মই এজন বিধায়ক বুলি চিনাকি দি সোধা নাছিলো এজন বুঢ়া মানুহ হিচাপেহে সুধি-ছিলো। এতিয়া কথা হৈছে চৰকাৰক সমালোচনা কৰিছে কৰক কিন্তু সমালোচনাখিনি যুক্তিসংগত হব লাগিব। মানুহৰ তিনিটা কাৰণ আছে, বিপদ, বিপদৰ কাৰণ আৰু শত্রু। অৱশ্যে কথা খিনি মোৰ নহয় বুদ্ধদেৱে কোৱা কথা। অসমত বানপানী হয়, কিয় হয়? বৰষুণ হয় কাৰণে এতিয়া বৰষুণ কিয় হয় সেইটো ভগবানৰ ওপৰত বিচাৰ কৰক। মই আগতেই কৈছো যেতিয়ালৈকে নদী নিয়ন্ত্রণ কৰিব নোৱাৰে তেতিয়ালৈকে বানপানী ৰোধ কৰিব নোৱাৰে। নদীবিলাক নিয়ন্ত্রণ কৰিলে খেতিৰ মাটিৰ উর্ব্বৰতা বাঢ়িব। এতিয়া মোৰ সমষ্টিৰ কথালৈ আহো, মোৰ সমষ্টিৰ বৰনদীখন কণ্ট্ৰোল কৰিব পাৰিলে গড়া খহনীয়াৰ পৰাও ৰক্ষা পৰিব আৰু খেতি-বাতিও ভাল হব।

আপোনালোক সকলোৱে সদনত একমত হওঁক যে যাতে আমি নিৰ্ভুল আঁচনি লৈ অসমৰ নদী বিলাক নিয়ন্ত্রণ কৰিব পাৰো। এই নদী বিলাক নিয়ন্ত্রণ কৰিব নোৱাৰিলে দেশৰ সমস্যা সমস্যা হৈয়ে থাকিব। অসমৰ সমস্যা মানে ভাৰতৰ সমস্যা। গতিকে তত্‌কালীনভাৱে ব্যৱস্থা গ্রহণ কৰিব লাগে। আমাৰ সহানুভূতিৰ বাহিৰে একো শক্তিয়েই নাই। কাৰিকৰী বিদ্যাৰ দ্বাৰা আগৰে পৰা যদি নদী নিয়ন্ত্রণ কৰা হলহেঁতেন তেতিয়াহলে বান পানীৰ কৰাল গৰাহত পৰিব নেলাগিল হেঁতেন ? নদী নিয়ন্ত্রণৰ কথাটো আমি বাৰে-বাৰে সমালোচনাহে কৰি আছো। এই খিনিতে মোৰ এটা সাধুলৈ মনত পৰিছে। এজন মানুহে কুঠাৰ মাৰি থাকোতে হাতৰ তলোৱাত থু পেলাই ফু দিছিল, তেতিয়া আন জনে সুধিছিল তুমি এনেকৈ ফু কিয় দিছা ? তেতিয়া তেওঁ কলে ঠাণ্ডা পাইছো গৰম লগাইছো। আকৌ চাহ খাই থাকোতে পুণৰ ফু দি থাকোতে মানুহজনে কিয় ফু দিছে বুলি সোধাত তেওঁ কলে যে চাহ গৰম পাইছো ফু দি ঠাণ্ডা কৰিছো। গতিকে আমাৰো

একেই অৱস্থা হৈছে। বাজেট নাকচ্ কৰিছে। খৰাং বতৰ হব বুলি ভাবিলে বানপানী হয়। বানপানী হব বুলি ভাবিলে খৰাং বতৰ হয়। গতিকে বিজ্ঞানে যাতে বতৰৰ আগ জাননী দিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। কেতিয়া ঘূৰ্ণী বতাহ আহিব কিমান কিলোমিটাৰৰ জোৰেৰে আহিব কেতিয়া ধুমুহা বতাহ, বৰষুণ আহিব অন্ততঃ তিনি দিনৰ আগতে বিজ্ঞানৰ জাননী দিব লাগে। আমি কেতিয়াবা ৰেডিঅ'ত শুনিবলৈ পাওঁ চেৰেকা-চেৰেকি বৰষুণ হব। কিন্তু দেখা যায় বৰষুণ নাহি ৰ'দ হয়। কেতিয়াবা ইয়াৰ ওলোটা হয়। মই বেছি কথা নকওঁ আমাক কন্টিঞ্জেন্সি ফাণ্ডটো লাগে আৰু সকলোৱে আমি গঠনমূলক কামত আগবাঢ়িব লাগে। দেখা গৈছে বানপানীৰ সময়ত কোনো সমষ্টিয়ে ৰিলিফ পাইছে কোনো সমষ্টিয়ে পোৱা নাই। গতিকে নদী বিলাক নিয়ন্ত্ৰণ কৰাটো আমাৰ প্ৰধান কৰ্ত্তব্য। সেই কাৰণে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ভাল আঁচনি কৰি তাক বাস্তৱত ৰূপায়িত কৰাৰ চেষ্টা কৰিব লাগে। আমি ট্ৰাইবেল মানুহ আমাৰ কিছুমান যাদু-মন্ত্ৰ আছে, যাৰ দ্বাৰা আমি হৰিণ-ভালুক আদিকে বধ কৰিব পাৰো। কিন্তু নদী নিয়ন্ত্ৰণ কৰিব নোৱাৰো। হৰিণা মাৰিবৰ কাৰণে ভালুকৰ লগত সখী পাতি ভালুকক টাঙখো থুৱাই হাবিত আগবঢ়াই থৈ অহা হয়। আৱশ্যক অনুসৰি প্ৰত্যেকে প্ৰত্যেকৰ লগত বন্ধুত্ব পাতে। গতিকে মই এই প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু সকলোৱে গঠন মূলক ভাৱে কামত আগবাঢ়ি যাব বুলি আশা কৰিলো।

ৰাজহমন্ত্ৰী শ্ৰীথানেশ্বৰ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, খৰাং বতৰ আৰু বানপানী সম্পৰ্কত বিতং ভাৱে আলোচনা হৈছে। কন্টিঞ্জেন্সি ফাণ্ডৰ কাৰণে যিখন বিল উত্থাপন কৰিছে স্বাভাৱিকতে তাত মই অংশ গ্ৰহণ কৰিব লগীয়া বহুতো বিষয় অন্তৰ্ভুক্তি হৈছিল যদিও তেনেবুৱা সুবিধা মই পোৱা নাছিলো। এইটোৰ বিষয়ে মই মন্ত্ৰী হোৱা কাৰণে শুনি যাবলগীয়া হৈছিলো। এতিয়া অৱশ্যে মই বিতং বিৱৰণ দিবলগীয়া হলে বহুতো সময় লাগিব। তথাপি চমুকৈ এটা আবেদন আগবঢ়াই মোৰ বিবৃতি দাঙি ধৰিব বিচাৰিছোঁ। কিন্তু ইয়াৰ আগতে কেইটামান বিষয় মই স্পষ্ট কৰি দিব বিচাৰিছো যে ৰাজহ বিভাগত বহুতো এলিগেশ্যন আনিছে আৰু বহুতো ক্ৰিটিচাইজ কৰিছে, ভাল হৈছে। এই ক্ষেত্ৰত নিশ্চয় ৰাজহ মন্ত্ৰী হিচাবে মোৰ বক্তব্য আছে। খৰাং বতৰৰ ক্ষেত্ৰত প্ৰায় ৮০ কোটি টকা আমি দাবী কৰিছিলো। আমি

দাবী কৰিছিলো ৭৮ কোটি ৯১ লাখ টকা। কিন্তু তাৰ পৰিপ্ৰেক্ষিতত আমি ৭ কোটি ৩৯ লাখ ৫৯ হেজাৰ টকা পাইছোঁ।

ঠিক তেনে ধৰণেৰে বানপানীৰ ক্ষেত্ৰত ৩৩৮ কোটি ৬৭ লাখ টকা দাবী কৰিছিলোঁ সাহাৰ্য্য পোৱাৰ কাৰণে। কিন্তু এতিয়ালৈকে আমি ১২ কোটি টকা পাইছোঁ। কিন্তু দেখা যায় যে এই ক্ষেত্ৰত আমি ১০ ভাগৰ এভাগো সাহাৰ্য্য পোৱা নাই। এই মতে যদি হিচাপ কৰা যায় তেন্তে বানপানীৰ কাৰণে ৪০ কোটিৰ বেছি টকা আমি আশা কৰিব নোৱাৰেঁা। যি নহওক, এই ১২ কোটি টকা কি ভাবে আদায় কৰা হল তাৰো এটা বুৰঞ্জী আছে। খৰাঙৰ ক্ষেত্ৰত আমি বিশেষকৈ দিল্লীত কৃষি মন্ত্ৰীক লগ ধৰিছিলোঁ, কিন্তু তাত কোনো এচুৱাৰেন্স পোৱা নাছিলো। সেই কাৰণে আমাৰ ফালৰ পৰা বেছিকৈ সহায় কৰিব লগা হল। বানপানীৰ ক্ষেত্ৰত মই বিশেষকৈ কৈছিলো যে আপোনালোকে যদি কেটিগৰিকেলি এচুৱাৰেন্স নিদিয়ে ৰাজহমন্ত্ৰী হিচাবে মোৰ বৰ অসুবিধা হব, আগতে খৰাং বতৰৰ ক্ষেত্ৰত একো কৰা নহল, আপুনি মোক বাৰগেইন কৰি আছে বুলি কৃষি মন্ত্ৰীয়ে মোক এই বুলি চাৰ্জ কৰিছিল। মূখ্যমন্ত্ৰী ইয়াৰ সাক্ষী আছে আৰু ৰিপৰ্টাৰ সকল আছে। কৃষি মন্ত্ৰীৰ সচিব/সম্পাদকে কলে আমি ১০ কোটিৰ অধিক এচুৱাৰেন্স দিব নো-ৱাৰোঁ। আৰু কৃষি মন্ত্ৰীৰ ফালৰ পৰা অতিৰিক্ত ২ কোটি পালো, মুঠ ১২ কোটি টকা আমি পালো। সেইটো এচুৱাৰেন্সৰ ওপৰতে আমি চলি আছোঁ। যিমানখিনি টকা আমাক লাগে সিমানখিনি টকা আমাৰ কন্টিজেন্সি ফাণ্ডত নাই। কম মূল্যৰ বস্তু বিতৰণ কৰাৰ কাৰণে যথেষ্ট ধনৰ অভাৱ আছিল, সেই কাৰণে যিমান সাহাৰ্য্য দিব লাগিছিল আমি সিমান দিব পৰা নাই। তথাপি আমি যিমান পাৰেঁা সিমান খিনি দিবলৈ চেষ্টা কৰিছিলো, বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানক সাহায্য আগবঢ়াব লগা হৈছিল, বহু ক্ষেত্ৰত বহু টকা আমাৰ এতিয়াও দিবলৈ বাকী আছে। ষ্টেটফেদক চাউল, তেল, দাইল আদিৰ দাম আমি দিব পৰা নাই। সেইকাৰণে আজি এই কথাটো আহিছে যে জনসংযোগ বিভাগে আমাৰ স্মাৰকপত্ৰৰ ওপৰত এই ক্ষেত্ৰত টকাৰ যি অপব্যয় হোৱা বুলি কৈছে সেইটো হোৱা নাই। কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়াৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা দিব পৰা নাই। বিভিন্ন সংস্থা সমূহে বাচন-পত্ৰ দিয়াৰ কথা আমি জানো। বিশেষকৈ পুলিচ বিভাগে দিছে। যি নহওক, মাননীয় সদস্যৰ যিটো সন্দেহ হৈছে সেইটো দূৰ কৰাৰ কাৰণে মই

আজি এণ্টামানৰ আগতে ৰাজহ বিভাগৰ সচিৱৰ লগত আলোচনা কৰি এক কোটি টকা খালাচ কৰি দিছো। সেই হিচাৱে যোৰহাটৰ উপায়ুক্তক —২৫ লাখ, নগাৱঁক—৩০ লাখ, কাছাৰক—২৫ লাখ, কৰিমগঞ্জক—১০ লাখ, কাৰ্বি আংলঙক ১০ লাখ টকা মুঠ এক কোটি টকাৰ লিষ্ট কৰি দিয়া হৈছে। ৰিলিফৰ ক্ষেত্ৰত বহুতো বস্তু দিব লাগিছিল। অনা-নিয়াৰ বাবে নৌকাৰ অভাৱ, পশ্চিমবঙ্গৰ পৰা অনাৰ কাৰণে বছৰি লাখ টকা জমা দিব লাগে। ইনলেণ্ড ওৱাটাৰ ট্ৰেন্সপৰ্টক এই টকা জমা দিব লগা হয়। মই আচৰিত হৈছো এইটো কিয় দিব লাগে। আগৰ পৰাই এনেদৰে দি আহিছে বাবে দিব লগা হৈছে। যিহেতু অসমত বাৰে বাৰে বানপানী হয় এটা নিজা-ৰবীয়াকৈ নৌকা বহৰ ৰখা অতি প্ৰয়োজন বুলি মই ভাবোঁ। যি নহওঁক, বহু ক্ষত্ৰত আমি অনুভৱ কৰিছোঁ যে যিমান সাহাৰ্য্য দিব লাগে সিমান আমি দিব পৰা নাই, কাজেই আপত্তি আহিছে। বহুতে কৈছে চাউল-নিমখ দিলে হয়, চাৰিওফালে পানী, খৰি ক'ত পাম? খৰি দিয়াৰ ব্যৱস্থা নাই, কেৰাচিন তেল দিয়া হৈছে। নগাৱঁৰ বহুতো ঠাইত খৰি দিয়া হৈছে। ৰিলিফ মেনুলেত নথকা বস্তুও দিয়া হৈছে। আমাৰ নতুন চৰকাৰে কেনেকৈ সহায় কৰিলে মানুহক কষ্টৰ পৰা লাঘৱ কৰিব পৰা হয় তাৰ প্ৰায় খিনি ব্যৱস্থাই লোৱা হৈছে। গতিকে মই খুউৱ দীঘলীয়া কৰিব খোজা নাই, সময়ৰ নাটনি আছে। মাননীয় সদস্যৰ সন্দেহ লাঘৱ কৰিবৰ কাৰণে মই এটা বিবৃতি পঢ়ি দিব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, খৰাং বতৰ সম্পৰ্কত চলিত বছৰটো অসম-বাসীৰ বাবে অতিকৈ দুৰ্য্যোগপূৰ্ণ আছিল।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীচিলভিয়াচ কণ্ডপান আৰু দেৱেশ্বৰ বৰা দেৱৰ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ ৫০ নং নিয়ম অনুসাৰে দিয়া জাননীৰ সন্দৰ্ভত মই এটা বিবৃতি ডাঙি ধৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, চলিত বছৰটোত অসমবাসীৰ বাবে অতিকৈ দুৰ্য্যোগপূৰ্ণ বছৰ। বছৰটোত খৰাং বতৰ আৰু বানপানীয়ে ৰাজ্যখনৰ অৰ্থনৈতিক গাঠনিত বিশেষ আঘাত হানে। অসম এখন কৃষি প্ৰধান ৰাজ্য। কৃষিকাৰ্য্যৰ বাবে অসমৰ খেতিয়ক সকলে প্ৰধানকৈ বৰষুণৰ ওপৰত নিৰ্ভৰশীল। বৰ্ত্তমান বছৰটোৰ ছেপ্তেম্বৰ মাহলৈকে বৰষুণৰ পৰিমাণ তেনেই তাকৰ। আৰু ছেগা-চোৰোকা হোৱাৰ ফলত গোটেই ৰাজ্যখনত খৰাং অৱস্থাৰ সৃষ্টি হয়, ফলস্বৰূপে বিভিন্ন

শস্য উৎপাদনত বাধাৰ সৃষ্টি হয়। বৰ্ত্তমান বছৰত ৰাজ্যিক চৰকাৰৰ লক্ষ্য অনুযায়ী ৬, ৪৪, ০৪২ হেক্টৰ মাটিত আহু খেতি হব লাগিছিল। কিন্তু তাৰ বিপৰীতে খৰাং বতৰৰ বাবে ৪, ৭৬, ৮৬৫ হেক্টৰ মাটি আহু খেতিৰ বাবে সামৰি লব পৰা হয়। আৰু আহুখেতিয়ে আৱৰা বহুত অংশত উপযুক্ত বৰষুণৰ অভাৱত আশানুৰূপভাৱে ধান উৎপন্ন নহ'ল। ৰাজ্য খনত ২, ৫০, ১০৩ হেক্টৰ মাটিৰ আহু খেতি আংশিক ভাৱে আৰু ৬২, ৪৬৩ হেক্টৰ সম্পূৰ্ণভাৱে খৰাং বতৰৰ দ্বাৰা আক্ৰান্ত হয়। বছৰটোৰ আহুখেতিৰ পৰিস্থিতি তলত দেখুৱা হ ল। (১) নিৰ্দ্ধাৰিত ৬, ৪৪ ০৪২ হেক্টৰ (২) আহু খেতিয়ে সামৰা এলেকা ৪, ৭৬, ৮৬৫ হেক্টৰ (৩) খৰাং বতৰৰ বাবে হ্ৰাসপোৱা আহু খেতিৰ মাটিৰ পৰিমাণ ১, ৬৭, ১৭৭ হেক্টৰ (৪) উৎপাদনৰ লক্ষ্য (৮০৫ কেজি হিচাবে প্ৰতি হেক্টৰত)— ৫, ১৮, ৪৫৩'৮ মেট্ৰিক টন। (৫) ৬২, ৪৬৩ হেক্টৰ মাটিৰ সম্পূৰ্ণ নষ্ট হোৱাৰ ফলত উদ্ভৱ হোৱা উৎপাদনৰ ক্ষতি— ৫০, ২৮২' ৭১ মেট্ৰিক টন। (৬) আংশিকভাবে খেতি নষ্ট (৫০ শতাংশ ভাগ) হোৱাৰ ফলত ২, ৫০, ১৯৩ হেক্টৰ মাটিৰ উৎপাদনত হোৱা ক্ষতি ১, ০০, ৫৪১' ৪০ মেট্ৰিক টন। (৭) মাটি শুকাই যোৱাৰ ফলত (দিউ টু দেমেজ) হোৱা উৎপাদনৰ ক্ষতি ১, ৩৪, ৫৭৭' ৪৮ মেট্ৰিকটন। (৮) ১৯৮৬-৮৭ত আহুধান উৎপাদনৰ মুঠ ক্ষতি— ২, ৮৫, ৯১৫ মেট্ৰিকটন। (৯) ১৯৮৬-৮৭ত আহু খেতিৰ আনুমানিক উৎপাদন ২, ৩২, ৫৩৮' ৮১ মেট্ৰিকটন। শালিধানৰ খেতি অসমৰ এটা প্ৰধান খেতি। এই খেতিও অপৰ্য্যাপ্ত আৰু সময় উপযোগী বৰষুণ নোহোৱাৰ ফলত বিশেষ ভাবে ক্ষতিগ্ৰস্ত হয়। বছৰটোত ১৮, ০৪, ৪৬০ হেক্টৰ এলেকাত শালি খেতিৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছিল। আগষ্ট মাহৰ ১৫ তাৰিখলৈ ১৫, ৯৯, ৯৬৬ হেক্টৰ মাটিত শালি খেতি কৰা হৈছিল।

১৯৮৬-৮৭ চনৰ শালি খেতিৰ পৰিস্থিতি তলত দেখুৱা হ'ল।

১। নিৰ্দ্ধাৰিত লক্ষ্য ১৮, ০৪, ৪৬০ হেক্টৰ ২। আগষ্ট মাহৰ ১৫ তাৰিখলৈ শালি খেতিয়ে সামৰা এলেকা ১৫, ৯৯, ৯৬৬ হেক্টৰ ৩। খেতি কৰিব নোৱাৰা এলেকা— ২, ০৪, ৪৯৪ হেক্টৰ। ৪। উৎপাদনৰ লক্ষ্য (১২০০ কেজি প্ৰতি হেক্টৰ হিচাবে)— ২১, ৬৫, ৩৫২ মেট্ৰিকটন ৫। পলমকৈ ধান ৰোৱাৰ ফলত (আগষ্ট মাহৰ ১০ তাৰিখৰ পিছত) হোৱা ক্ষতিৰ (প্ৰতি হেক্টৰত ১২০০ কেজি হাৰত) ৭৩, ০৪৩' ৯৬ মেট্ৰিকটন। ৬। মাটি শুকাই যোৱাৰ ফলত খেতি কৰিব নোৱাৰাত উৎপাদনৰ ক্ষতি (১২০০ কেজি প্ৰতি হেক্টৰত) ২, ৪৫, ৩৯২' ৮০

মেট্ৰিক টন। (৭) শালি খেতিৰ মুঠ সাম্ভাব্য ক্ষতিৰ পৰিমাণ ৩, ১৮, ৪৭৬' ৭৬ মেট্ৰিক টন। (৮) ১৯৮৬-৮৭ চনৰ সাম্ভাব্য শালি খেতিৰ উৎপাদন ১৮, ৪৬, ৪৭৫' ২৪ মেট্ৰিক টন।

খৰাং বতৰৰ ফলত বছৰটোত মুঠ আহু আৰু শালি খেতিৰ ক্ষতি ৬, ০৪, ৩৯১ মেট্ৰিক টন আৰু ক্ষতিৰ পৰিমাণ মূল্য হিচাবত ৯০ কোটি টকা। ইয়াৰ উপৰিও চাহখেতি, কুহিয়াৰ খেতি, মৰাপাট খেতি কফি আৰু ৰবৰৰ খেতিৰ বিশেষ ক্ষতি হয়। আৰু দেৰ লাখ পৰিয়াল খৰাং বতৰৰ কবলত ক্ষতিগ্ৰস্ত হয়। ইয়াৰ উপৰিও খোৱা পানী যোগান ব্যৱস্থা বনাঞ্চল জলসিঞ্চন শাক-পাচলিৰ উৎপাদন, এৰীপলু উৎপাদন, মাছৰ উৎপাদন আদিৰ ক্ষেত্ৰতো বিশেষ ক্ষতি হয়।

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত খৰাং বতৰৰ ক্ষয়ক্ষতিৰ ভিত্তিত যুগুতাই ৭৮, ৯০, ৭৭, ০০০' ০০ টকাৰ খৰাং সাহায্য বিচাৰি আগষ্ট মাহৰ ২৬ তাৰিখে এখন আৰু চেপ্তেম্বৰ মাহৰ ১২ তাৰিখে এখন পৰিপূৰক স্মাৰক-পত্ৰ পেচ কৰে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰ্য্যবেক্ষক দল আহি ৰাজ্যখনৰ বিভিন্ন জিলাৰ খৰাং পৰিস্থিতিৰ বুজ লৈ গৈছে। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পেচ কৰা স্মাৰকপত্ৰ আৰু কেন্দ্ৰীয় পৰ্য্যবেক্ষক দলৰ ছুপাৰিশ ভিত্তিত এক বৃজন পৰিমাণৰ কেন্দ্ৰীয় মঞ্জুৰী খৰাং সাহায্যৰ পৰা পাবলৈ আশা কৰা হৈছে। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ পৰা ৭৩৯' ৫৯ লাখ টকা খৰাং সাহায্য পোৱা হৈছে। এই টকাখিনি বিত্ত বিভাগৰ পৰা প্ৰয়োজনীয় নিৰ্দ্দেশ পোৱাৰ পাছত বিভিন্ন বিভাগলৈ মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগৰ পৰা ৰাজ্যৰ পৰিস্থিতিত ৰাইজৰ সাহায্যৰ বাবে আৰু খেতিপথাৰত পানী যোগান আৰু খেতিয়ক সকলক খেতিৰ সঁজুলি আদি দিবৰ কাৰণে ৪, ৯৯, ১৯, ৫৩৪. ০০ জি আৰ টকা তলত দেখুৱা ধৰণে মুকলি কৰি দিয়া হয়। ১। মূখ্য অভিযন্তা, জলসিঞ্চন ৭০, ০০, ০০০. ০০ টকা ২। সঞ্চা-লক কৃষিবিভাগ ৩, ৮০, ০০, ০০০. ০০ টকা ৩। উপায়ুক্ত, দৰং— ৩১, ০০, ০০০. ০০ টকা। ৪। উপায়ুক্ত, ডিফু—১, ০০, ০০০. ০০ টকা ৫। উপায়ুক্ত, লক্ষীমপুৰ— ২, ০০, ০০০. ০০ টকা ৬। উপায়ুক্ত, নগাওঁ— ২০, ০০০. ০০ টকা ৭। মহকুমা-ধিপতি, হোজাই—৫০, ০০০. ০০ টকা ৮। মহকুমাধিপতি, গোলাঘাট—৫০, ০০০. ০০ টকা ৯। মহকুমাধিপতি, ওডালগুৰি — ৭, ০০, ০০০. ০০ টকা ১০। উপায়ুক্ত, হাফলং— ২, ০০, ০০০. ০০ টকা ১১। উপায়ুক্ত, নলবাৰী—৪, ৯৯, ৫৩৪. ০০ টকা

ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ৭৩৯.৫৯ লাখ টকা তেখেত সকলৰ নিৰ্দ্দেশ ক্ৰমে বিভিন্ন বিভাগলৈ তলত দিয়া ধৰণে আবণ্টন কৰাৰ ব্যৱস্থা কৰা হৈছে। ১। বৃদ্ধ, অসমৰ্থ, নিস্ব আদি লোকলৈ সাহায্য—১৮৯.০০ লাখ টকা। ২। খৰাং পীড়িত জীৱজন্তুৰ খাদ্যৰ বাবে—২৮.৫২ লাখ টকা ৩। ক্ষুদ্ৰ উপান্ত কৃষকলৈ কৃষিৰ সজুলিৰ বাবে—৫৭০.০০ লাখ টকা ৪। খৰাং অঞ্চলত বীজ ৰোপন (সামূহিক বঠিয়াতলি)ৰ বাবে—১০.০০ লাখ টকা। ৫। ক্ষুদ্ৰ উপান্ত মৎস্য পালক সকললৈ – ১.০৭ লাখ টকা ৬। খোৱা পানী যোগানৰ বাবে মাৰ্ক পাম্প টু কিনিবলৈ—৪১.০০ লাখ টকা। মুঠ—৭৩৯.৫৯ লাখ টকা দিয়া হৈছে। এতিয়ালৈকে খৰাং বতৰৰ বাবে সাহায্য আগবঢ়োৱা ধনৰ পৰিমান হ'ল মুঠ— ১২,৩৮,৭৮,৫৩৪ টকা। কিন্তু অসম চৰকাৰে খৰাং বতৰৰ সাহায্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৮,৯০,৭৭,০০০.০০ টকা সাহায্য বিছাৰিছে।

পুনৰ অক্টোবৰ মাহৰ আৰম্ভণিৰ পৰা বতৰৰ পৰিস্থিতি হঠাৎ পৰিবৰ্তন হয়। ধাৰাষাৰ বৰষুণৰ ফলত যোৰহাট, নগাওঁ, কামৰূপ, গোৱালপাৰা, ধুবুৰী, কাৰ্বি আংলং, কাছাৰ, কৰিমগঞ্জ আৰু উত্তৰ কাছাৰ জিলাৰ ভালেমান নদী ফেনে ফোটোকাৰে বাঢ়িবলৈ ধৰে। ধনশিৰি, কপিলি, কলং, কলিং যমুনা, বৰাপানী, ডিমৰু, ফিৰিং খিৰিং আদি সৰু-বৰ নদীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ যোৰহাট, কাৰ্বি আংলং আৰু নগাওঁ জিলাত বানপানীৰ সৃষ্টি কৰে। আনহাতে বৰাক আৰু ইয়াৰ কেইবাখনো উপনৈ যেনে সোনাই, ৰুকনী, মধুৰা, ধোলাই, লংগাই আৰু শিংলা আদিয়ে কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়।

বানপানীৰ ফলত নগাওঁ জিলাত কপিলি, কলং আৰু কিলিং নদীৰ মঠাউৰিবোৰ বহু ঠাইত চিড়ি যায় আৰু বিভিন্ন সংযোগী পথবোৰ চিড়ি যোৱাৰ ফলত গ্ৰাম্যাঞ্চল বোৰৰ লগত যোগাযোগ বিচ্ছিন্ন হৈ পৰে। বানপীড়িত মানুহবোৰ, বিশেষকৈ নৈৰ কাষৰীয়া মানুহবোৰ এই প্ৰবল বানপানীৰ ভয়ত সাধাৰণ যাৱতীয় কিছু সামগ্ৰী লৈ নিৰাপদ ঠাইবোৰলৈ আশ্ৰয়ৰ বাবে ঢাপলি মেলে। বহুতো অঞ্চল জিলাৰ সদৰ ঠাইৰ পৰা প্ৰায় দুসপ্তাহতো অধিক কালৰ বাবে বিচ্ছিন্ন হৈ পৰে। এটা সময়ত ৩৭ নং ৰাষ্ট্ৰীয় পথৰ ওপৰত ৮ ফুট পৰ্য্যন্ত পানী হয়। বানপীড়িত অঞ্চলবোৰত সাহায্য বিতৰণৰ বাবে সাহায্য সামগ্ৰী আৰু উদ্ধাৰকাৰী দল বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰি

নাৱেৰে পঠোৱা হয়। ১২ দিন ধৰি ৩৭ নং ৰাষ্ট্ৰীয় পথেৰে মবিগাওঁ, নগাওঁ, ধৰমতুল, জাগীৰোড আদি ঠাইৰ লগত গুৱাহাটী আৰু উজনি অসমৰ মাজৰ যোগাযোগ বানপানীৰ ফলত বন্ধ হৈ থাকে। বানপানীৰ প্ৰকোপ ইমান ভয়াবহ হয় যে সাধাৰণ প্ৰশাসনক সহায় কৰাৰ বাবে সেনাবাহিনীৰ সাহায্য লোৱা হয়। বিভিন্ন শিক্ষা অনুষ্ঠানত বানপীড়িত লোকসকলৰ বাবে সাহায্য শিবিৰ মুকলি কৰা হয়। আনকি বানপীড়িত কিছুমান মানুহ ৰাষ্ট্ৰীয় পথ, ৰেলৰ ৰাস্তাৰ দাঁতি, ওখ পাহাৰ আৰু ওখ ৰাস্তাত আশ্ৰয় লয়। বিভিন্ন খেতি পথাৰ একেবাৰে ১৫ দিন পানীৰ তলত ডুব গৈ থাকে। অক্টোবৰ মাহৰ ১৫ তাৰিখৰ পৰা পানী ক্ৰমে কমিবলৈ লয় যদিও বানপানীয়ে জিলাৰ বিভিন্ন অঞ্চল প্ৰায় এপষেক কাল বুৰাই ৰাখে।

ধনশিৰি নদীৰ পানী অক্টোবৰ মাহৰ ১১ তাৰিখে গোলাঘাটত বিপদ সীমা ৮৯.৫০ মিটাৰ অতিক্ৰম কৰি ৯১.৩০ মিটাৰ উচ্চতা পায় আৰু এই দিনৰ পৰা আৰম্ভ কৰি ১০-১২ দিনৰ ভিতৰত ধনশিৰি নদীয়ে গোলাঘাট চহৰৰ পৰা ওপৰলৈ বিভিন্ন ঠাইত বান্ধ ভাগে আৰু গোটেই মহকুমাতে বিস্তৰ ক্ষতি সাধন কৰে। যোৰহাট জিলাত ২৮৬ খন গাঁৱৰ ৪৬ হাজাৰ হেক্টৰ মাটি প্লাৱিত হ'ল। ৪৩৬০০ পৰিয়াল বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হয়। ৩৩ হাজাৰ হেক্টৰ মাটিৰ শস্য পানীত তল যায়। জিলাখনৰ প্ৰায় ৩০০ মিটাৰ দৈৰ্ঘ্যৰ ৰাস্তা ভাঙি পৰে আৰু ৭ খন দলং আৰু কালভাৰ্ট ক্ষতি হয়। বান পানীয়ে পানী যোগান আৰু বান নিয়ন্ত্ৰণ প্ৰকল্পৰ, শিক্ষা অনুষ্ঠান আৰু ৰাজহুৱা ভৱনবোৰৰ বিস্তৰ ক্ষতি সাধন কৰে। বানপানীৰ ফলত উদ্ভৱ হোৱা উদ্ধাৰ কাৰ্য্যৰ বাবে সাধাৰণ প্ৰশাসনক সহায় কৰিবলৈ সেনা আৰু বায়ুসেনাক কাৰ্য্যত লগোৱা হয়। সৰ্ব্বমুঠ ৯২ টা সাহায্য শিবিৰত ৫৫ হাজাৰ মানুহক আশ্ৰয় দিয়া হয়। গোলাঘাট মহকুমাৰ আলমি চাপৰিত গড়াখহনীয়া হয়।

বৰাকনৈ আৰু ইয়াৰ উপনদীবোৰৰ পানীয়ে অক্টোবৰ মাহৰ ২য় সপ্তাহত প্ৰবল বানপানীৰ সৃষ্টি কৰে। কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ মথাউৰিবোৰ বেইবা ঠাইত ভাগে। কাছাৰ আৰু কৰিমগঞ্জ জিলাত ক্ৰমে ১.২০ লাখ হেক্টৰ আৰু ৩৫ হেজাৰ হেক্টৰ ভূমি জলমগ্ন হয়। বৰাক উপত্যকাত ৰেল পথ আৰু স্থল পথ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। উদ্ধাৰ কাৰ্য্যত সহায় কৰাৰ বাবে সাধাৰণ প্ৰশাসনৰ লগত সেনাবাহিনী নিয়োগ কৰা হয়। শস্য পথাৰ, আবাস গৃহ, শিক্ষা অনুষ্ঠান, ৰাস্তা, দলং, বান নিয়ন্ত্ৰণ আৰু পানী যোগান

প্ৰকল্প আৰু ৰাজহুৱা অনুষ্ঠানৰ প্ৰচুৰ ক্ষতি হয়।

প্ৰচুৰ বৰষুণৰ ফলত ধুবুৰী, গোৱালপাৰা, কামৰূপ আৰু উত্তৰ কাছাৰ জিলাৰ ভালেমান অঞ্চল প্লাবিত হয়। এইবোৰ ঠাইৰ খেতি-বাতি নষ্ট হোৱাৰ উপৰিও পানীৰ কবলত পীড়িত হয়। ঠাই বিশেষে আধা মিটাৰৰ পৰা ১ মিটাৰ পৰ্য্যন্ত পানী হয় আৰু এই ঠাইবোৰত চহৰখনৰ ৰাস্তা আৰু নলা পদ্ধতিৰ বিশেষ ক্ষতি হয়। অক্টোবৰ মাহত হোৱা বানপানীৰ ফলত ৰাজ্যখনত বিভিন্ন ধৰণৰ ক্ষয়-ক্ষতি হয়। সৰ্ব্বমুঠ ৭০ টা জন স্বাস্থ্য কেন্দ্ৰ, ২৫৯ খন ডাক্তৰখানা আৰু ৪২৮ খন অতিৰিক্ত স্বাস্থ্য কেন্দ্ৰ বানপানীত ক্ষতি হয়। ৩৫০০ টা নলী নাদ আৰু ২২১ টা পানী যোগান প্ৰকল্পৰ ক্ষতি সাধন হয়। শস্যৰ ভড়ালবোৰ পানীত তল যোৱাৰ ফলত শস্য সম্ভাৰৰ লগত বিভিন্ন মূল্যবান বয়-বস্তুৰ অনিষ্ট হয়। নগাওঁ আৰু কাৰ্বি আংলং জিলাত ৩৭ নং আৰু ৩৯ নং ৰাষ্ট্ৰীয় পথ পানীত তল যোৱাৰ যোগাযোগ বিচ্ছিন্ন হয়। অসমত এই বানত ৩৬০ কোটি টকাৰ অধিক ক্ষতি হয় আৰু ১৫ জন মানুহৰ প্ৰাণ হানি হয়। ৰাজ্যখনত বান পানীৰ ফলত হোৱা বিভিন্ন জিলাবোৰৰ ক্ষয়-ক্ষতিৰ তালিকা তলত দিয়া হ'ল।

## নগাওঁ জিলাৰ ক্ষতিৰ পৰিমাণ

| | |
|---|---|
| ১। প্লাবিত এলেকা | ১.৭৩ লাখ হেক্টৰ। |
| ২। ক্ষতি হোৱা মানুহৰ সংখ্যা | ১০.০০ লাখ। |
| ৩। ক্ষতি হোৱা গাওঁৰ সংখ্যা | ৯০৩ খন। |
| ৪। ক্ষতি হোৱা পৰিয়ালৰ সংখ্যা | ১.৭৪ লাখ। |
| ৫। ক্ষতি হোৱা শস্যৰ এলেকা | ১.২১ লাখ। |
| ৬। ক্ষতি হোৱা শস্যৰ এলেকা | ৩৬.৩০ কোটি টকা। |
| ৭। মানৱ জীৱন হানী | ১ জন। |
| ৮। গৰু-মহৰ ক্ষতি | ১০১০ টা। |
| ৯। সাহাৰ্য্য শিবিৰ | ৩৯৯ টা। |
| ১০। সাহায্য শিবিৰত থকা লোক | ৬.৩৩ লাখ। |
| ১১। ক্ষতি হোৱা আবাস গৃহ | ১.২০ লাখ। |
| ১২। বানপানীৰ ম্যাদ | ১৫ দিন। |

## যোৰহাট জিলাৰ ক্ষতি

| | | |
|---|---|---|
| ১। | প্লাৱিত এলেকা | ০˙৪৬ লাখ হেক্টৰ। |
| ২। | ক্ষতি হোৱা মানুহৰ সংখ্যা | ২˙১৮ লাখ। |
| ৩। | ক্ষতি হোৱা গাৱঁৰ সংখ্যা | ২৮৬ খন। |
| ৪। | ক্ষতি হোৱা পৰিয়ালৰ সংখ্যা | ৪৩,৬০০ টা। |
| ৫। | ক্ষতি হোৱা শস্যৰ এলেকা | ০˙৩৩ লাখ হেক্টৰ। |
| ৬। | সাহাৰ্য্য শিবিৰ | ৯২ টা। |
| ৭। | সাহাৰ্য্য শিবিৰত থকা লোকৰ সংখ্যা | ০˙৫৫ লাখ। |
| ৮। | আবাস গৃহৰ ক্ষতি | ৩৬,০০০ টা। |
| ৯। | গৰু-মহৰ ক্ষতি | ১২০০ টা। |
| ১০। | মানৱ জীৱন হানী | ৫ টা। |
| ১১। | বানপানীৰ ম্যাদ | ১০-১২ দিন। |

## বৰাক উপত্যকাৰ ক্ষয়-ক্ষতি

| | | কাছাৰ জিলা | কৰিমগঞ্জ জিলা |
|---|---|---|---|
| ১। | প্লাবিত এলেকা | ১˙২০ লাখ হেক্টৰ | ০˙৩৫ লাখ হেক্টৰ |
| ২। | ক্ষতি হোৱা মানুহৰ সংখ্যা | ৭˙২৫ লাখ | ২˙০০ লাখ |
| ৩। | ক্ষতি হোৱা গাৱঁৰ সংখ্যা | ৫৯৯ খন | ৩৭৩ খন |
| ৪। | ক্ষতি হোৱা শস্যৰ এলেকা | ০˙৫০ লাখ হেক্টৰ | ০˙২২ লাখ হেক্টৰ |
| ৫। | ক্ষতি হোৱা শস্যৰ মূল্য | ১৫˙০০ কোটি টকা | ৬˙৬০ কোটি |
| ৬। | মানৱ জীৱন হানী | ৬ | নাই |
| ৭। | গৰু-মহৰ ক্ষতি | ৩৫০ | নাই |
| ৮। | সাহায্য শিবিৰ | ২১০ | নাই |
| ৯। | সাহায্য শিবিৰত থকা মানুহৰ সংখ্যা | ২˙৬১ লাখ | ০˙০১ লাখ |
| ১০। | বানপানীৰ ম্যাদ | ১৫ দিন | ১৫ দিন |

## সমগ্ৰ ৰাজ্যখনত হোৱা মুঠ ক্ষতি

| | | |
|---|---|---|
| ১। | প্লাবিত এলেকা | ৪˙২৬ লাখ হেক্টৰ |
| ২। | ক্ষতি হোৱা মানুহৰ সংখ্যা | ২৩˙৪৫ লাখ। |

| | | |
|---|---|---|
| ৩। | ক্ষতি হোৱা গাওঁৰ সংখ্যা | ২৭৫২ খন। |
| ৪। | ক্ষতি হোৱা পৰিয়ালৰ সংখ্যা | ৪, ৪২, ৪৯০ টা। |
| ৫। | ক্ষতি হোৱা শস্যৰ এলেকা | ৩' ২২ লাখ হেক্টৰ। |
| ৬। | ক্ষতি হোৱা শস্যৰ মূল্য | ৯৮' ০১ কোটি টকা |
| ৭। | আবাস গৃহৰ ক্ষতি | ৩, ২২, ৩২০ টা |
| ৮। | মানৱ জীৱন হানি | ১৫ টা। |
| ৯। | গৰু-মহৰ ক্ষতি | ২৪২০ টা। |
| ১০। | বানপানীত পীড়িত জীৱ-জন্তুৰ সংখ্যা | ১০, ৪৫, ৯১২ টা। |
| ১১। | মুঠ সাহায্য শিবিৰ | ৭১৮ টা। |
| ১২। | সাহায্য শিবিৰত থকা মানুহৰ সংখ্যা | ৯' ৮৩ লাখ। |

ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগে তৎকালীন হিচাবে ১১৬' ০০ লাখ টকা বান সাহায্যৰ বাবে মুকলি কৰি দিছে। জিল্লা মহকুমা হিচাবে ইয়াৰ তালিকা এখন তলত দিয়া হ'ল।

| | | |
|---|---|---|
| (১) | নগাওঁ | ১৫' ০০ লাখ |
| (২) | মৰিগাওঁ | ১১' ০০ লাখ |
| (৩) | হোজাই | ১০' ০০ লাখ |
| (৪) | যোৰহাট | ২' ০০ লাখ |
| (৫) | গোলাঘাট | ১৫' ০০ লাখ |
| (৬) | শিলচৰ | ১৫' ০০ লাখ |
| (৭) | হাইলাকান্দি | ৩' ০০ লাখ |
| (৮) | কৰিমগঞ্জ | ২' ০০ লাখ |
| (৯) | গোৱালপাৰা | ১' ০০ লাখ |
| (১০) | মানকাছাৰ | ২' ০০ লাখ |
| (১১) | গুৱাহাটী | ৮' ০০ লাখ |
| (১২) | ডিফু | ৩' ০০ লাখ |
| (১৩) | হাফলং | ১' ০০ লাখ |
| (১৪) | ষ্টেটফেড | ২৫' ০০ লাখ |
| | মুঠ | ১১৬' ০০ লাখ |

তদুপৰি বান সাহায্যৰ বাবে প্ৰয়োজন হোৱা দাইল, চাউল আদি বাকীকৈ আনি বানপীড়িত অঞ্চলবোৰত বিতৰণৰ ব্যৱস্থা কৰা হৈছে। বান পানীৰ সময়ত প্ৰয়োজনীয় সাহায্য বিতৰণ ব্যৱস্থা পৰ্য্যবেক্ষণ কৰাৰ বাবে ৰাজ্যৰ মাননীয় মন্ত্ৰী মহোদয়সকল আৰু বিধান সভাৰ কেইবাজনো মাননীয় সদস্য বিভিন্ন বানপিড়ীত অঞ্চল সমূহত বাহৰ পাতি আছিল। এতিয়ালৈকে খাদ্য সামগ্ৰী, চিকিৎসাৰ ঔষধ-পাতি, ঘৰচীয়া জীৱ-জন্তুৰ খাদ্য সামগ্ৰী আদি বাকীকৈ আনি বানপীড়িত ৰাইজক সাহায্য দিয়াৰ বাবদ আৰু বানপীড়িত কালত ব্যৱহাৰ কৰা গাড়ীৰ ভাড়া, ডিজেল পেট্ৰলৰ দায়, নৌকাৰ ভাড়া আদি বাবদ কেইবা কোটি টকা বিভিন্ন শিতানত দেনা হৈ আছে। নগাওঁ আৰু যোৰহাট জিলাতেই ৪০/৫০ কোটি টকা দেনা হৈ আছে। পুনৰ সংস্থাপনৰ সাহায্য বিশেষ লেখত লবলগীয়াকৈ দিব পৰা হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰা মঞ্জুৰী আহিলে সাহায্য আগবঢ়াব পৰা যাব।

১৪/১০/৮৬ তাৰিখে মাননীয় কেন্দ্ৰীয় কৃষি মন্ত্ৰী অসমলৈ আহি ৰাজ্যখনৰ বান পৰিস্থিতিৰ বুজ লয় আৰু ১২ কোটি টকা ৰাজ্যখনৰ সাহাৰ্যৰ নামত কেন্দ্ৰীয় মঞ্জুৰী ঘোষনা কৰে। টকা তলত ধৰণে বিভাগবোৰলৈ মঞ্জুৰ কৰা হৈছে।

| | |
|---|---|
| ১) কৃষি সঞ্চালক | ৪.০০ কোটি টকা |
| ২) গড় কাপ্তানীৰ মূখ্য অভিযন্তা | ১.০০ কোটি টকা |
| ৩) জন স্বাস্থ্য মূখ্য অভিযন্তা | ৫০ লাখ টকা |
| ৪) পশু পালন সঞ্চালক | ৫০ লাখ টকা |
| ৫) জন স্বাস্থ্য সেৱা সঞ্চালক | ১.০০ কোটি টকা |
| ৬) পৌড় প্ৰশাসন সঞ্চালক | ১.০০ কোটি টকা |
| ৭) গ্ৰেচুইটাছ ৰিলিফ | ২.০০ কোটি টকা |
| ৮) ৰিহেবিলিটেচন গ্ৰাণ্ট (পুনৰ সংস্থাপন সাহায্য) | ২.০০ কোটি টকা |
| মুঠ | ১২.০০ কোটি টকা |

গ্ৰেচুইটাচ ৰিলিফ আৰু পুণৰ সংস্থাপন সাহায্যৰ ৪ কোটি টকা বিভিন্ন জিলালৈ আবণ্টন কৰাৰ ব্যৱস্থা লোৱা হৈছে।

ইতিমধ্যে যোৱা ৩১ অক্টোবৰ তাৰিখত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বানপানীত ক্ষয় ক্ষতি হোৱা আৰু সাহাৰ্য্য পুণৰ সংস্থাপন আৰু ক্ষতি হোৱা

চৰকাৰী সম্পত্তিৰ মেৰামতিৰ বাবে ৩৩৮ কোটি টকা ৬৬ লাখ ৭৫ হেজাৰ টকাৰ প্ৰয়োজনীয়তাৰ বৰ্ণনা কৰি এখন স্মাৰক পত্ৰ কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰনালয়ত পেচ কৰা হৈছে। এটা কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দলে যোৱা ১৬ নৱেম্বৰ পৰা ২১ নৱেম্বলৈ অসমলৈ আহি বানপীড়িত জিলা কেইখনত পৰিভ্ৰমন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। এই পৰ্যবেক্ষকৰ দলে ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ সংশ্লিষ্ট বিষয়া সকলৰ স্মাৰক লিপিত উল্লেখ কৰা প্ৰয়োজনীয় ধনৰ যুক্তি যুক্ততাৰ বিষয়ে বিতং পৰ্য্যালোচনা কৰে। ৰাজ্য চৰকাৰৰ স্মাৰক লিপিৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে কিমান বিত্তীয় সাহায্য আগবঢ়াব এতিয়ালৈকে জানিব পৰা হোৱা নাই। বানপানী আৰু খৰাং বতবত ক্ষতি গ্ৰস্ত হোৱা বাট পথ মথাউৰি আদি পূণৰ নিৰ্মাণৰ কাম বিভিন্ন বিভাগে হাতত লৈছে। আন-হাতে ক্ষতিগ্ৰস্ত খেতিয়কসকলক ৰবি শস্যৰ খেতি কৰিবলৈ প্ৰয়োজনীয় সাহায্য দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে। এতিয়ালৈকে খৰাং বতৰ আৰু বানপানীৰ সাহায্য হিচাপে কৃষি আৰু জলসিঞ্চনৰ বাবদ মুঠ ৮.৮০ কোটি টকা আবণ্টন দিয়া হৈছে। তাৰোপৰি কৃষিকাৰ্য্যৰ লগত জৰীত থকা পশুপালন বিভাগক ৭৮.৫২ লাখ টকা আবণ্টন দিয়া হৈছে। মীনপালন বিভাগকো ১.০৭ লাখ টকা আবণ্টন দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি উপায়ুক্ত আৰু মহকুমাধিপতি সকললৈ আবণ্টন দিয়াকিছু টকা কৃষি আৰু জলসিঞ্চন কাৰ্য্যত খৰচ কৰা হৈছে।

ৰাজ্যত যাতে খাদ্য সামগ্ৰীৰ নাটনি নহয় আৰু খাদ্য সামগ্ৰী যাতে সঠিক ভাৱে বিতৰণ হয় তাৰবাবে যোগান বিভাগে বিহিত ব্যৱস্থা লৈ আছে। ৰাজ্য চৰকৰে ৰাইজৰ দুখ-দুৰ্দ্দশাৰ প্ৰতি সম্পূৰ্ণ সজাগ আৰু ইয়াক আতৰাবৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা হাতত লৈছে। এই ক্ষেত্ৰত সকলোৰে সক্ৰিয় সহযোগ চৰকাৰে কামনা কৰে।

মাননীয় অধ্যক্ষ :— এতিয়া সময় আবেলি ৫ বাজিছে। সদন কালিলৈ ১০ বজালৈকে স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then rose at 5 p. m. and Stood adjourned till 10 a. m. tomorrow the 16th December, 1986.

Dated Dispur:
The 15th December, 1986

Dr. P. N. Hazarika
Secretary,
Assam Legislative Assembly